Acc NO
110

□ ঊনবিংশ সংখ্যা □ ১৯৯১ - ৯২ □

# ঝড়িয়া মহাবিদ্যালয় আলোচনী

সম্পাদক
বাবুল বৈশ্য

# ৰঙিয়া মহাবিদ্যালয় আলোচনী
# RANGIA COLLEGE MAGAZINE

শ্ৰদ্ধা ও প্ৰীতিৰে

শ্ৰী ____________________________ লৈ

____________________________ আগবঢ়ালো।

সম্পাদক,
ৰঙিয়া মহাবিদ্যালয় আলোচনী

*Editor*
Babul Baishya

সম্পাদক
বাবুল বৈশ্য

# ৰঙিয়া মহাবিদ্যালয় আলোচনী

# RANGIA COLLEGE MAGAZINE

Ac NO
170

ঊনবিংশ সংখ্যা / ১৯৯১-৯২

19th issue / 1991-92

*Editor*

Babul Baishya

সম্পাদক

বাবুল বৈশ্য

# ৰঙিয়া মহাবিদ্যালয় আলোচনী


সভাপতি
ড° নীলকান্ত মহন্ত

উপদেষ্টাদ্বয়
উমেশ গোস্বামী
প্ৰদীপ ঠাকুৰীয়া

তত্ত্বাৱধায়ক
দক্ষেশ্বৰ ডেকা

সম্পাদক
বাবুল বৈশ্য

সদস্যদ্বয়
নুৰুল আমিন
কবিন দাস

বেটুপাত আৰু ছবি
ঋতুৰাজ কলিতা

ছপাশাল
জন সেৱক প্ৰেছ
ৰঙিয়া

আলোক চিত্ৰ আৰু বেটুপাত ছপা
সীমান্তিকা প্ৰিন্টাৰ্চ
গুৱাহাটী—৩


## সূচী


৫ সম্পাদকৰ কলম
৬০·১-৬০·৮ আলোক চিত্ৰ সংকলন
৬১ প্ৰিয় সম্পাদক
৬৩ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

ৰচনা

৯ অসমৰ নৱ বৈষ্ণৱ ধৰ্ম আৰু শ্ৰীশ্ৰীহৰিদেৱ / দক্ষেশ্বৰ ডেকা
১৩ আৱশ্যকীয় খাদ্য হিচাবে আলু আৰু ইয়াৰ গুৰুত্ব / সাৰঙ্গপাণি শইকীয়া
১৫ পৰীক্ষাৰ নিম্নগামী ফলাফল আৰু ইয়াৰ কাৰকসমূহ / কমল পাটোৱাৰী
১৬ ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰীয়তা / ব্ৰজ কুমাৰ দাস
২২ দেশৰ সাম্প্ৰতিক পৰিস্থিতি : ছাত্ৰ সমাজৰ ভূমিকা / খনিন কলিতা
২৫ একৈশ শতিকাৰ দুৱাৰ দলিত উচ্ছৃংখল যুৱ মানসিকতা / গণদেৱ পাটোৱাৰী
২৭ বহাগ বিহু আৰু বৈচাগী সমাৰ্থ / উমেশ দৈমাৰী
৩০ বৰ্তমান সামাজিক পটভূমিত জ্যোতিপ্ৰসাদৰ ভূমিকা / বুলবুল বৈশ্য

কবিতা

৩৪ কবিতা / ঋতুৰাজ কলিতা
৩৪ নীলকণ্ঠ কবিতা / উমেশ বড়ো
৩৫ সংগ্ৰাম / খালেক উজ জামান
৩৫ মোৰ মৃত্যু হোৱা নাই / কমল নাৰায়ণ দাস
৩৫ শিল্পীৰ বেদনা ভৰা কাহিনী / ৰমেশ ওৱাৰী
৩৫ হেৰোৱা ফাগুণ / বিনীতা ডেকা


উনবিংশ সংখ্যা
১৯৯১-৯২

## Contains


৩৬ বুকুত এদোণ ধান বনাৰ শব্দ / ৰুহুল আমিন
৩৭ চিৰঞ্জ'মায়েলিয়া / ভাস্কৰ কলিতা
৩৭ নিজৰ মাজত সি / হেমন্ত কুমাৰ নাথ
৩৮ মোৰ ঠিকনা / সুবোধ নাথ
৩৮ ৰাতিৰ কবিতা / হেমন্ত কলিতা
৩৯ আত্মকথা / নুৰুল আমিন
৩৯ দুটি স্তৱক / কবিন দাস

গল্প

৪০ নৈশব্দৰ নিয়ৰে ধোৱা এটি জেতুকা পাত / মনোৱাৰা ইয়াচমিন
৪৬ প্ৰাচীৰ / ধনদা দাস
৪৮ মানুহৰ মাত / কমল কান্তি ধৰ
৫১ প্ৰতিশ্ৰুতি আৰু পৰিণতি / জগদীশ শৰ্মা
৫৩ অভিযাত্ৰী / ৰূপক দাস
৫৯ অপেক্ষা / প্ৰিয়ঙ্কা শৰ্মা

Essays

3 The Role Of Green Plants In Human Life And Its Relation With Botanical Garden / Snigdha Sarkar
7 Poor Performance in H. S. Exam./Pradip Thakuria
9 A Few Lines On Bodo-Kacharies / Dr. Nilakanta Mahanta.


19th issue
1991-92

# RANGIA COLLEGE MAGAZINE


PRESIDENT
Dr. N. K. Mahanta

ADVISORS
Umesh Ch. Goswami
Pradip Thakuria

IN-CHARGE
Daksheswar Deka

EDITOR
Babul Baishya

MEMBERS
Nurul Amin
Kabin Das

COVER AND SKETCH
Rituraj Kalita

PRINTING
Jana Sevak Press, Rangia

PHOTO & COVERPAGE PRINTING
Simantika Printers
Guwahati-3

# শ্ৰদ্ধা তৰ্পণ



অতি কম বয়সতে বহুতৰে হৃদয়ত বেদনাৰ জুই জ্বলাই ইহ সংসাৰৰ পৰা মেলানি মগা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ অৰুণ মহন্ত, গণেশ স্বৰ্গীয়াৰী আৰু প্ৰদীপ কুমাৰ ৰামচিয়াৰীলৈ আমাৰ শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ।।

মইতো অস্তাচলৰ হেঙুলীয়া বেলি নহওঁ
যে এন্ধাৰৰ ওচৰত নতজানু হম।

আমাৰ সৈতে আদৰ্শৰ মত দ্বৈধ থাকিলেও যাৰ অসম আৰু অসমীয়াৰ প্ৰতি থকা অকৃত্ৰিম ভাল পোৱা অস্বীকাৰ কৰিব নোৱাৰোঁ, সেই মেঘ ফুকন, হীৰকজ্যোতি মহন্ত, জলিট চহৰীয়া আৰু অনিৰ্বাণ হাজৰিকা তথা এক উজ্জল ভবিষ্যতৰ স্বাক্ষৰ বহনকাৰী জাতীয়তাবাদী শিল্পী সুৰেশ ফুকন প্ৰমুখ্যে ভাৰতীয় সৈন্য বাহিনী আৰু উগ্ৰপন্থীৰ হাতত নিহত হোৱা সমূহ নিৰ্দোষী ব্যক্তিলৈ আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে
থৈ যাব পাৰোঁ খোজ সময় বালিত।

আমাৰ মাজৰ পৰা আঁতৰি যোৱা সঙ্গীত শিল্পী সত্য বৰুৱা, গীতিকাৰ হেমেন হাজৰিকা, সঙ্গীতজ্ঞ বীৰেন্দ্ৰ কুমাৰ ফুকন, চিনেমা পৰিচালক দ্বিবন বৰুৱা, দ্বিতীয় অসমীয়া ছবি 'ইন্দ্ৰমালতী'ৰ নায়িকা ৰামেশ্বৰী হাজৰিকা, কবি ইব্ৰাহীম আলী, সাহিত্যিক হেমন্ত কুমাৰ শৰ্মা আৰু ছগনলাল জৈনলৈ আমাৰ শ্ৰদ্ধাঞ্জলি আগবঢ়াইছো।

## সাময়িক প্ৰসঙ্গ



## সম্পাদকৰ কলম

### উগ্ৰবাদ আৰু অসম

সাম্প্ৰতিক বিশ্বৰ বহুবোৰ উন্নয়নশীল দেশকে উগ্ৰবাদীৰ আন্দোলনে চৌৱাই গৈছে। আমাৰ ভাৰতবৰ্ষৰ কাশ্মীৰ, পাঞ্জাৱ, মধ্যপ্ৰদেশ, নগালেণ্ড, অসম আদি ৰাজ্য কেন্দ্ৰৰ শোষণ আৰু অসমনীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি বিভিন্ন উগ্ৰপন্থী সংগঠন সক্ৰিয় হৈ উঠিছে। সকলোবোৰ উগ্ৰপন্থী সংগঠনেই যে যুক্তিৰ আধাৰত পৰিচালিত হৈছে, তেনে নহয়। প্ৰকৃততে বেছিভাগ সংগঠনেই উগ্ৰ জাত্যাভিমান, ধৰ্মীয় সংকীৰ্ণতা আৰু ভুল ধাৰণাৰ বশৱৰ্তী হৈ হাতত অস্ত্ৰ তুলি লৈছে। এই সংগঠনসমূহক সহায় কৰিছে পুঁজিপতি আৰু ভাৰত বিৰোধী প্ৰতিবেশী ৰাষ্ট্ৰবোৰে। কিন্তু সেইবুলি কোনো কাৰণ নোহোৱাকৈ কোনো উগ্ৰপন্থী সংগঠনেই জন্ম লাভ নকৰে।

অসমত '৭৯ চনৰ ৭ এপ্ৰিলত স্বাধীন অসমৰ দাবীত জন্ম লাভ কৰিছিল এক উগ্ৰবাদী সংগঠন—অসম সংযুক্ত মুক্তি বাহিনী বা চমুকৈ আলফা। অগপৰ শাসন কালছোৱাত আলফা ধন-জন, অস্ত্ৰ-শস্ত্ৰৰে শক্তিশালী হৈ পৰিছিল। কিন্তু অতি কম সময়তে আলফাৰ গাঁথনি সোলোক-ঢোলোক হৈ পৰিল। সৈন্য বাহিনীৰ অত্যাচাৰ আৰু হিতেশ্বৰ শইকীয়াই আগবঢ়োৱা লোভনীয় টোপ গিলি বহু সংখ্যক সদস্য সংগঠনৰ পৰা আঁতৰি আহিল। ইয়াৰে আকৌ কিছুমানে নিলাজৰ দৰে শইকীয়াৰ শিবিৰত হেচা-থেলা লগালে। এই সংগঠনত এক বুজন পৰিমাণৰ আদৰ্শবাদী, স্বদেশপ্ৰেমী আৰু মেধাবী যুৱকৰ সমাবেশ ঘটিছে যদিও ৰাস্তাই-ঘাটে ধতুৱামি কৰি ফুৰা আদৰ্শহীন, লম্পট এচাম যুৱকে যেতিয়া সংগঠনত যোগদান কৰিছিল তেতিয়াই আমি সন্দেহ কৰিছিলোঁ যে এইচাম যুৱকেই আলফাৰ কামিহাড় ভাঙিব। আলফাত যোগদান কৰাৰ পিছত চৰিত্ৰহীন, লম্পটখিনিৰো খোজ-কাটল, কথা-বতৰা, আচাৰ-ব্যৱহাৰত এক আমূল পৰিবৰ্তন ঘটিছিল। বহুতে ভাবিছিল সেয়া আলফাৰ কৃতিত্ব। কিন্তু অতি কম সময়ৰ ভিতৰতে প্ৰমাণিত হৈছিল যে সিংহৰ ছাল পৰিধান কৰিলেই গাধ এটা সিংহ হব নোৱাৰে। ভণ্ড বিপ্লৱীচামে

আলফাৰ স্থিতি লৰক-ফৰক কৰি দিলে। এই চামৰ বাবেই বহুতেই মৃত্যুবৰণ কৰিবলগীয়া হ'ল, বহুতো ধৰা পৰিল। জলিন্ট চহৰীয়া, হীৰকজ্যোতি-মহন্ত আদিৰ নৃসংশ হত্যাকাণ্ডৰ আঁৰত এনে এচামৰ অৱস্থিতি অস্বীকাৰ কৰিব নোৱাৰি। সেই সিদিনাৰ অস্বচ্ছল অৱস্থাৰ বহুতো আত্মসমৰ্পনকাৰী আলফা সদস্য আজি একোজন ঠিকাদাৰ, ব্যৱসায়ী নতুবা সুৰা বেপাৰী।

অতি অপৈণত অৱস্থাত আলফাই নিজকে পৈণত বুলি ভাবিলে আৰু পৈণতৰ দৰে কাম-কাজ কৰিবলৈ ল'লে। অস্ত্ৰৰ বলেৰে বলীয়ান হৈ জনগণৰ মনস্তত্ত্ব অধ্যয়ন নকৰাকৈ তেওঁলোকে দিগ্বিজয় কৰাৰ বাসনা কৰিলে। তেওঁলোকে নিজেই নাজানিলে—তেওঁলোকে কি কৰি আছে বা কি কৰা উচিত। এই কথা অৰবিন্দ ৰাজখোৱাৰ বিবৃতিতো প্ৰকাশ পাইছে। তেওঁলোকে অসমক ভিয়েটনাম সজাব বিচাৰিলে। কিন্তু তেওঁলোকে নুবুজিলে যে ভিয়েটনামী আৰু অসমীয়াৰ মানসিকতা একে নহয়। বিপ্লৱ কৰিবলৈ যোৱাৰ আগেয়ে জনগণক বিপ্লৱী মন্ত্ৰেৰে উদ্বুদ্ধ কৰিব লাগে। ৰবীন হুড মাৰ্কা কাৰ্যকলাপেৰে সাময়িক জনপ্ৰিয়তা অৰ্জন কৰিব পাৰিলেও সমাজৰ বৈপ্লৱিক পৰিবৰ্তন সাধন কৰা সম্ভৱ নহয়।

স্বয়ংক্ৰিয় ভাৱে উগ্ৰবাদৰ জন্ম নহয় আৰু জন সমৰ্থনতহে উগ্ৰবাদে স্থায়িত্ব লাভ কৰে। স্বাধীনতা লাভ কৰাৰে পৰা প্ৰতিটো যুক্তি সংগত দাবীৰ বাবেই অসম ৰাজপথলৈ ওলাই আহিবলগীয়া হৈছে, বহুতকে ছহিদ আৰু বিকলাংগ সজাবলগীয়া হৈছে। এখন সীমান্তৱৰ্তী আৰু প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ ৰাজ্য হিচাপে অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি গুৰুত্ব পাব লাগিছিল, সেইখিনি নাপালে। অসমৰ জনগণৰ দীৰ্ঘ দিনীয়া ক্ষোভৰ জুইত জন্ম লাভ কৰিলে আলফাই। এই সংগঠনৰ মূল লক্ষ্য স্বাধীন অসম। কিন্তু সংগঠনটোক ভাল পোৱা গৰিষ্ঠ সংখ্যকেই স্বাধীন অসম মৰ্ম্মাৰ্থ বুজি নাপায়। কিন্তু তেওঁলোকে জানে আলফাই স্থিতাৱস্থাৰ পৰিবৰ্তন বিচাৰিছে, জনগণৰ মঙ্গলৰ হকে কিবা এটা কৰিব বিচাৰিছে। আলফাই মধ্যবৃত্তৰ দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিছিল। আলফাৰ উত্থানত ইঞ্জিনিয়াৰ, অভাৰচিয়াৰ, বিষয়াসকলে দুৰ্নীতি কৰিবলৈ এবা নাছিল যদিও কিছু শঙ্কিত হৈ পৰিছিল। ঠায়ে ঠায়ে লোকেল দাদা, গুণ্ডা আদিৰ সংখ্যাও কমিছিল। তেওঁলোকে চোৰাং চিকাৰী, চোৰাং বেপাৰী, মদৰ অবাধ বেহাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছিল। ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছিল। ৰাইজে দেখিছিল, দেশৰ পুলিচ বাহিনীয়েও যি কাম কৰিব নোৱাৰে, সেইটো আলফাৰ ডেকাসকলে পাৰে। পাঞ্জাৱ, কাশ্মীৰ আদিৰ উগ্ৰবাদী সংগঠনসমূহৰ দৰে আলফাই কোনো ভাষীক বা ধৰ্মীয় গোষ্ঠীৰ বিৰুদ্ধে অস্ত্ৰ তুলি লোৱা নাই। ৰাইজে তেওঁলোকৰ ওচৰত নিৰাপদ অনুভৱ কৰিছে। সেইবাবেই অন্য বহু সংগঠনতকৈ আলফা ভিন্ন।

এই ৰাজ্যৰ চাহ পৃথিৱী বিখ্যাত—যাক লৈ আমাৰ গৌৰৱৰ অন্ত নাই। ৰাজ্যখনৰ হেজাৰ হেজাৰ বিঘা বন্যাঞ্চল মুকলি কৰি সৃষ্টি কৰা এই চাহ বাগিছাবোৰে অসমৰ অৰ্থনীতিলৈ কি অৰিহণা আগবঢ়াইছে, ৰাইজে এবাৰ ভাবি চাইছেনে? অসমৰ চাহে মাথো মেকনীল, মেগৰ, ব্ৰুকবণ্ড, টাটা ইত্যাদি দেশীয়, বহুজাতিক পুঁজিপতি গোষ্ঠীবোৰৰ ধনৰ মোনা শকত কৰিছে। আজি যদি অসমত এটা চাহ বাগিছা নেথাকি সেইবোৰ বন্যাঞ্চল হৈ থাকিলহেঁতেন, তেন্তে অসমৰ অৰ্থনীতি আৰু জন গাঁথনিৰ বৰ্তমানতকৈ এক উন্নততৰ ৰূপ দেখা গ'লহেঁতেন। আলফাই পোন প্ৰথমবাৰৰ বাবে অসমৰ শোষক চক্ৰবোৰক সাৱধান কৰি দিলে। সুযোগ পালেই কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি বয়-বস্তুৰ দাম বঢ়োৱা ফাঁচী বজাৰৰ বণিক গোষ্ঠীটোক কোনো সংগঠন বা চৰকাৰেও ইমানদিনে নোম এডাল লৰাব পৰা নাছিল। কিন্তু আলফাৰ আগ্নেয়াস্ত্ৰৰ ভয়ত সিহঁতৰ দুৰ্বাৰ গতি যেন কিছু সময়ৰ বাবে হলেও স্থবিৰ হৈ পৰিল। জনগণক আভুৱা ভাৰিবলৈ, নিজৰ শোষক ৰূপটো ঢাকি ৰাখিবলৈ চাহ কোম্পানীয়ে ফুটবল একাডেমী খুলিলে; লাখটকীয়া সাহিত্য বঁটা ঘোষণা কৰিলে; বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানলৈ উদাৰ ভাৱে (!) দান বৰঙণি আগবঢ়ালে।

ইফালে আলফাক নিঃশেষ কৰিবলৈও শোষক চক্ৰবোৰ তৎপৰ হৈ পৰিল। চাহ বাগিছাৰ বহু অনা-অসমীয়া বিষয়া চক্ৰান্তমূলকভাৱে অসমৰ পৰা আঁতৰি গ'ল। তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক প্ৰত্যয় নিয়াব বিচাৰিলে—আলফাৰ বাবে তেওঁলোকৰ জীৱনৰ নিৰাপত্তা নোহোৱা হৈ পৰিছে। ফাঁচীবজাৰৰ বণিক গোষ্ঠীটোৱে গুৱাহাটী চহৰত হাজিৰাৰ ভিত্তিত বিহাৰী ৰিক্সাৱালা, থেলাৱালা, মুটিয়া আদিৰ এটা সমদল উলিয়াই কেন্দ্ৰীয় চৰকাৰক বুজাব বিচাৰিলে—আলফাই অনা-অসমীয়াবোৰক অসমৰ পৰা খেদিব বিচাৰিছে। (প্ৰসঙ্গক্ৰমে উল্লেখ-যোগ্য যে বিদেশী বহিষ্কাৰ আন্দোলনটো বঙালী খেদা আন্দোলন বুলি চিপিএমে প্ৰচাৰ চলাইছিল।) ইফালে আৰ এচ এচ আৰু বি জে পিয়ে আৰাও জুৰিলে—অসমত ৰাষ্ট্ৰপতিৰ শাসন লাগে। কাৰণ আৰ এচ এচ, বি জে পিৰ উগ্ৰ হিন্দু সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে আলফা এক বাধা স্বৰূপ হৈ উঠিছিল।

আজি আমি অসমীয়াবোৰে সাংস্কৃতিক সংকট, মানবীয়তাৰ সংকট, আদৰ্শৰ সংকট ইত্যাদি বিভিন্ন এশ এবুৰি সংকটত ভুগিছোঁ। এই সংকটবোৰ আঁতৰাব পাৰিলেহে অসমীয়াৰ জাতীয় ভেটি সুদৃঢ় হ'ব। আলফাই পোনতে জাতীয় ভেটি সুদৃঢ় কৰাত গুৰুত্ব দিব লাগিব। অন্যথা তেওঁলোকৰ লক্ষ্য এক সাময়িক বিলাসৰ বাদে অন্য একো নহ'ব। মোমাই তামুলীৰ যুগৰ অসমীয়া আছিল অপৰমুখাপেক্ষী আৰু বৰ্তমানৰ অসমীয়াই আলপিনটোও কলিকতাৰ পৰা আনিবলগীয়া হয়। মাৰোৱাৰীয়ে চাউল-দালি আনি নুখুৱালে আমাৰ টেকেলি কাটি। মূলতঃ অৰ্থনৈতিক স্বাৱলম্বিতাই হ'ল প্ৰকৃত স্বাধীনতাৰ বুনিয়াদ।

আনহাতে ভাৰতবৰ্ষত অৰ্থনৈতিক অসাম্য অতি প্ৰকট হৈ দেখা দিছে। প্ৰকৃততে জৱাহৰলাল নেহেৰুৱে প্ৰৱৰ্তন কৰা মিশ্ৰ অৰ্থনীতিৰ কু-ফল এইটো। নেহেৰুৱে কৈছিল যে ভাৰতবৰ্ষৰ দৰে অনুন্নত আৰু সদ্য স্বাধীনতা-প্ৰাপ্ত দেশ এখনৰ অৰ্থনৈতিক গাঁথনি মজবুত কৰাৰ বাবে মিশ্ৰ অৰ্থনীতিৰ বাদে অন্য গত্যন্তৰ নাই। কিন্তু নেহেৰুৰ জ্ঞাতেই বা অজ্ঞাতেই এই অৰ্থনীতিৰ মাজত যথেষ্ট সুৰুঙা ৰৈ গৈছিল। যাৰ ফলত এই দেশৰ সাধাৰণ নাগৰিক কোনো প্ৰকাৰে উপকৃত নহ'ল; উপকৃত হ'ল পুঁজিপতিচাম। এক কথাত ক'বলৈ গ'লে মিশ্ৰ অৰ্থনীতি আৰু পুঁজিপতি অৰ্থনীতিৰ নামটোৰ বাদে অন্য চৰিত্ৰগত পাৰ্থক্য নাই। এতিয়া ভাৰতৰ ৰাজনীতি, অৰ্থনীতি সম্পূৰ্ণৰূপে পুঁজিপতিৰ জেপত। এনেকৈ চলি থাকিবলৈ হ'লে অদূৰ ভৱিষ্যতে যে ভাৰতবৰ্ষত ৰাষ্ট্ৰজুৰি এক বৈপ্লৱিক অভ্যুত্থান নহ'ব কোনেও ক'ব নোৱাৰে। হয়তো কেৱল অসম, নাগালেণ্ড ইত্যাদিয়ে নহয় সমগ্ৰ দেশখনক উগ্ৰবাদৰ জুয়ে জ্বলাই তুলিব।

## লোক সংস্কৃতিৰ গণিকা

লোক সংস্কৃতি কোনো এটা জনগোষ্ঠীৰ তৃণমূল পৰ্যায়ৰ মানুহখিনিৰ সংস্কৃতি। অসম কৃষি ভিত্তিক ৰাজ্য। সেয়েহে অসমীয়া সংস্কৃতি কৃষি ভিত্তিক বা গ্ৰাম্য ভিত্তিক। বিজ্ঞানে বৰ্তমান যুগটোৰ অতি তীব্ৰ গতিত পৰিবৰ্তন সাধিছে। যোগাযোগ ব্যৱস্থাৰ উন্নতিয়ে পৃথিৱীখনক অতি ক্ষুদ্ৰ কৰি তুলিছে। ফলত দেশলৈ বাহিৰা সংস্কৃতিৰ অতি সহজে আমদানী ঘটিছে আৰু লোক সংস্কৃতিয়ে মুখ থেকেচা খাই পৰিবলগীয়া হৈছে। অসমীয়া লোক সংস্কৃতিৰ ভিতৰত বিহুগীত আৰু বিহু নাচৰেহে মানৰ কিছু ৰেছি। তাৰোপৰি কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত, টোকাৰী গীত আদিৰ আদৰ কিছু পৰিমাণে আছে। এসময়ত বিহু নাচ ইতৰ শ্ৰেণীৰ সংস্কৃতি বুলি অভিজাত আৰু শিক্ষিত শ্ৰেণীটোৱে নাক কোচাইছিল। কিন্তু বেজবৰুৱা প্ৰমুখ্যে কেইগৰাকীমান মহানুভৱ পুৰুষৰ যত্নত বিহুনাচে সামাজিক মৰ্যদা লাভ কৰিলে। আৰু আজি বিহু নাচে কোনে? গাওঁৰ ভূ-ভা নোপোৱা চহৰীয়া মধ্যবৃত্তৰ ল'ৰা-ছোৱালী কেইটাই নহয়নে? গাঁওলীয়া ডেকা-গাভৰুহঁতে এতিয়া বিহু নাচিব নজনা হ'ল। গাওঁ, পথাৰ, সেউজী প্ৰকৃতি আৰু সহজ-সৰল গাৱলীয়া মানুহবোৰৰ হৃদয়ত লোক সংস্কৃতিৰ আত্মাটো আছে। যন্ত্ৰযুগৰ লোহ দানৱটোৱে আমাৰ সংস্কৃতিৰ আত্মা আৰু দেহটো পৃথক কৰি পেলালে। আত্মাটো থাকি আহিল গাওঁত আৰু দেহটো লৈ অহা হ'ল চহৰলৈ। চহৰৰ তথাকথিত শিক্ষিত সংস্কৃতিৰ সেৱকসকলে এই আত্মাহীন দেহটোত অস্ত্ৰোপচাৰ চলাবলৈ আৰম্ভ কৰি দিছে। এই বালসুলভ অস্ত্ৰোপচাৰে সংস্কৃতিৰ দেহটোক ছিন্ন-ভিন্ন আৰু বিকৃত কৰি পেলাইছে। সংস্কৃতি বোৱতি সুঁতি। সময়ে সময়ে ইয়াৰ পৰিবৰ্তন হ'বই। কিন্তু সেইবুলি ইয়াৰ স্বকীয়তা হৰণ কৰাৰ অধিকাৰ কাৰো নাই। প্ৰয়োজন হ'লে সংস্কৃতিৰ স্বকীয়তা ৰক্ষাৰ বাবে অধিক ৰক্ষণশীল হ'ব লাগিব।

সন্ধ্যা মেননে আধুনিক গীত গায়। কিন্তু তেওঁ এতিয়া কামৰূপী লোকগীত গাবলৈ লৈছে। পিছে সেইবোৰ

লোকগীতৰ নামত বেবেৰিবাং এসোপা কিবাহে। গীত-বোৰত ব্যৱহাৰ কৰা ইলেক্ট্ৰনিক বাদ্য-যন্ত্ৰৰ কথাটো নকওঁৱেই, সুৰতো বিজতৰীয়া ঢং। এই ক্ষেত্ৰত অৱশ্যে সন্ধ্যাই প্ৰথম বা একমাত্ৰ নহয়, আৰু বহুতো আছে। টকা এগালৰ বাবেই ইহঁতে নিজৰ সংস্কৃতিৰ প্ৰতি অশ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে।

আৰু এই যে আমাৰ বিহু মঞ্চবোৰ, য'ত ৰাইজৰ পৰা সংগ্ৰহ কৰা হেজাৰ হেজাৰ টকা কিছুমান বিজতৰীয়া নাচ-বাগৰ নামত পানী-শৰাধ কৰা হয়। জাতীয় সংস্কৃতি বিহুৰ নাম লৈ এইবোৰ অপকৰ্ম কিয় কৰা হয়? অসমীয়া সংস্কৃতিৰ বহিৰ্ভূত অনুষ্ঠান প্ৰদৰ্শন কৰাৰ আমি বিৰোধী নহওঁ। কিন্তু সেয়া বিহু মঞ্চত হব নালাগে। ৰঙালী বিহুক আমি জাতীয় কৃষ্টি ৰূপে গ্ৰহণ কৰিছোঁ। সেয়েহে বিহু মঞ্চত নানাৰঙী অসমীয়া সংস্কৃতিৰ প্ৰদৰ্শন হোৱা বাঞ্চনীয়। অন্যথা 'বিহুমঞ্চ'ৰ 'বিহু' শব্দটো কৰ্তন কৰাই ভাল। বজৰং অপাৰেচনৰ আগৰ বেলি শিৱসাগৰ জিলা আলফা গোটে জিলাখনৰ বিহুমঞ্চবোৰত অসমীয়া সংস্কৃতিৰ বহিৰ্ভূত অনুষ্ঠান নিসিদ্ধ কৰি দিছিল। সেই আদেশ আখৰে আখৰে পালন কৰা হৈছিল। আমি অসমীয়াবোৰ এনেহে হলোঁ যে বন্দুকৰ ভয় দেখুৱাইহে আমাক অপ-সংস্কৃতিৰ পৰা আঁতৰত ৰাখিব লগা হ'ল।

এজন আমাৰ এইফালৰ নাগাৰা নামৰ পাঠকৰ কথা কওঁ। তেওঁ কেচেট উলিয়াইছে, ৰেডিঅ'ত নাম গাইছে। মুঠতে এজন বিখ্যাত পাঠক। তেওঁ হেনো সদৌ অসম ভিত্তিত নাম গাই শ্ৰেষ্ঠত্বৰ বঁটাও পাইছে। কিন্তু তেওঁৰ নামৰ দিহাবোৰ সজায় জনপ্ৰিয় হিন্দী, অসমীয়া বোল-ছবি আৰু আধুনিক অসমীয়া গীতৰ সুৰেৰে। তেৰেঁই পায় শ্ৰেষ্ঠত্বৰ বঁটা! যুগৰ বতাহৰ পৰা উক্ত পাঠক গৰাকীয়েও হাত সাৰিব পৰা নাই। হায়, অসমীয়া লোক-সংস্কৃতি!

ব্যক্তিগত

আজি প্ৰায় দেৰ বছৰৰ মূৰত এনেহেন চেৰেলা আলোচনী এখন উলিয়াই দিবলৈ পাই মই মুঠেই সন্তুষ্ট হব পৰা নাই। অধ্যক্ষৰ মতে কিবাকৈ চলি গ'লেই হ'ল আৰু। হব পাৰে এই মহাবিদ্যালয় উত্তৰ কামৰূপৰ সৰ্ব্ববৃহৎ শিক্ষানুষ্ঠান। আলোচনীৰ শিতানত আবণ্টন কৰা হৈছে মাথো তেৰ টকাকৈ। তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি হিচাবত পাঁচশমান ছাত্ৰ-ছাত্ৰীৰ নাম কমকৈ দেখুৱাই কৰ্তৃপক্ষই বেছ কেইটামান টকা চান কাঢ়িছে। যিহে কৰাপচনৰ যুগ। আলোচনীৰ নামত বেছিকৈ টকা দিলে সম্পাদকৰ জেপ গধুৰ কৰা কাৰবাৰহে হব আৰু! এতেকে প্ৰায় বাইশ হাজাৰ টকাৰে প্ৰকাশ কৰি উলিওৱা কোনোবা ক্লাবৰ স্মৃতিগ্ৰন্থৰ লেখিয়া এই আলোচনীখন লৈয়ে আপোনালোক সন্তুষ্ট থাকক।

আলোচনীখন প্ৰকাশ হোৱাত কেইমাহমান পলম হ'ল। তাৰ কাৰণবোৰ হ'ল—প্ৰেছৰ অসুবিধা অধ্যক্ষৰ বিধি-পথালি, ছাত্ৰ সন্থাৰ (Students' Union) অসহযোগিতা, প্ৰৱন্ধ-পাতিৰ অভাৱ আৰু কিছু পৰিমাণে মোৰ অনভিজ্ঞতা।

নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰে পৰা আলোচনীখন ছপা হোৱালৈ বিভিন্ন ব্যক্তিয়ে মোক সহায়-সহযোগ কৰিছে। সকলোৰে নাম প্ৰকাশ কৰি শলাগ লোৱা সম্ভৱ নহয় যদিও যিসকলৰ নাম উল্লেখ নকৰিলে অকৃতজ্ঞৰ দোষে চুব, সেইসকলৰ নাম উল্লেখ কৰিছোঁ—মাননীয় শিক্ষাগুৰু অমৰেন্দ্ৰ শৰ্মা, নৰেন্দ্ৰ কলিতা, অপূৰ্ব গোস্বামী, গ্ৰন্থাগাৰিক বীৰেণ শৰ্মা, বিজ্ঞান বিভাগ আৰু গ্ৰন্থাগাৰৰ কৰ্মচাৰীবৃন্দ, 'আছু'ৰ ৰঙিয়া মহাবিদ্যালয় গোটৰ বিষয়-বৰীয়াসকল, ঋতুৰাজ কলিতা, জুৰি বৰুৱা, বুলবুল বৈশ্য, ৰুহুল আমিন, দিলোৱাৰ হুচেইন, দিব্যজ্যোতি কলিতা আৰু জগদীশ শৰ্মা। মই বিশেষ ভাৱে কৃতজ্ঞ সম্পাদনা সমিতিৰ উপদেষ্টাদ্বয় মাননীয় উমেশ গোস্বামী আৰু প্ৰদীপ ঠাকুৰীয়া, তত্বাৱধায়ক মাননীয় দক্ষেশ্বৰ ডেকা, জেষ্ঠপ্ৰতীম নুৰুল আমিন, মেহবুব ৰহমান, ধনদা দাস আৰু বন্ধুবৰ গৌৰাঙ্গ নাথৰ ওচৰত।

—বাবুল বৈশ্য





# অসমৰ নৱবৈষ্ণৱ দৰ্শন আৰু শ্ৰীশ্ৰীহৰিদেৱ

দক্ষেশ্বৰ ডেকা
মুৰব্বী প্ৰবক্তা, সংস্কৃত বিভাগ

পঞ্চদশ শতিকাৰ শেষৰ ফালে পুণ্য-শ্লোক মহাপুৰুষ শঙ্কৰদেৱ, দামোদৰদেৱ, হৰিদেৱ আৰু মাধবদেৱে পবিত্ৰ অসম ভূমিত ভক্তি ৰসৰ সোঁত বোৱাই দি অসম ভক্তি ৰসেৰে প্লাৱিত কৰিছিল আৰু তাপ-পাপক্লিষ্ট শ শ নৰ-নাৰীৰ অন্তৰত আনন্দৰ জোৱাৰ তুলি তেওঁলোকক বৌদ্ধিক, আধ্যাত্মিক আৰু সামাজিক মুক্তিৰ সন্ধান দিছিল। অৱশ্যে অসমত বৈষ্ণৱ ধৰ্মৰ ঐতিহ্য অতি প্ৰাচীন। তান্ত্ৰিক পদ্ধতি মতে বিষ্ণুক পূজা কৰা হৈছিল। অসমৰ বিভিন্ন স্থানত পোৱা বাসুদেৱ মূৰ্ত্তিসমূহে ইয়াৰ সাক্ষ্য বহন কৰে। আনকি প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্য বিষ্ণুৰ অৱতাৰ ৰাম-কৃষ্ণৰ বৰ্ণনাৰে প্লাৱিত। কিন্তু প্ৰাক্-শঙ্কৰী যুগৰ বৈষ্ণৱ ধৰ্ম সীমিত সংখ্যক লোকৰ মাজত আবদ্ধ আছিল আৰু নানা সংঘাতৰ বলি হৈ বিপন্ন হৈ পৰাত শঙ্কৰ সূৰ্যৰ আবিৰ্ভাৱ হৈছিল আৰু তেৰাৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত শতধা বিভক্ত অসমীয়া জাতি সজীৱ হৈ উঠিছিল। ভক্তি ধৰ্মৰ উৎপত্তি আৰু বিকাশৰ মূল লক্ষ্য—ধৰ্মীয় আচৰণৰ যোগেদি ব্যক্তিক সমাজৰ লগত আৰু সমাজক ৰাষ্ট্ৰৰ লগত সমন্বিত কৰা। লোক জীৱনৰ সমুন্নতি ভক্তি আন্দোলনৰ কাম্য। হৰিদেৱ, দামোদৰ আৰু মাধৱদেৱে এই ভাগৱতী ভক্তি মাৰ্গৰে পৰিপুষ্টি সাধন কৰিছিল।

সৰ্বজনৰ গ্ৰহণযোগ্য ভক্তি ধৰ্মৰ জৰিয়তে শ্ৰীমন্ত শঙ্কৰে নৱজাগৰণৰ সূচনা কৰিলে। গুৰুসৱে 'মধুৰৰো সুমধুৰ হৰিৰ কীৰ্ত্তন ৰস' পান কৰি আনকো পান কৰাই ভক্তিৰ ৰসৱত্তা মুক্তকণ্ঠে ঘোষণা কৰি সকলো ভক্তিবাদীকে ভক্তি ধৰ্মৰ আশ্ৰয় লবলৈ আহ্বান জনাইছে। মহৰ্ষি শাণ্ডিল্যই ভক্তিৰ সূত্ৰ এনেদৰে দিছে- 'সা ভক্তিঃ পৰানুৰক্তিৰীশ্বৰে' অৰ্থাৎ পৰমেশ্বৰত পৰম অনুৰাগেই ভক্তি। ভক্তিক নাৰদে পৰম প্ৰেমৰূপা বুলি অভিহিত কৰিছে-'সা ত্বস্মিন্ পৰম প্ৰেমৰূপা'। প্ৰেমৰ মাধ্যমেৰে পৰমেশ্বৰত আত্মনিবেদিত হ'লে ভক্তজনে অনন্ত আনন্দৰ অভিজ্ঞতা লাভ কৰে। দ্ৰাবিড় দেশজাতা ভক্তি-ক্ৰমশঃ উত্তৰ ভাৰতত গা কৰি উঠে আৰু বৈষ্ণব গুৰুসকলে নিজ নিজ শিষ্যসকলৰ মাজত প্ৰচাৰ কৰে। ভাৰতৰ অন্যান্য ঠাইত বৈষ্ণৱসকলে বেদান্তৰ ওপৰত নিজ নিজ ভাষ্য লিখি বেদৰ বাহিৰ নোহোৱাকৈ ভক্তি ধৰ্ম প্ৰচাৰ কৰে। কিন্তু অসমৰ বৈষ্ণৱ গুৰু সকলে ভক্তিৰ পৰিপোষক পুৰাণ সূৰ্য ভাগৱত আৰু শ্ৰীমদ্ভাগৱত গীতা শাস্ত্ৰ থকাত স্বকীয়া ভাষ্য লিখাৰ প্ৰয়োজন বোধ নকৰি শাস্ত্ৰৰ উত্তম সেই গীতা-ভাগৱতকে অৱলম্বন কৰি ভক্তি ধৰ্ম প্ৰচাৰত ৰত হয়। চাৰিজনা বৈষ্ণৱ গুৰুৱে ভাগৱতী বৈষ্ণৱ ধৰ্ম তথা একশৰণ নাম ধৰ্মকে প্ৰচাৰ কৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভক্তি বৃক্ষৰ অমৃতোপম ফল সৰ্ববেদান্তসাৰ শ্ৰীমদ্ভাগৱতক অৱলম্বন কৰি ভক্তি ধৰ্ম প্ৰচাৰাৰ্থে 'কীৰ্ত্তন' 'দশম' প্ৰমুখ্যে ভক্তি শাস্ত্ৰ সমূহ প্ৰণয়ন কৰিছিল। বেদান্ত ভিত্তিক হ'লেও ভাগৱত ধৰ্ম ভক্তি ধৰ্ম

হোৱা বাবে গুৰুজনাই ভাগৱতকে তেৰাৰ ভক্তি ধৰ্মৰ ভিত্তি হিচাপে গ্ৰহণ কৰিছে। এই ভাগৱত ধৰ্ম বা ভাগৱতী ধৰ্ম শিৱদ (মঙ্গলজনক) আৰু আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক এই তাপ-ত্ৰয়ৰ উচ্ছেদকাৰী। ভাগৱত ধৰ্মৰ বলত ভক্তজনে ভগৱানক হৃদয় কাৰাগাৰত আটক কৰি ৰাখিব পাৰে। ভাগৱতে ভক্তিৰে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে 'ত্ৰিসত্যস্য ভক্তিৰেব গৰীয়সী।' নাৰদে উৰ্দ্ধবাহু হৈ জ্ঞান, কৰ্ম আৰু ভক্তি যোগৰ ভিতৰত ভক্তিকে শ্ৰেয় বুলি কৈছে। জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্য - এই চাৰিবস্তু সমন্বিত ভাগৱত ধৰ্ম চাৰিশ্লোকৰ জৰিয়তে ভগৱন্তই ব্ৰহ্মাৰ আগত ব্যক্ত কৰিছে।

'যে বৈ ভগৱতা প্ৰোক্তা উপায়া হ্যাত্মলব্ধয়ে।
অঞ্জঃ পুংসামবিদুষাং বিদ্ধি ভাগৱতান্ হি তান্।' (ভা-১১-২-৩৪)

অজ্ঞানী সকলে যাতে সহজ উপায়ে ভগৱন্তক পাব পাৰে তাৰবাবে যি ধৰ্ম ভগৱানে নিজমুখে ব্যক্ত কৰিছে সেয়ে ভাগৱত ধৰ্ম। আনহাতে ভগৱন্তই অৰ্জুনক কোৱা 'সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ' আদিও ভাগৱত ধৰ্ম। মহাপুৰুষ বা বিষ্ণু এই ধৰ্মৰ উপাস্য দেৱতা কাৰণে ই বৈষ্ণৱ ধৰ্ম। আটাইকেইজন গুৰুৱে প্ৰচাৰিত ধৰ্ম ভাগৱতী বৈষ্ণৱ ধৰ্ম।

বেদান্তৰ বিভিন্ন মতবাদৰ ভিতৰত শংকৰাচাৰ্যৰ অদ্বৈতবাদ বহুজন সমাদৃত। শ্ৰীমন্ত শংকৰদেৱৰ মত শংকৰাচাৰ্যৰ মতৰ লগত মিলি যায়। অদ্বৈত বেদান্তই কয় যে জগতত ব্ৰহ্ম ব্যতিৰেকে কোনো উপাদান নাই। 'সৰ্বংখল্বিদং ব্ৰহ্ম।' শ্ৰীমন্ত শংকৰদেৱে বেদান্তৰ প্ৰতিপাদ্য ব্ৰহ্মক প্ৰণতি জনাইছে আৰু লগতে অৱতাৰবাদ স্বীকাৰ কৰি কৈছে—

'প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥'

দাৰ্শনিক পণ্ডিত ৺ ৰাধানাথ ফুকন দেৱে শ্ৰীমন্ত শংকৰদেৱ যে শংকৰাচাৰ্যৰ মায়াবাদৰ সমৰ্থক আছিল উদ্ধৃতি সহকাৰে প্ৰমাণ কৰি কৈছে—"মহাপুৰুষ শংকৰদেৱৰ দাৰ্শনিক মত শংকৰাচাৰ্যৰ লগত একেবাৰে মিলে, যেন দুই শংকৰৰ একেখন শাংকৰিক দৰ্শন।" অৱশ্যে দুয়োজনৰ ভগৱৎ প্ৰাপ্তিৰ পথ সুকীয়া। এজন জ্ঞানমাৰ্গী আৰু আনজন ভক্তিমাৰ্গী। মহাপুৰুষজনাই কীৰ্ত্তনত হৰমোহনৰ হৰৰ বিষ্ণু স্তুতিৰ জৰিয়তে বেদান্ত দৰ্শনৰ তত্বৰ ব্যাখ্যা প্ৰাঞ্জল ভাষাত পৰিবেশন কৰিছে। জগৎ সৃষ্টিৰ মূল কাৰণ পৰম ব্ৰহ্ম। ব্ৰহ্মই অনাদি শক্তি মায়াৰ সহায়ত ত্ৰিগুণাত্মক জগৎ সৃষ্টি কৰে।

আমাৰ আটাইকেইজন গুৰুৱে ভজনীয়দেৱ হৈছে ভাগৱতৰ কৃষ্ণ। সূতে নৈমিষাৰণ্যত শৌণকাদি ঋষিসকলৰ আগত ভগৱানৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা কৰি শেষত কৈছে মৎস্যাদি অৱতাৰ- অংশ বা কলা, কৃষ্ণই স্বয়ং ভগৱান।

"এতে চাংশকলাঃ পুংসঃ
কৃষ্ণস্তু ভগৱান্ স্বয়ম্।"

আনকি বৈষ্ণৱসকলে ইমানলৈকে কবলৈ আগ বাঢ়ি গৈছে যে বেদান্ত দৰ্শনৰ যি ব্ৰহ্ম সেই ব্ৰহ্ম এই কৃষ্ণৰ শৰীৰ কান্তি। [যদদ্বৈতং ব্ৰহ্মোপনিষদি তদস্য কৃষ্ণস্য তনুভাঃ]

সমস্ত জগতৰ সাৰ বিষ্ণুৱে মহাপুৰুষ বা পুৰুষোত্তম। তেওঁৰ ভজন শ্ৰেয়স্কৰ। কৰভাজন সিদ্ধই নিমি ৰজাক উপদেশ প্ৰসঙ্গত কৈছিল—

'ধ্যেয়ং সদা পৰিভৱঘ্নমভীষ্টদোহং
তীৰ্থাস্পদং শিৱবিৰিঞ্চিনুতং শৰণ্যং।
ভৃত্যাৰ্ত্তিহং প্ৰণতপাল ভবাব্ধিপোতং
বন্দে মহাপুৰুষ তে চৰনাৰবিন্দম্॥'

এই মহাপুৰুষৰ সেৱকেই মহাপৌৰুষিক। চমুকথাত মহাপুৰুষীয়া। হৰি- দেৱেও কৃষ্ণ স্তুতি কৰি কৈছে—

'নমো নমো কৃষ্ণ বলৰ কণ্ঠি
তুমি জগতৰ নাথ।
তোমাৰ চৰণে শৰণ পশিলোঁ
নমো নমো নমাই মাথ॥'

শংকৰদেৱৰ 'দেৱ, নাম, ভকত' এই তত্বত্ৰয়ৰ লগত ভাগৱতৰ জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্যৰ আধাৰত মাধৱপুৰুষে 'গুৰু' তত্ব লগ লগাই 'দেৱ গুৰু, নাম আৰু ভকত' এই চাৰিতত্ব সম্পূৰ্ণ কৰে। চাৰি তত্ব অসমৰ আটাই বিলাক পন্থৰে পৰম শ্ৰদ্ধাৰ বস্তু।

অসমৰ আটাইকেইজন গুৰুৰে অন্তৰাত্মাৰ যথেষ্ট মিল আছিল আৰু তেৰাসৱৰ একত্ৰিত ভাগৱতপাঠ আৰু ভক্তি ধৰ্মৰ মধুৰ আলাপে পাটবাউসীক পৱিত্ৰ নৈমিষাৰণ্যত পৰিণত কৰিছিল। শংকৰ, মাধৱ, হৰিগুৰু আৰু দেৱ দামোদৰৰ কি অপূৰ্ব মিলন! হৰিদেৱ স্থাপিত মানেৰি সত্ৰত শংকৰ আৰু দামোদৰদেৱে সাতদিন থাকি নাম কীৰ্ত্তনত অংশ লৈছিল বুলি চৰিত পুথিয়ে কয়। পৰস্পৰে পৰস্পৰৰ 'অপূৰ্ব নিৰ্মাণক্ষমা প্ৰজ্ঞা' প্ৰতিভাক স্বীকাৰ কৰিছিল উদাৰ দৃষ্টিভঙ্গীৰে। গুৰুসকলৰ মহাপ্ৰয়াণৰ পাছতহে ব্ৰহ্ম সংহতি (দামোদৰী, হৰিদেৱী,) নিকাসংহতি



পুৰুষ সংহতি আৰু কালসংহতি গা কৰি উঠিল।

মহাপুৰুষ হৰিদেৱ বেদাচাৰ্য, দৰ্শনাচাৰ্য আৰু ভাগৱতবেত্তা পুৰুষ আছিল। শ্ৰীমদ্ভগবদগীতা তেৰাৰ জীৱনৰ সৰ্বস্ব আছিল আৰু শংকৰদেৱ আৰু দামোদৰদেৱৰ দৰে ভক্তিধৰ্ম প্ৰচাৰ কৰে। তেৰা শব্দব্ৰহ্মনিষ্ণাত আৰু ভাগৱত বিষয়ত যথাৰ্থতত্বজ্ঞানী আছিল। পুৰীৰ জগন্নাথমন্দিৰত তেৰাই একেৰাহে পাঁচ বছৰ ভাগৱত ব্যাখ্যা কৰি অগণন শ্ৰোতা ভক্তক বিমুগ্ধ কৰিছিল। একশৰণীয়া হৈও তেৰাই বেদবিহিত কৰ্ম ত্যাগ কৰিব কোৱা নাই।

'বেদৰ বিহিত কৰ্ম সদায় কৰিবা।
কদাচিতো মহন্তক নিন্দা নকৰিবা॥'

একশৰণীয় নাম ধৰ্মত ব্যভিচাৰ হয় বুলিয়ে শ্ৰীমন্ত শঙ্কৰে 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ' বুলি কৈছে। অকল সেয়ে নহয় ভাগৱতৰ ২য় স্কন্ধত মহাপুৰুষ গুৰুৱে লিখিছে—

'অন্য দেৱী দেৱ নকৰিবা সেৱ
নখাইবা প্ৰসাদ তাৰ
মূৰ্ত্তিকো নচাইবা গৃহে নপশিবা
ভক্তি হৈবে ব্যভিচাৰ॥'

ভক্তি ব্যভিচাৰ হ'ব বুলিহে তেৰাই এনে কঠোৰ অনুশাসন কৰি গৈছে, আন দেৱ দেৱীক নিন্দা কৰা নাই। কিন্তু হৰিদেৱ কৃষ্ণৰ একান্ত সেৱক হৈয়ো অন্যান্য দেৱ দেৱী সেৱাৰ দ্বাৰাও কৃষ্ণ তুষ্ট হয় বুলি কৈ সকলো দেৱ দেৱীতে সমভাৱ পোষণ কৰিছে।

"আকাশ হন্তে যত জল পৰে
সমুদ্ৰে কৰে গমন।
অন্যান্য দেৱকো সেৱা কৰিলেও
কেশৱে কৰে গমন॥"

অৱশ্যে ঘোৰ পূজা পাতলত মন্ত্ৰসকলক ভক্তিমাৰ্গলৈ অনা টান কাৰণে তেৰাই এনেকৈ ক'ব পাৰে। (দশভুজা পূজা বন্ধ কৰা বুলি দেৱ দামোদৰ গুৰুৱে পৰীক্ষিত ৰজাৰ ৰোষত পৰা কথাতো পৰিলক্ষণীয়।) নহ'লে চৰিতকাৰ দ্বিজ দিবাকৰে কিয় কব?

'জয় জয় হৰিগুৰু কৃপাৰ সাগৰ।
হৰি ভকতি ৰত্ন কৰিলা প্ৰচাৰ॥
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম কৰিলা বিদিত।
তাক এৰি আনক ভজয় পাপী যত॥'
(হঃ চঃ/৭২)

একেখন হৰিদেৱ চৰিততে দ্বিজ দিবাকৰে সকাম নিকামতো হৰিনামৰ দ্বাৰাহে মনস্কামনা পূৰ্ণ হয় বুলি মত প্ৰকাশ কৰিছে।

'হেন জানি সবে আলাস ত্যজিয়ো
গলে বান্ধা হৰি নাম।
সকাম নিস্কাম যাৰ যেন মত
পূৰ্ণ হৈব মনস্কাম॥'
(হঃ চঃ/৬৯)

ভগৱানৰ প্ৰিয় ভক্ত প্ৰহ্লাদে ভক্তিৰ নৱবিধ লক্ষণ উল্লেখ কৰিছে শ্ৰৱণ, কীৰ্ত্তন, বিষ্ণুস্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, আৰু আত্ম নিবেদন। মহাপুৰুষ শঙ্কৰদেৱ দাস্যভাৱে শ্ৰৱণ কীৰ্ত্তন কৰাৰ ওপৰত গুৰুত্ব দিছিল। বঙ্গীয় মধুৰ ভক্তি আমাৰ গুৰুসকলৰ কাম্য নাছিল। অদ্যাবধি অপ্ৰকাশিত হৰিদেৱ বিৰচিত 'ভাগৱত ভক্তিৰস তৰঙ্গিনী' গ্ৰন্থত নৱবিধ ভক্তি ৰহস্য পল্লৱিত হৈছে।

মহাপুৰুষ শঙ্কৰদেৱে উচ্চনীচ ভেদাভেদ জ্ঞান আৰু জাতিভেদ প্ৰথাৰে ভাৰাক্ৰান্ত অসমীয়া সমাজত সাম্য মৈত্ৰী ভাৱ আনিছিল আৰু ভক্তি ধৰ্মৰ বলত জাতি ভেদ শিথিলকৰণত গুৰুত্ব দি কৈছে—

'স্মৰোক হৰি দিন ৰাতি
নবাছে ভকতি জাতি অজাতি।'

হৰিদেৱেও জাতিভেদ ধৰ্মসাধকৰ প্ৰতিবন্ধক জানি তাক নিবাৰণাৰ্থে যত্ন কৰিছিল। তেওঁ ভক্তসকলক কৈছিল—

'কলিতা সৌণ্ডিকমধ্যে জাতিভেদ এৰি।
একেলগে চলিবাহা মোৰ আজ্ঞা পালি॥'

নিজেও 'উপদেশতকৈ আহিঁ ভাল' জানি তাক কাযকৰী কৰিছিল। এবাৰ তেৰাৰ ঘৰত আলহী হোৱা কেইজনমান শালৈ ভকতক চুৰাপাত পেলাবলৈ তেৰাৰ পত্নীয়ে অস্বীকাৰ কৰাত নিজে চুৰাপাত তুলি লৈ পত্নীক কৈছিল—

গুচ দুষ্টা, 'তোৰে কথা নহয় ভালৈ।
হৰি ভকতক বোলে শালৈ॥'
(কঃ গুঃ চঃ)

তেৰাই ভকতক অতি উচ্চজ্ঞান কৰিছিল।

হৰিৰ একান্ত ভক্ত যত নিৰন্তৰ।
হৰিহেন জানি তাঙ্ক কৰিবা সাদৰ॥'

বহৰিত থকা কালত বেশ্যাসক্ত শঠ দস্যু বাৰজনক (বলপাক, বামন, ৰামনাথ, সনা পতিয়া, কমলা হৰিদাস, হৰি, গুণা, ভোলা, পগলা আৰু বানদাস) শান্ত কৰাই সৎপথলৈ আনি শৰণ ভজন দি তেওঁলোকৰ দ্বাৰা নামঘৰ দৌল আদি সজাইছিল। নাৰী সমাজক অনাদৰ নকৰি আধ্যাত্মিক জ্ঞান বিজ্ঞানত সমানে আগবাঢ়ি যোৱাটো অনুমোদন কৰিছিল। পাঁচশ বছৰ আগতে নিজৰ চিৰকুমাৰী জ্যেষ্ঠা কন্যা ভুৱনেশ্বৰীক মানেৰী সত্ৰৰ গুৰুভাৰ অৰ্পণ কৰি নাৰীকো উচ্চ স্থান দিছিল।

ভাগৱত পুৰাণমতে সমস্ত প্ৰাণীতে

ঈশ্বৰৰ অস্তিত্ব দৰ্শন কৰাজনে উত্তম ভাগৱত। মহাপুৰুষ শ্ৰীমন্তশঙ্কৰে 'কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম' বুলি যিদৰে প্ৰাণীৰ প্ৰতি দয়া ভাব পোষণ কৰিবলৈ কৈছিল মহাপুৰুষ হৰিদেৱেও সৰ্ব-ভূতত ভগৱত সত্তা উপলব্ধি কৰি প্ৰাণী হিংসা নিবাৰি কৈছিল --

'প্ৰাণী হিংসা নকৰিবা কৈলু সাৰে সাৰ।
প্ৰাণী হিংসা সম মহাপাপ নাহি আৰ।।'

সাধনাৰ চৰম অৱস্থালৈ উপনীত হোৱালৈকে চিত্তৰ একাগ্ৰতা সাধনৰ অৰ্থে সাধকে সাধনাৰ অনুকূল কিবা ধ্যেয় ৰূপ বা মূৰ্ত্তিক অৱলম্বন কৰাৰ যুক্তি শাস্ত্ৰত আছে। ভগৱানৰ আঠবিধ মূৰ্ত্তিৰ প্ৰচলন ভাগৱতত আছে।

'শৈলী দাৰুময়ী লৌহী লেপ্যা লেখ্যা চ সৈকতী।
মনোময়ী মণিময়ী প্ৰতিমা অষ্টবিধাঃ স্মৃতাঃ ।। (১১-২৭-১২)

অসমৰ মহাপুৰুষীয়া সত্ৰত ভগৱানৰ মূৰ্ত্তি হিচাপে শ্ৰীমদ্ভাগৱত বা কীৰ্ত্তনশাস্ত্ৰক সিংহাসনত স্থাপন কৰা আছে। বৰপেটা সত্ৰত পৰৱৰ্ত্তী কালত মূৰ্ত্তি সোমাইছে। অসমৰ হৰিদেৱী সত্ৰসমূহত সাধাৰণতে ভাগৱতবক্তা অনন্তদেৱৰ মূৰ্ত্তি প্ৰতিষ্ঠিত হৈ আছে। অৱশ্যে দুই-এখন সত্ৰত ইয়াৰ ব্যতিক্ৰমো পৰিলক্ষিত হয়। যেনে দামোদৰী পল্লাসত্ৰত ( সৰ্থেবাৰীৰ ওচৰৰ ) শ্ৰীশ্ৰীঅনন্তদেৱৰ বিগ্ৰহ আছে।

শঙ্কৰদেৱ, হৰিদেৱ আৰু দেৱ দামোদৰে একে উদ্দেশ্যে একে সময়তে অৱতীৰ্ণ হৈ ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। হৰিদেৱ ৰচিতত আছে—

'হৰিগুৰু দামোদৰ শঙ্কৰ তিনিজন।
ব্ৰহ্ম অংশে আসিয়া ভৈলেক উতপন।।'

পুৰুযোত্তম কৃষ্ণৰ নাম গুণ কীৰ্ত্তনে গুৰুসকলৰ আছিল নাম ধৰ্ম'। তেওঁ-সৱে একে ভাগৱতী বৈষ্ণৱ ধৰ্ম বা একশৰণীয়া নাম ধৰ্ম প্ৰচাৰ কৰিছিল। আজিৰ সমাজত পন্থাৰ বিচাৰ কৰি গুৰুসকলক হেয় প্ৰতিপন্ন কৰাই নহয়, সমাজখনকো বিদীৰ্ণ কৰা পৰিলক্ষিত হৈছে। পন্থৰ বিচাৰ এৰি গুৰুসকলৰ মূল আদৰ্শ লৈ সুস্থ সমাজ প্ৰতিষ্ঠাত যৎপৰোনাস্তি চেষ্টা কৰা উচিত। সদৌ শেষত হৰিদেৱৰ ধৰ্মীয় দৰ্শন পৰিস্ফুট তেৰাৰ স্বৰচিত ভক্তিগীতেৰে সামৰিছোঁ।

ৰাগ—ৰামৰ নামে অন্ন কৰিও ভোজন
ভকত বৎসল হৰি :
চাৰিও বেদৰ তত্ত্বক বিচাৰি
নাম থৈলা সাৰ কৰি ।।
পদ—ব্ৰহ্মা বিষ্ণু হৰ তিনিটা উধান
আশা নামে ভৈলা থালী।
শুক সনাতন দুখানি সপটি
নাৰদে ভৈলা পাকবাৰি ।।
সন্তে ভৈলা জল সংসঙ্গে তণ্ডুল
ভকতে ভৈলন্ত খৰি।
শ্ৰৱণ কীৰ্ত্তন সুমধুৰ ব্যঞ্জন
ভুঞ্জিয়কো পেট ভৰি।।
গীতা ভাগৱত দুইখানি শাস্ত্ৰ
মনত লোৱা বিচাৰি।
কহে হৰিদেৱ শুনা ভকতসৱ
ডাকি বোলা হৰি হৰি ।।

মানুহৰ যেনেকৈ জীৱনৰ দুটা অৱস্থা সাহিত্যৰো তেনে—কায়িক আৰু আধ্যাত্মিক। কোনো এটা জাতিৰ শৈশৱ কালৰ সাহিত্য কায়িক আৰু বয়সিয়াল অৱস্থাৰ সাহিত্য আধ্যাত্মিক বা আন্তদৃষ্টিক। বেলেড. সাধুকথা প্ৰভৃতি প্ৰথম অৱস্থাৰ সাহিত্য। প্ৰকৃতিৰ সৌন্দৰ্য, জীৱনৰ হাঁহি কান্দোন ইত্যাদি প্ৰথম ডোখৰৰ উপাদান। অন্তৰ্দৃষ্টি, ৰসসৃষ্টি, ৰসোপলব্ধি আৰু অনন্তৰ ভাব সৌন্দৰ্যমণ্ডিত কৰি প্ৰকাশ, বিশালতা, বিপুলতা, সত্য শিৱ সুন্দৰৰ প্ৰতি ব্যাকুলতা, দ্বিতীয় অৱস্থাৰ লক্ষণ। বৈদিক ঋষিসকল, ব্যাস, বাল্মিকী, দান্তে, হোমাৰ, ছেক্সপিয়েৰ, মিল্টন, কালিদাস এই দ্বিতীয় অৱস্থাৰ প্ৰতিভূ। এই অৱস্থা প্ৰথম প্ৰাণৰ আবেগৰ অধীন নহয়। অহঙৰ ওখ পৰ্বত ইয়াত নাই। শৰীৰ, প্ৰাণ, মন বাহিৰৰ বস্তু। সাৰ্বভৌমিক সাৰ্বজনিক সাহিত্য অকল প্ৰাণৰ আবেগ বা চিন্তাৰ প্ৰবাহ বা মাথোন ইন্দ্ৰিয়ৰ অনুভূতিৰ বস্তুৱেই নহয়। সেই সাহিত্য দিব্যদৃষ্টিৰ সৃষ্টি। দিব্যদৃষ্টিয়েহে সত্য শিৱক সুন্দৰকৈ দেখিব আৰু দেখুৱাব পাৰে। অৱশ্যে এই সাহিত্যৰ নিমিত্তে যে শৰীৰ, প্ৰাণ, মনক একেবাৰে আওকোলাকৈ থব লাগিব এনে নহয়। শৰীৰ প্ৰাণ মনক আন এযোৰ চকুৰে চাব লাগিব ; সেইযোৰ দিব্যচকু।

—লক্ষীনাথ বেজবৰুৱা





# আৱশ্যকীয় খাদ্য হিচাবে আলু আৰু ইয়াৰ গুৰুত্ব

সাৰঙ্গপাণি শইকীয়া
মুৰব্বী প্ৰবক্তা, উদ্ভিদ বিজ্ঞান

আমাৰ দৈনন্দিন জীৱনত আটাইতকৈ বেছি ব্যৱহৃত পাচলি হ'ল আলু। ইয়াক আমি ভাজি, পুৰি, সিজাই ইত্যাদি বিভিন্ন উপায়ে, বিভিন্ন ব্যঞ্জনৰ সৈতে ব্যৱহাৰ কৰোঁ।

আলু (Solanum tuberosum) উদ্ভিদৰ ছোলানেছি গোত্ৰৰ অন্তৰ্গত একমাত্ৰ মাটিৰ তলত পোৱা স্ফীটকন্দ। এই শস্যবিধ বৰ্ষজীৱী উদ্ভিদ, কাৰণ গোটেই জীৱন চক্ৰটোই এবছৰতেই সম্পূৰ্ণ কৰে। খুব কম সময়ত ইয়াৰ উৎপাদন হয়। কোনো শীতক (Refrigerator) ব্যৱহাৰ নকৰাকৈ বহুদিনলৈ ইয়াক ভালদৰে ৰাখিব পাৰি। এই বিশেষ গুণ থকা কাৰণে ইয়াক পৃথিৱীৰ এবিধ প্ৰধান খাদ্য শস্য বুলি ধৰা হয়। আদিম সভ্যতাৰ পৰাই আলু আৱশ্যকীয় খাদ্য হিচাবে চলি আহিছে। দক্ষিণ আৰু মধ্য আমেৰিকাত আলুৰ উৎপত্তি হোৱা বুলি ধৰি লব পাৰি। তাৰ পৰাই ৪৫০ বছৰ মানৰ ভিতৰত পৃথিৱীৰ চাৰিওফালে সিঁচৰতি হয়।

সাধাৰণতে আলু খোৱাৰ ফলত মানুহ শকত হয় বুলি বিশ্বাস কৰা হয়। শকত পুৰুষ মহিলাই আলু খোৱাটো যে ত্যাগ কৰিব লাগে—এইটো পৌৰাণিক কথাহে মাথোঁ। আমি দৈনন্দিন খোৱা আহাৰ ঘাইকৈ ভাত, ৰুটি আৰু দাইলতকৈ আলুত পানী বেছি পৰিমাণে পোৱা যায় আৰু কম পৰিমাণে কাৰ্বহাইড্ৰেট থাকে। আলুত চৰ্বি অসংপৃক্ত স্নেহঅম্ল ( unsaturated fatty acid ) হিচাবেহে থাকে। অসংপৃক্ত স্নেহঅম্ল বেছিকৈ পৰিপুষ্টিত সহায়ক হয়। ভাজি খোৱা আলুত চৰ্বি বেছিকৈ থাকে। আলুৰ পৰা তৈয়াৰ কৰা চিপ্‌চত ( chips ) বেছি পৰিমাণে তৈল পদাৰ্থ অথবা ৪০% চৰ্বি পোৱা যায়। সিজাই খোৱা আলুতকৈ ভাজি খোৱা আলুত বেছি শক্তি পোৱা যায়। হজমৰ কাৰণে সিজাই খোৱা আলু ভজাতকৈ বেছি উত্তম।

প্ৰটিন, ভিটামিন, কেলছিয়াম, পটাছিয়াম, ফচফ'চ আৰু আয়ৰন আলুত বহু পৰিমাণে পোৱা যায়। চাৰি ভাগৰ তিনভাগ পানী আৰু বাকীভাগত এই পুষ্টিকাৰক দ্ৰব্যবোৰ পোৱা যায়। শ্বেতসাৰে দেহত পুষ্টি যোগায়। আলুৰ বিভিন্ন প্ৰকাৰ অনুসাৰ শ্বেতসাৰ—১০-১৫%, প্ৰটিন ২% আৰু ছাই ( ash ) প্ৰায় ১% পোৱা যায়।

মানৱ শৰীৰত ২০ বিধ এমাইন' ( amino ) এচিদৰ মাত্ৰ দহবিধৰহে সংশ্লেষণ ( synthesis ) হয়। সংশ্লেষণ নোহোৱা বাকী দহবিধ অত্যাৱশ্যকীয় এমাইন' এচিদ বুলি জনা যায়। মানৱ শৰীৰত লাইছিন ( lysin ) নামৰ এবিধ এমাইন' এচিদৰ দৰকাৰ। লাইছিন আলুত পোৱা যায় আৰু মানৱ শৰীৰৰ লাগতিয়াল এই এমাইন' এচিদবিধৰ ঘাটি পূৰণ কৰিবলৈ সক্ষম হয়। নিৰামিষ-ভোজী মানুহৰ ক্ষেত্ৰত আলুৰ যথেষ্ট গুৰুত্ব আছে। কাৰণ এমাইন' এচিদৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ আলুৰ প্ৰটিন আটাইতকৈ উত্তম। আলুত থকা আধাভাগেই হ'ল

নাইট্ৰ'জেন মিহলি প্ৰটিন। আলুত ইয়াৰ ওজনৰ শতকৰা একভাগ খনিজ লৱণ পোৱা যায়। ফচফৰাচৰ পৰিমাণ আলুত শতকৰা ২০ ভাগ। এই ফচফৰাচ ফাইটিন ৰূপত পোৱা যায়। ফাইটিন মানৱ দেহৰ বাবে প্ৰয়োজনীয় আৰু এই প্ৰয়োজনীয় উপাদানবিধ আলুৱে মানৱ দেহত যোগান ধৰে।

খাদ্যপ্ৰাণৰ অভাৱত মানৱ দেহত বিভিন্ন বেমাৰৰ সৃষ্টি হব পাৰে। খাদ্যপ্ৰাণ আলুৰ পৰাও পোৱা যায়। আলুত যথেষ্ট পৰিমাণে খাদ্যপ্ৰাণ—'গ' আছে। এই খাদ্যপ্ৰাণৰ পৰিমাণ আলুৰ প্ৰকাৰ অনুযায়ী বেলেগ বেলেগ হব পাৰে। কেঁচা আলুত খাদ্যপ্ৰাণ—'গ' ৰ পৰিমাণ আটাইতকৈ বেছি। কিন্তু সঞ্চয় কৰি থোৱা আলুত এই খাদ্যপ্ৰাণৰ পৰিমাণ কমি আহে। ৰান্ধিলেও ইয়াৰ পৰিমাণ কমি যায়। সেয়েহে খাদ্যপ্ৰাণ আৰু খনিজ লৱণ ৰক্ষা কৰিবৰ বাবে আলু বাকলিৰ সৈতে ৰন্ধা ভাল। আলুৰ বাকলিত আৱশ্যকীয় উপাদান-সমূহ থাকে। খোৱাৰ সময়তহে বাকলি আঁতৰাব লাগে আৰু আঁতৰোৱাৰ সময়ত যাতে মঙহবিলাক বাকলিৰ সৈতে উঠি নাহে, তাৰ বাবে সতৰ্ক হোৱা দৰকাৰ। কাৰণ বাকলিৰ তলতেই মূল্যৱান লোণসমূহ লাগি থাকে।

বাঢ়নীয়া শিশুৰ কাৰণে আলু উত্তম খাদ্য। যেতিয়া আন ফলৰ ৰস অথবা কমলা টেঙাৰ ৰস আদি পোৱা নাযায় তেতিয়া শিশুৰ কাৰণে আলুৰ জোল ব্যৱহাৰ কৰিব পাৰি।

আলুৰ যথেষ্ট উপকাৰী গুণ থাকিলেও কিছুমান দুৰ্বলতা নথকা নহয়। উদাহৰণ স্বৰূপে পৰিপুষ্টিৰ কাৰণে দৰকাৰী অসংপৃক্ত স্নেহ অম্লৰ পৰিমাণ আলুত আটাইতকৈ কম। কম উষ্ণতা আৰু বেছিকৈ পোহৰ পালে আলুত গ্লাইক'এলকালাইডৰ পৰিমাণ বাঢ়ে। গ্লাইক'এলকালাইড নাইট্ৰ'জেনযুক্ত যৌগ। ই মানৱ দেহৰ বাবে অপকাৰী। যদি প্ৰতি ১০০ গ্ৰামত ২০ মিলি গ্ৰামতকৈ গ্লাইক'এলকালাইডৰ পৰিমাণ বেছি হয় তেতিয়া আলুৰ সোৱাদ তিতা লাগে। এই তিতা আলু ভক্ষণ কৰিলে প্ৰতিকুল ফল হব পাৰে। সেউজীয়া আলুত গ্লাইক'এলকালাইডৰ পৰিমাণ বেছি থাকে, সেয়ে এই আলু খোৱা উচিত নহয়। মিথিওনিন (methionine) আৰু ছিষ্টিন (cystine) ছালফাৰযুক্ত এমাইন' এচিদ। ইয়াৰ পৰিমাণ আলুত খুব কম।

'শেহতীয়া অংগনাশী' ৰোগ (Late blight) নামৰ এটা মাৰাত্মক ৰোগ আলুত হয়। এই ৰোগটোৰ কাৰক হ'ল ফাইটপথৰা ইনফেচটন নামৰ এবিধ বীজাণু। প্ৰথমতে এই ৰোগটোৰ আৰম্ভণি দক্ষিণ আমেৰিকাত বুলি ধাৰণা কৰা হৈছে। তাৰ পৰাই এই ৰোগটো ১৮৩০ চনৰ পৰা ১৮৪০ চনৰ ভিতৰত ইউৰোপ আৰু উত্তৰ আমেৰিকালৈ বিয়পি যায়। আইৰিচ ফেমিনৰ সময়ত অংগনাশী ৰোগযুক্ত আলু খোৱাৰ ফলত ইউৰোপ মহাদেশত প্ৰায় আধা মিলিয়ন মানুহ মৃত্যুমুখত পৰিছিল আৰু ৰোগ ব্যাপক হৈ পৰাত প্ৰায় আধা মিলিয়ন মানুহ নিজ নিজ দেশ এৰি আন দেশলৈ যাবলগীয়া হৈছিল। এই ৰোগটো পৃথিৱীৰ বহু দেশত, আনকি ভাৰতবৰ্ষত এতিয়াও ব্যাপক হৈ আছে। বিভিন্ন কৌশল অৱলম্বন কৰি উদ্ভিদবিদসকলে এই ৰোগ নিৰাময় কৰিব পাৰিছে। এই কৌশলবোৰৰ কিছুমান হ'ল—

ক) আলু খেতিৰ আৰম্ভণিতেই বীজবোৰ বেমাৰ-মুক্ত হব লাগে।

খ) বীজবোৰক চপোৱাৰ ঠিক পিছতেই ০.১% মাৰকিউৰিক ক্লৰাইডত থব লাগে আৰু ৪০° F ত সঞ্চয় কৰিব লাগে। শুকান ঠাই আৰু ভেণ্টিলেটৰৰ সু-ব্যৱস্থা থকা কুমত থোৱা ভাল।

গ) গছত বেমাৰ দেখা পোৱাৰ লগে লগেই ভেঁকুৰ-নাশক দ্ৰব (Fungicides) ছটিয়াব লাগে। প্ৰায় ১০-১৫ দিনৰ মূৰে মূৰে ৬ সপ্তাহ মানত এই দ্ৰব ছটিয়াব লাগে। এই বেমাৰ নিৰাময় কৰাৰ কাৰণে বৰডক্স মিশ্ৰণ এটা ভাল ভেঁকুৰনাশক দ্ৰব। আন কিছুমান ভেঁকুৰ-নাশক হ'ল—কিউপ্ৰাভিত, কাইকল ৮-ই, পেৰেনেক্স, ব্লাইটেক্স ৫০, ডায়েথিন ডি ১৪, ডায়েথিন জেদ-৭৮, ডায়েথিন এম ২২ ইত্যাদি।

ঘ) উদ্ভিদ প্ৰজননবিদসকলে কিছুমান বনৰীয়া আলুৰ (wild potato) প্ৰজাতিৰ জিন (gene) বৰ্তমানৰ খেতি কৰা প্ৰজাতিত সংযোগ (incorporation) কৰাৰ

(বাকী অংশ ১৬ পৃষ্ঠাত চাওক)





# পৰীক্ষাৰ নিম্নগামী ফলাফল আৰু ইয়াৰ কাৰকসমূহ

কমল পাটোৱাৰী
স্নাতক (কলা), ৩য় বৰ্ষ

অসম তথা ভাৰতত আধুনিক শিক্ষাৰ সূচনা হয় বৃটিছসকল অহাৰ পিছত। তেতিয়াৰে পৰা আজিলৈ শিক্ষা জগতত যথেষ্ট পৰিবৰ্তন সাধন হৈছে। অতীতৰ তুলনাত বৰ্তমান শিক্ষাৰ সম্প্ৰসাৰণো হৈছে। শিক্ষিতৰ হাৰ নিতৌ বাঢ়িছে। ১৯৫১ চনৰ ২৩%ৰ বিপৰীতে ১৯৯১ চনৰ্ত অসমত স্বাক্ষৰৰ হাৰ ৫৩%। কিন্তু পৃথিৱীৰ অন্যান্য দেশ সমূহৰ কথা বাদেই, ভাৰতৰে অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যৰ শিক্ষা বহু পিছ পৰি আছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমে বাঢ়িছে যদিও উত্তীৰ্ণৰ হাৰ একেবাৰে সন্তোষজনক নহয়। আনহাতে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত ভাল নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও পুতৌ লগা। তলত দিয়া তালিকাখনৰ পৰা বুজা যাব যে ১৯৯২ ৰ বছৰটোত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ আছিল ২৯% আৰু ইয়াৰে প্ৰথম আৰু দ্বিতীয় বিভাগ লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এশজনৰ ভিতৰত মাথোঁ ৭.৫ জন। এয়া সকলো ফালৰ পৰা অশুভ লক্ষণ।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ (নঃ পঃ) ফলাফল

| বছৰ | মুঠ পৰীক্ষাৰ্থী | উত্তীৰ্ণৰ হাৰ | ১ম আৰু ২য় বিভাগত মুঠ উত্তীৰ্ণৰ হাৰ |
|---|---|---|---|
| ১৯৯১ | ১,২১,০৮৫ | ৩১% | ১১% |
| ১৯৯২ | ২,০৫,৩৪৬ | ২৯% | ৭৫% |

আমাৰ শিক্ষাৰ এই দুখলগা অৱস্থাৰ কাৰণবোৰ বিশ্লেষণ কৰিবলৈ গলেই প্ৰশ্ন জাগে, আমাৰ ছাত্ৰ ছাত্ৰীসকলে অধ্যয়নত সঠিকভাৱে মনোনিবেশ কৰা নাই নেকি? যদি কৰা নাই, সেইটো কিয় হ'ল? অতি দুখ লগা কথা যে আমাৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত নকল কৰাৰ প্ৰৱণতা ক্ৰমশঃ বিষ বৃক্ষৰ দৰে বাঢ়ি আহিছে। এচাম ছাত্ৰ-ছাত্ৰীৰ লক্ষ্য যেনেকৈ নহওঁক পৰীক্ষাৰ দেৱা-লখন পাৰ হোৱা। ফলত জ্ঞান লাভৰ সলনি এখন চাৰ্টিফিকেট লাভ কৰাহে শিক্ষাৰ উদ্দেশ্য হৈ পৰিছে। শাৰীৰিক ভাৱে বিপৰ্যস্ত হোৱাৰ ভয়ত বহুতো শিক্ষকে ছাত্ৰ-ছাত্ৰীক নকল কৰাত বাধা নিদিয়ে, বৰঞ্চ কিছুমান দুষ্ট প্ৰকৃতিৰ শিক্ষকে প্ৰত্যক্ষ ভাৱে সহায়হে কৰে। যুৱ মানসিকতাক ক্ষত-বিক্ষত কৰি পেলোৱা এই অশুভ প্ৰৱণতাৰ বাবে মূল জগৰীয়া ছাত্ৰ-ছাত্ৰীসকল নহয়, সামাজিক পাৰিপাৰ্শ্বিকতাইহে ছাত্ৰ-ছাত্ৰীসকলক নকল কৰাৰ বাবে বাধ্য কৰায়।

প্ৰাইভেট টিউচন বৰ্তমান শিক্ষা জগতৰ এক ব্যাধি স্বৰূপ। যথেষ্ট সংখ্যক শিক্ষকে টিউচন কৰি এক বৃজৎ পৰিমাণৰ ধন অৰ্জন কৰে। বিশেষকৈ, বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয়ৰ শিক্ষকসকলে। তাৰোপৰি টিউচন নকৰা বহুতো শিক্ষকৰ অন্যান্য ব্যৱসায় থাকে। শিক্ষকতা তেওঁলোকৰ বাবে গৌণ পেশা। সেইসকল শিক্ষকে প্ৰায়ে পাল মাৰি ক্লাচকেইটা কৰে, আৰু টিউচনৰ সহায়ত সকলোবিলাক শিকি লব বুলি আশা কৰে। চৰকাৰী ডাক্তৰে প্ৰাইভেট ক্লিনিকতহে ভালকৈ চিকিৎসা কৰাৰ দৰে বহুতো শিক্ষকে টিউচন কৰিহে ছাত্ৰ-ছাত্ৰীকহে ভালকৈ শিকায়। টকা থকা অভিভাৱকখিনিয়ে টিউচনৰ সহায়ত লৰা ছোৱালীক পঢ়ুৱাব পাৰিব, কিন্তু টকা নথকা অভিভাৱকখিনিয়ে কি কৰিব? আজি

দুবছৰ আগতে বৰ্তমান নিষিদ্ধ সংগঠন আলফাই স্কুল কলেজৰ শিক্ষকসকলে প্ৰাইভেট টিউচন কৰিব নোৱাৰিব বুলি এখন আদেশ পত্ৰ জাৰি কৰিছিল। এই আদেশে বিতৰ্কৰ সৃষ্টি কৰিছিল। বহুতে ইয়াৰ বিৰোধিতা কৰিলেও বহুতে আকৌ সমৰ্থনো কৰিছিল, এইবাবে যে প্ৰাইভেট টিউচন নকৰিলে হয়তো শিক্ষকে স্কুলত ভালকৈ শিকাব। কিন্তু এনেকুৱা আদেশেৰে কোনো শিক্ষকক শিক্ষকতাৰ প্ৰতি মনোযোগী কৰি তুলিব নোৱাৰি। শিক্ষকে টিউচন কৰাত আপত্তি কৰিবলগীয়া একো নাই, কিন্তু স্কুল-কলেজত নিজৰ দায়িত্বখিনি সুচাৰুৰূপে পালন কৰা উচিত।

ত্ৰুতিপূৰ্ণ পাঠ্যক্ৰমে পৰীক্ষাৰ ফলাফল নিম্নগামী হোৱাত অৰিহনা যোগাইছে। নতুন পাঠ্যক্ৰম অনুযায়ী বৰ্তমান হাইস্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ ওপৰত গধুৰ পাঠ্যক্ৰমৰ বোজা জাপি দিয়া হৈছে, যি বোজা এজন দুখীয়া ঘৰৰ ছাত্ৰই বহন কৰা সম্ভৱ নহয়। উদাহৰণ স্বৰূপে বিজ্ঞান বিষয়টোৰ কথাই কব পাৰি। বৰ্তমান হাইস্কুলীয়া পৰ্যায়ৰ বহুলাংশ বিজ্ঞান পাঠ্যক্ৰম পূৰ্বৰ উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰ অন্তৰ্গত আছিল। এই জটিল পাঠ্যক্ৰম বিজ্ঞানাগাৰ অবিহনে আয়ত্ব কৰা সহজ নহয়। কিন্তু অসমীয়া মাধ্যমৰ স্কুলবোৰৰ কেইখনত বিজ্ঞানাগাৰৰ সুবিধা আছে? প্ৰশিক্ষণ অবিহনে পুৰণি বিজ্ঞান শিক্ষকসকলেও শিকাবলৈ অসুবিধা পায়। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে ক্ৰমে শিক্ষা জগতৰ পৰা বিতাৰিত হবলৈ ধৰে আৰু শিক্ষা হৈ পৰে বুৰ্জোৱা শ্ৰেণীৰ অধীনস্থ। সেই বাবে "সকলোৰে বাবে শিক্ষা" বৰ্তমান প্ৰহসন ত বাদে অন্য একো নহয়।

ছাত্ৰ-ছাত্ৰীসকলৰ ভেটি গঢ়া হয় প্ৰাথমিক স্কুল পৰ্যায়ত। শিশু অৱস্থা শিক্ষা জীৱনৰ ভেটি সবল ভাৱে গঢ়িব পাৰিলে ছাত্ৰ-ছাত্ৰীসকল ভৱিষ্যতে আগুৱাই যোৱাত উজুটি নাখায়। প্ৰাথমিক স্কুল পৰ্যায়ত এজন দুৰ্বল ছাত্ৰ হাইস্কুলীয়া বা কলেজীয়া জীৱনত মেধাৰ পৰিচয় দিয়াৰ উদাহৰণ নাই। কিন্তু দেশৰ চৰকাৰে প্ৰাথমিক স্কুলবোৰত শিক্ষাৰ পদ্ধতি উন্নীত কৰাত আৰু কোমলমতীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা সু-পৰিৱেশ গঢ়ি তোলাত অকণো গুৰুত্ব দিয়া নাই। এটা ভগা-ছিগা জুপুৰী আৰু কেইটামান শেঙুননকা ল'ৰা-ছোৱালী এয়ে গুৰু সংখ্যক প্ৰাথমিক স্কুলৰ চিনাকী ছবি। শিশুৰ মানসিক বিকাশত স্কুলবোৰৰ দুষিত পৰিৱেশে অন্তৰায়ৰ সৃষ্টি কৰে। কলিতেই নষ্ট কৰি পেলোৱা হয় এচাম শিশুৰ ভৱিষ্যত।

ভেনচাৰ স্কুলসমূহেও এচাম ছাত্ৰ-ছাত্ৰীৰ মূৰ খোৱাৰ ব্যৱস্থা কৰিছে। কেইজনমান নিবনুৱা যুৱকক চাকৰি দিয়াৰ খাটিৰতে যতে ততে ৰঘুমলাৰ দৰে গজি উঠিছে ভেনচাৰ স্কুলসমূহ! কৰবাত বা পাঁচ ছমাইল জুৰি এখনো হাইস্কুল নাই, ক'ৰবাত ত্ৰিশ-চল্লিশজন ছাত্ৰৰে একাধিক হাইস্কুলৰ থুপ। ভেনচাৰ স্কুলসমূহত বিনা-পাৰিশ্ৰমিক বা সামান্য পাৰিশ্ৰমিকতে খাটিবলগীয়া হোৱা বাবে উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষক পোৱা নাযায়। ফলত অনুপযুক্ত শিক্ষকেৰে জোৰা-তাপলি মাৰিবলগীয়া হয়। অন্যান্য সা-সুবিধাৰ ক্ষেত্ৰতো তথৈবচ। প্ৰকৃততে চৰকাৰে নিজা দায়িত্বৰে উপযুক্ত ঠাইত স্কুলসমূহ স্থাপন কৰিব লাগে। এখন স্বাধীন দেশত শিক্ষাত সকলোৰে অধিকাৰ আছে। জনসাধাৰণক শিক্ষিত কৰাৰ দায়িত্বও চৰকাৰৰ।

শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত শিক্ষকসকলৰ এক মহত্বপূৰ্ণ ভূমিকা আছে। তেওঁলোক দেশৰ নিৰ্মাতা। চৰকাৰে যথেষ্ট সংখ্যক শিক্ষকক নিযুক্তি দিছে যদিও ভাল শিক্ষক যথেষ্ট নহয়। মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ ডিগ্ৰী একোটাই এগৰাকী ব্যক্তিক ভাল শিক্ষক হিচাবে গঢ়ি নুতুলিবও পাৰে। চৰকাৰে শিক্ষকৰ বাবে প্ৰয়োজনীয় গুণসমূহ বিবেচনা নকৰি বেছিভাগ ক্ষেত্ৰতে ৰাজনৈতিক স্বাৰ্থত শিক্ষকক নিযুক্তি দিয়ে। অন্য নহলেও এগৰাকী শিক্ষকৰ বিষয়ৰ ওপৰত বিশদ জ্ঞান, বাগ্মিতা, সু-স্বাস্থ্য আৰু সৎ চৰিত্ৰ- এইকেইটা গুণ অতি প্ৰয়োজনীয় অৰ্হতা বুলি বিবেচনা কৰা উচিত। আন্তন চেকভৰ মতে শিক্ষকসকল হব লাগে একেধাৰে অভিনেতা, শিল্পী আৰু নিজৰ কৰ্মৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাশীল। ইংলেণ্ডৰ সমাজত শিক্ষকক ডাক্তৰ, ইঞ্জিনিয়াৰ, উচ্চ বিষয়া এই সকলোৰে ওপৰত স্থান দিয়া হয়। প্ৰাচীন ভাৰততো শিক্ষক আছিল নমস্য ব্যক্তি। কিন্তু বৰ্তমান আমাৰ সমাজত বেছিভাগ লোকেই শিক্ষকতাক ইতৰ শ্ৰেণীৰ বৃত্তি বুলি গণ্য কৰে। ফলত শিক্ষকতাৰ প্ৰতি আগ্ৰহী বহু লোকেই অন্য বৃত্তি গ্ৰহণ কৰে। সমাজৰ এনে বস্তুবাদী দৃষ্টিভংগীয়ে সমাজৰ প্ৰভূত ক্ষতি সাধন কৰিছে। শিক্ষকসকলৰ প্ৰতি চৰকাৰৰো যথেষ্ট কৰণীয় আছে। আজি কেইবছৰমান আগলৈ শিক্ষকসকল, বিশেষকৈ প্ৰাথমিক স্কুলৰ শিক্ষকসকল আছিল দৰিদ্ৰতাৰ জলন্ত প্ৰতিমূৰ্ত্তি। যিসকল ব্যক্তিয়ে দেশৰ ৰাইজক মানুহ কৰাৰ কামত নিয়োজিত হৈছে, সেইসকলৰ দাৰিদ্ৰপীড়িত ৰূপ এখন স্বাধীন কল্যাণকামী ৰাষ্ট্ৰৰ বাবে লজ্জাজনক বিষয়। বৰ্তমান সময়ত আগৰ অৱস্থাৰ কিছু পৰিবৰ্তন হৈছে যদিও সন্তোষজনক নহয়।

বৰ্তমান আমাৰ পৰীক্ষা পদ্ধতিটো যথেষ্ট কেঁপালগা। বহুতো শিক্ষাবিদেই ইয়াৰ সমালোচনা কৰি গৈছে। প্ৰচলিত পৰীক্ষা পদ্ধতিৰে এজন ছাত্ৰৰ জ্ঞানৰ সঠিক মূল্যায়ন কৰা সহজসাধ্য নহয়। সময়ে সময়ে ইয়াৰ পৰিবৰ্তন সাধন কৰা হৈছে। কিন্তু নিখুত কৰিব পৰা হোৱা নাই।

প্ৰকৃততে দৰিদ্ৰ আৰু নিৰক্ষৰ জনসাধাৰণক দুখীয়া দেশ এখনত সুশৃংখলিত পদ্ধতিৰে শিক্ষাদান কৰাটো এক জটিল সমস্যা। শুনিবলৈ পোৱা যায়, আমাৰ শিক্ষকসকলে হেনো নম্বৰ দিয়াত কৃপণালী কৰে। এতিয়াও পাত ভৰাই লিখাৰ ওপৰত গুৰুত্ব দিয়া হয়। কোনোবা এগৰাকী দৃষ্টিশক্তি ক্ষীণ বুৰঞ্জীৰ শিক্ষকে বোলে ইঞ্চিৰ দাগ কটা স্কেলেৰে আক্ষৰিক বিস্তৃতি জুখি পৰীক্ষাৰ বহীত নম্বৰ দিছিল। অৱশ্যে এইটো এটা কৌতুকহে!

আজি দেশৰ অস্থিৰ বাতাৱৰণেও আমাৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাত অৰিহণা যোগাইছে। বিদেশী বহিস্কাৰ আন্দোলন, আলফা সমস্যা ইত্যাদিয়ে অসমৰ ছাত্ৰসমাজৰ ভেটি জোকাৰি পেলাইছে। অৱশ্যে কিছুমান ব্যক্তিৰ মতে অস্থিৰ ৰাজনৈতিক বাতাৱৰণে শিক্ষা জগতত বিশেষ প্ৰভাৱ পেলোৱা নাই। ইয়াৰ প্ৰমাণ স্বৰূপে তেওঁলোকে কব বিচাৰে, বিদেশী বহিস্কাৰ আন্দোলনৰ কালচোৱাত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ যিমান আছিল, তাৰ পূৰ্ববৰ্তী নাইবা পৰৱৰ্তী সময়ত

**নগৰ আৰু গাওঁৰ উত্তীৰ্ণৰ হাৰ তুলনা কৰিলেও দেখা যায় গাওঁ অঞ্চলতকৈ নগৰীয়া অঞ্চলত উত্তীৰ্ণৰ হাৰ যথেষ্ট বেছি। উপৰুৱা দৃষ্টিৰে চালে এনে লাগে যেন মেধাৱী ল'ৰা-ছোৱালীবোৰ চহৰতহে থাকে নতুবা ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িলেহে ল'ৰা-ছোৱালীবোৰ মেধাৱী হয় নতুবা সমগ্ৰ অসমৰ মেধাৱী ল'ৰা-ছোৱালীবোৰ গুৱাহাটীত কেন্দ্ৰীভূত হৈছে।**

## আৱশ্যকীয় খাদ্য হিচাবে আলু

( ১৪ পৃষ্ঠাৰ পৰা )

ফলত এই ৰোগটোৰ পৰা হাত সাৰিব পৰা গৈছে। উদাহৰণ স্বৰূপে এবিধ বনৰীয়া প্ৰজাতি ছোলানাম ডেমিছামৰ পৰা ঘৰুৱা প্ৰজাতিত জিন সংযোগ কৰাৰ ফলত 'শেহতীয়া অংগনাশী' ৰোগটো নাইকীয়া হৈছে।

ভাইৰাচ আৰু বেক্টেৰিয়াৰ পৰা আলুত হব পৰা বেমাৰৰ পৰা ৰক্ষা পাবলৈও বনৰীয়া প্ৰজাতিৰ আলু ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে এটা বনৰীয়া প্ৰজাতি ছোলানাম ব্ৰেভিদেনচৰ পৰা ঘৰুৱা প্ৰজাতিৰ আলুত আলুত প্ৰট'প্লাষ্ট সংযোজনৰ দ্বাৰা এটা নতুন প্ৰজাতিৰ সৃষ্টি কৰা হৈছে যিটো প্ৰজাতিৰ বিভিন্ন বেমাৰ প্ৰতিৰোধ কৰাৰ ক্ষমতা আছে।

আলু অকল খাদ্যশস্যই নহয়, ইয়াক নানা উদ্যোগত কেঁচা সামগ্ৰী হিচাবেও ব্যৱহাৰ কৰা হয়। সৰু আলু (small tuber) শ্বেতসাৰ আৰু এলক'হল উৎপাদনত ব্যৱহাৰ হয়। উল, মৰাপাট আৰু পাট কাপোৰৰ উদ্যোগতো আলুৰ প্ৰয়োজন হয়। গ্লুকোজ, চৰ্পত (Syrup) আৰু যিকোনো গোটমৰা খাদ্যত আলু ব্যৱহাৰ হয়। পূৰ্ব ইউৰোপীয় দেশসমূহত জন্তুৰ খাদ্য হিচাবেও আলুৰ যথেষ্ট গুৰুত্ব আছে। ●

সহায়ক গ্ৰন্থপঞ্জী : College Botany, vol. II by Gangulee and Kar, Systematic Botany by R. K. Gupta, Selling Researce Science Reporter, Aug. '92.

ইয়াতকৈ কোনোগুণে উন্নত নহয়। কথাষাৰ অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু এইটো সঁচা যে বিদেশী বহিস্কাৰ আন্দোলনৰ উদ্দেশ্য মহৎ আছিল যদিও ইয়াৰ নেতৃত্বই এদল লেকামহীন ছাত্ৰৰ জন্ম দিলে। আজি অসমৰ বিশ্ববিদ্যালয়ত এদল মুষ্টিমেয় ছাত্ৰৰ খেয়াল-খুচিত পৰীক্ষা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়সমূহ মাথোন একোটা পৰীক্ষা পতা অনুষ্ঠানত পৰিণত হৈছে। শিক্ষাৰ প্ৰসাৰ আৰু সুস্থ শৈক্ষিক বাতাৱৰণ সৃষ্টিত ইয়াৰ অৰিহণা অতি পুতৌ লগা।

'৯২ ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল বহুগুণে উন্নত। কেইখনমান ইংৰাজী স্কুলৰ উত্তীৰ্ণৰ হাৰ শতকৰা এশভাগ। আনহাতে প্ৰথম বিশটা স্থান পোৱা ৩৯ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ২১ জনেই ইংৰাজী মাধ্যমৰ। ইয়াৰে ৯ জন গুৱাহাটী ডনবস্কোৰ। নগৰ আৰু গাওঁৰ উত্তীৰ্ণৰ হাৰ তুলনা কৰিলেও দেখা যায় গাওঁ অঞ্চলতকৈ নগৰীয়া অঞ্চলত উত্তীৰ্ণৰ হাৰ যথেষ্ট বেছি। উপৰুৱা দৃষ্টিৰে চালে এনে লাগে যেন মেধাৱী ল'ৰা-ছোৱালীবোৰে চহৰতহে থাকে নতুবা ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িলেহে ল'ৰা-ছোৱালীবোৰ মেধাৱী হয় নতুবা সমগ্ৰ অসমৰ মেধাৱী ল'ৰা-ছোৱালীবোৰ গুৱাহাটীত কেন্দ্ৰীভূত হৈছে। ইংৰাজী মাধ্যমৰ স্কুলত ছাত্ৰ, অভিভাৱক আৰু শিক্ষকৰ যি সু-সমন্বয় আছে, অসমীয়া মাধ্যমৰ স্কুলত সেয়া নাই। শিক্ষকে ছাত্ৰছাত্ৰীক কি শিকাইছে, কেনেকৈ শিকাইছে, শৃংখলাবদ্ধভাৱে পাঠদান কৰিছে নে নাই, এই বিষয়ে প্ৰধান শিক্ষকে কোনো লক্ষ্য নকৰে। প্ৰধান শিক্ষকৰ কৰ্তব্য যেন প্ৰশাসনীয় দায়িত্বখিনি পালন কৰাহে। ছাত্ৰ-ছাত্ৰীৰ ক্লাচ টেষ্ট লোৱা, হোমৱৰ্ক কৰিবলৈ দিয়া এইবোৰ বহু শিক্ষকে জঞ্জাল বুলি ভাবে। এনেকুৱা শিক্ষক দেখা যায় যে যিয়ে টিউচনৰ হেঁচাত ছয়মাহিলী পৰীক্ষাৰ বহী তিনি-চাৰি মাহলৈ নোচোৱাকৈ থাকে নতুবা সম্পূৰ্ণৰূপে নাচায়েই। প্ৰধান শিক্ষকসকল এই বিষয়ে উদাসীন। অভিভাৱকৰ সচেতনতাৰ ওপৰতো ছাত্ৰ-ছাত্ৰীৰ উন্নতি-অৱনতি ভালেখিনি নিৰ্ভৰ কৰে।

আমাৰ শিক্ষা ব্যৱস্থাই আজিৰ যুৱক-যুৱতীক এটা জীয়াই থকাৰ পথ উলিয়াই দিব পৰা নাই। এচাম নিবনুৱা সৃষ্টি কৰা শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ কিমান আগ্ৰহ থাকিব ই চিন্তাৰ বিষয়। '৯১ চনলৈ পঞ্জীভূত অসমৰ শিক্ষিত নিবনুৱাৰ সংখ্যাই ৫ লাখ ৭৫ হাজাৰতকৈও অধিক। ইয়াৰ মাজত যথেষ্ট সংখ্যক কাৰিকৰী শিক্ষাৰে শিক্ষিত। এই নিবনুৱাখিনিক অসমৰ অৰ্থনৈতিক উন্নয়নত প্ৰয়োগ কৰিব পৰা গ'লহেঁতেন। আমাৰ বহুসংখ্যক ডাক্তৰ, ইঞ্জিনিয়াৰ আজি বিভিন্ন বিদেশী ৰাষ্ট্ৰৰ উন্নয়নত নিয়োজিত। জনসম্পদক সঠিক ভাৱে ব্যৱহাৰ কৰাত চৰকাৰ ব্যৰ্থ হৈছে। এগাল যুৱক-যুৱতীক শিক্ষক নতুবা কেৰাণী পদত নিযুক্তি দিলেই দেশৰ প্ৰগতি সাধন নহয়। কাজেই আজিৰ ছাত্ৰ-ছাত্ৰী হতাশাগ্ৰস্থ হৈ পৰিছে আৰু শিক্ষাৰ প্ৰতি অনিহাৰ সৃষ্টি হৈছে।

> অসমৰ নিয়োগমন্ত্ৰীয়ে বিধান সভাত দিয়া তথ্যানুসাৰে ৩১/১২/৯১ লৈ পঞ্জীভূত শিক্ষিত নিবনুৱাৰ পৰিসংখ্যা :
>
> মুঠ নিবনুৱা—১৩,৫৬,০৫৭
> বিজ্ঞান স্নাতক - ২৪,২১৩
> কলা স্নাতক--৪৭,২৮০
> বাণিজ্য স্নাতক—৮ ১৩১
> ইঞ্জিনিয়াৰিং স্নাতক—১ ৯৮০
> মেডিকেল স্নাতক - ১ ১৮
> স্নাতকোত্তৰ—৪,২২২
> মেডিকেল স্নাতকোত্তৰ—৯
> ডিপ্লমাধাৰী—৬,৫৭২
> চাৰ্টিফিকেটধাৰী—১৫,১৭৪

এইবোৰৰ উপৰিও সঘনাই পৰিবৰ্তন হৈ থকা পাঠ্যক্ৰম, সময়মতে পাঠ্যপুথি নোলোৱা, বন্ধ ইত্যাদিয়ে শিক্ষা জগতত বিস্তৰ প্ৰভাৱ পেলায়। কলেজবোৰত একোটা বিষয়ৰ শিক্ষাদান মাথোঁ ত্ৰিশদিনমানহে হয়। শিক্ষা জগতত আজি দেখা দিয়া জড়তাই অদূৰ ভৱিষ্যতে ভয়াবহ ৰূপ ল'ব। লেয়েহে সময় থাকোতে চৰকাৰ, চিন্তাশীল নাগৰিক, শিক্ষক আৰু ছাত্ৰৰ সন্মিলিত প্ৰচেষ্টাৰে শিক্ষা জগতত এক সুস্থ বাতাৱৰণ ৰচনা কৰিব লাগিব। অন্যথা জন্ম হ'ব আৰু এজাক উচ্ছৃংখল যুৱক-যুৱতীৰ।

( বিঃ দ্ৰঃ—লেখকৰ মূল প্ৰবন্ধটোৰ বহুলাংশে সংশোধন আৰু পৰিবৰ্দ্ধন কৰা হৈছে। —সম্পাদক, ৰঃ মঃ আঃ )





# ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰীয়তা

ব্ৰজ কুমাৰ দাস
স্নাতক ( কলা ), ২য় বৰ্ষ

ৰাষ্ট্ৰ শব্দৰ প্ৰয়োগ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বেলেগ বেলেগ অৰ্থত কৰা হয়। হিন্দী ভাষাত 'ৰাষ্ট্ৰ' শব্দেৰে Nation ক বুজায়। অসম, পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ আদিত 'ৰাষ্ট্ৰ' শব্দটোৰে State ক বুজায়। Nation ৰ বাবে এইবোৰ ঠাইত জাতি শব্দৰ প্ৰয়োগ কৰা হয়। কিন্তু প্ৰকৃতাৰ্থত ৰাষ্ট্ৰ আৰু Nation পৰ্যায়বাসী শব্দ।

ৰাষ্ট্ৰীয়তাক লৈ আমাৰ দেশত বহুত ভ্ৰম দেখা যায়। কিন্তু বিদেশত সেই ভ্ৰম নাই। কিছুদিন আগতে জনতা দলৰ নেতা শ্ৰীসুব্ৰমনিয়াম স্বামী চীন দেশ ভ্ৰমণলৈ যাওঁতে চিকিয়াং প্ৰান্তৰ এটা মছজিদৰ এগৰাকী মৌলৱীয়ে কথা প্ৰসঙ্গত তেওঁক সুধিলে 'আপোনাৰ ধৰ্ম কি ?' শ্ৰীস্বামীয়ে সহজভাৱে উত্তৰ দিলে, 'হিন্দু।' "মই আপোনাৰ ৰাষ্ট্ৰীয়তাৰ বিষয়ে সোধা নাই, আপোনাৰ ধৰ্মহে জানিব বিচাৰিছোঁ।' —মৌলৱীয়ে ক'লে। তেওঁ পুনৰাই উত্তৰ দিলে, 'হিন্দু।" তেতিয়া মৌলৱীগৰাকীয়ে হাঁহিমাৰি উত্তৰ দিলে, 'আপুনি হয়তো কিবা কাৰণত মোক আপোনাৰ ধৰ্মৰ বিষয়ে জনাবলৈ সংকোচ কৰিছে। বাৰু কোনো কথা নাই, মই কেতিয়াবা বোম্বাইলৈ গ'লে আপোনাৰ ধৰ্মৰ বিষয়ে অনুসন্ধান কৰি লম।' ঠিক সেইদৰে এজন ফৰাচী লোকে তেওঁৰ ভাৰতীয় বন্ধুক তেওঁৰ ধৰ্ম কি বুলি সোধাত ভাৰতীয় জনে উত্তৰ দিলে 'হিন্দু" বুলি। ফৰাচী বন্ধুজনে এখন্তেকো নভবাকৈ উত্তৰ দিলে, "That is your nationality. What is your religion ?" এই দুটা উদাহৰণৰ পৰা আমি বুজিব পাৰিছো যে বিদেশী লোকসকলে 'হিন্দু" আমাৰ ৰাষ্ট্ৰীয়তাৰ নাম বুলিহে ভাবে।

বহুতে ভবাৰ দৰে প্ৰকৃতাৰ্থত হিন্দু এটা ধৰ্মৰ নাম নহয় নতুবা হিন্দুস্থানো ধৰ্মবাচক শব্দ নহয়। এসময়ত সিন্ধু নদীৰ পাৰত বাস কৰা লোকখিনি কালক্ৰমত হিন্দু বুলি পৰিগণিত হৈছিল। তেওঁলোকৰ বিশিষ্ট জীৱন পদ্ধতি আৰু সাংস্কৃতিক ধাৰাটোৱেই আছিল হিন্দুত্ব! ভাৰতবৰ্ষত বিভিন্ন সময়ত প্ৰৱেশ কৰা বিভিন্ন জাতি-উপজাতি এই হিন্দুত্বৰ গৰ্ভত জাহ গৈছিল। ধৰ্মৰ দহটা লক্ষণ—ধৃতি, ক্ষমা, সংযম, চুৰি নকৰা, শুদ্ধতা, ইন্দ্ৰিয় নিগ্ৰহ, ধৈৰ্য, বিদ্যা, সত্য অক্ৰোধ এনে যে যাক পালন কৰাতো সকলো ঠাইতে, সকলোৰে দ্বাৰা আৰু সদায়ে আৱশ্যক ; লাগিলে ব্যক্তি বিশেষৰ মতবাদ, পূজাবিধি আৰু অন্য মান্যতা যিয়েই নহওঁক। সকলোৰে কাৰণে আৰু সদায়ে গ্ৰহণীয় আৰু আচৰণযোগ্য হোৱা কাৰণে এই লক্ষণযুক্ত ধৰ্ম সাৰ্বভৌমিক আৰু সনাতন। হিন্দুস্থানৰ হিন্দু সমাজে এই সনাতন ধৰ্ম আৰু ইয়াৰ পৰিবৰ্দ্ধিত ৰূপক সম্পূৰ্ণভাৱে গ্ৰহণ কৰিলে। অন্য কথাত বিবিধতা আৰু বিভিন্নতা থকা সত্বেও হিন্দু সমাজে এই আচাৰ, সংহিতা আৰু নৈতিকতাক ব্যক্তিগত আৰু সামূহিক উন্নতিৰ আধাৰ স্বৰূপে গ্ৰহণ কৰি নিজকে এই সনাতন ধৰ্মৰ সৈতে সম্পূৰ্ণৰূপে মিলাই দিয়ে। সেই কাৰণে সনাতন ধৰ্মক হিন্দু ধৰ্ম বুলিও কবলৈ ধৰা হয়।

ৰাষ্ট্ৰ এক জীৱমান অস্তিত্ব ( organic entity )। কৃত্ৰিমভাৱে এখন ৰাষ্ট্ৰৰ গঢ় দিব নোৱাৰি। কোনোবাই ইচ্ছা কৰিলেই কৃত্ৰিমভাৱে এটা পৰিয়াল সৃষ্টি কৰিব পাৰেনে ? চাৰিআলিত থিয় হৈ এজন পুৰুষ, এজনী মহিলা আৰু এটা শিশু ধৰি আনি তেওঁলোকক এটা পৰিয়াল বুলি দাবী কৰিলে সেয়া হাস্যাস্পদ নহ'বনে ? কাৰণ কেৱল ব্যক্তিৰ সমাহাৰেই পৰিয়াল নহয়। ইয়াৰ এক

জীৱমান অস্তিত্ব ( organic entity ) আছে। তেনেদৰে সংযুক্ত ৰাষ্ট্ৰসংঘৰ ১৬০ খন দেশৰ প্ৰত্যেকৰে পৰা দুই চাৰিটাকৈ পৰিয়াল উলিয়াই আনি এটা নতুন দ্বীপত বহুৱালেই এখন নতুন ৰাষ্ট্ৰৰ জন্ম নহয়। পৰিয়ালৰ দৰে ৰাষ্ট্ৰৰ বাবেও এক মৌলিক সম্বন্ধৰ দৰকাৰ। এক ভৌগলিক সীমাৰ ভিতৰত থকা জনসমাজে যেতিয়া সেই ভূমিখণ্ডৰ সৈতে ভাবাত্মক আত্মীয়তা অনুভৱ কৰে তেতিয়াই ই ৰাষ্ট্ৰ হিচাপে পৰিচিত হোৱাৰ যোগ্যতা অৰ্জন কৰে। বিশ্বৰ সকলো ৰাষ্ট্ৰই এই সম্বন্ধতে স্থাপিত হৈছে। এই ভাবাত্মক সম্বন্ধ ক'ৰবাত মাতৃভূমি আৰু ক'ৰবাত পিতৃভূমি বুলি প্ৰকট হৈছে। "আমি সকলো এই ভূমিৰ পুত্ৰ" এই ভাবৰ পৰাই ৰাষ্ট্ৰীয়তাই প্ৰাণ লাভ কৰে। কাৰণ তেতিয়াই সেই ভূমিৰ বাসিন্দা জনসমাজ এক ভাতৃত্বৰ এনাজৰীৰে বান্ধ খাই পৰে। সমাজৰ এক স্বকীয়া অস্তিত্ব আছে। নিজৰ প্ৰকৃতি আছে। ইটালিৰ ৰাষ্ট্ৰপুৰুষ জোচেফ মেজিনীয়ে কৈছিল—"Nation is an individuality of people" ( ৰাষ্ট্ৰ জনসমূহৰ ব্যক্তিত্ব )। কিন্তু আমাৰ বঙ্কিম চন্দ্ৰই কৈছে—'Nation is not an iudividuality but persouality of people" ৰাষ্ট্ৰ জনসমূহৰ ব্যক্তিত্ব নহয়, অস্তিত্বহে )। কাৰণ Individuality ত এজনৰ পৰা আনজন বিচ্ছিন্ন হোৱাৰ ভাব নিহিত হৈ থাকে। আনহাতে Personality ত নিহিত ভাবৰ গূঢ়াৰ্থ হ'ল—বাহ্যিক দৃষ্টিত বিবিধতা থাকিলেও মূলত আমি সকলো এক। Individuality য়ে পৰস্পৰৰ মাজত সংঘৰ্ষৰ জন্ম দিয়ে; কিন্তু personalityয়ে পৰস্পৰক ঐক্যবদ্ধ হোৱাৰ আধাৰ প্ৰদান কৰে।

আমাৰ এই বিশিষ্ট জীৱন দৰ্শনৰ ফলতেই বিভিন্ন স্বকীয় কৃষ্টি তথা উপসনাৰ লোকৰ মাজত এক ভাৰতীয় মানসৰ বিকাশ হৈছে। আমাৰ পূৰ্বজসকলে বিবিধতাক অনৈক্য বুলি নলৈ বিশ্ব সৌন্দৰ্যৰ প্ৰতীক বুলিহে গণ্য কৰিছিল। ঈশ্বৰে সকলোকে একে সাঁচত পেলাই তৈয়াৰ কৰা নাই আৰু ইয়াতেই পৃথিৱীৰ সুন্দৰৰ ৰহস্য নিহিত হৈ আছে। পৃথিৱীৰ সকলো লোক একেই অবয়ব, বৰ্ণ, উচ্চতা তথা স্বাস্থ্যৰ হ'লে সেয়া আনন্দদায়ক হ'লহেঁতেন জানো? বিচাৰ আৰু ব্যৱহাৰত সকলো মানুহ একেই হোৱা হ'লে ভাল লাগিলহেঁতেননে? সেয়ে বিবিধতা সংৰক্ষণ কৰিব লাগে, নষ্ট কৰিব নেলাগে। কিন্তু আমাৰ মাজত থকা অলেখ বিবিধতা ৰক্ষা কৰিবলৈ হ'লে একতা কেনেকৈ সম্ভৱ হব? আমাৰ পূৰ্বজসকলেও বিশ্ব ঐক্যৰ কথা চিন্তা কৰিছিল। "বসুধৈব কুটুম্বকম" ( সমগ্ৰ বিশ্বই কুটুম ) আছিল তেওঁলোকৰ ঘোষা। বহুতো বিচাৰ ভাবনাৰ অন্তত তেওঁলোকে এটা সিদ্ধান্তত উপনীত হ'ল যে এই বিবিধতাসমূহ বাহ্যিকহে আৰু বিবিধতাৰ মাজত এক পৰম তত্ব বিদ্যমান হৈ আছে। বিশ্বব্ৰহ্মাণ্ডত ব্যপ্ত পৰম সত্যৰ ওপৰত সৃষ্টি হোৱা লহৰসমূহৰ বাবেই নানা ৰূপাত্মক বিশ্বৰ নিৰ্মাণ হৈছে। এই পৰম তত্ব হৃদয়াংগম কৰিব পাৰিলে বাহ্যিক বিবিধতাক অক্ষুণ্ণ ৰাখিও একতা স্থাপন কৰিব পাৰি। আনহাতে ঠাই ভেদে নিয়ম বেলেগ বেলেগ হোৱা স্বাভাৱিক। গঙ্গাপাৰৰ সমতলীয় জীপাল ঠাইত প্ৰযোজ্য নিয়ম ৰাজস্থানৰ থৰৰ দৰে মৰুভূমি অঞ্চলত প্ৰযোজ্য নহয়। কিন্তু সকলোবোৰ নিয়মৰ উদ্দেশ্য একেই—সমাজ ধাৰণ কৰা। যি পৰিবেশত যি নিয়ম আৰু ব্যৱস্থাই সৰ্বোত্তম ৰূপত সমাজ ধাৰণ কৰিব পাৰে তাকেই সেই অঞ্চলৰ লোকৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা হৈছে।

তেনেদৰে ৰূপ অনেক, ঈশ্বৰ এক; পন্থ অনেক, গন্তব্য এক; ভাষা অনেক, ভাব এক; ব্যৱস্থা অনেক, উদ্দেশ্য একৰ নিচিনা উপ-সিদ্ধান্তৰ ভিত্তিত গঢ়ি উঠা "বিবিধতাৰ মাজত একতা'ৰ মূল সিদ্ধান্তৰ আধাৰত আমাৰ দেশৰ ৰাষ্ট্ৰীয় জীৱন গঢ়ি উঠিছে, যাৰ দ্বাৰা

পৃথিৱীৰ সকলো লোক একেই অবয়ব, বৰ্ণ, উচ্চতা তথা স্বাস্থ্যৰ হ'লে সেয়া আনন্দদায়ক হ'লহেঁতেন জানো? বিচাৰ আৰু ব্যৱহাৰত সকলো মানুহ একেই হোৱা হ'লে ভাল লাগিলহেঁতেননে? সেয়ে বিবিধতা সংৰক্ষন কৰিব লাগে, নষ্ট কৰিব নেলাগে। কিন্তু আমাৰ মাজত থকা অলেখ বিবিধতা ৰক্ষা কৰিবলৈ হ'লে একতা কেনেকৈ সম্ভৱ হব? আমাৰ পূৰ্বজসকলেও বিশ্ব ঐক্যৰ কথা চিন্তা কৰিছিল।



বিবিধতাক অক্ষুণ্ণ ৰখা হ'ল আৰু একতাও বৰ্তি থাকিল। সেয়ে এই দৃষ্টিত আমাৰ দেশৰ ৰাষ্ট্ৰীয়তাৰ এক স্বকীয়া বৈশিষ্ট তথা অৰ্থ আছে আৰু এই বিশেষত্ব স্বীকাৰ কৰিবলৈ গৈ উইনচেন্ট স্মিথে লিখিছে—"This most fundamantal unity is based on the fact that diverse people of this land have been able to create a culture and civilization which is utterly different from any other culture and civilization obtaining in this world", অৰ্থাৎ এই অভ্যন্ত মৌলিক একতাৰ কাৰণ এইটোৱেই এই ভূখণ্ডৰ বিভিন্ন স্বকীয়তাসম্পন্ন লোকে এনে এক সংস্কৃতি আৰু সভ্যতাৰ জন্ম দিছে যে যিটো বিশ্বৰ আন যিকোনো সংস্কৃতি তথা সভ্যতাৰ পৰা সম্পূৰ্ণ ভিন্ন।

শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ জন্ম অসমত, কিন্তু দুয়োজনা গুৰুৰ মানস-পটত সমগ্ৰ ভাৰতবৰ্ষৰ কল্পনা বিচিত্ৰিত হৈছিল। শ্ৰীমন্ত শংকৰদেৱে লিখিছিল—

কোটি কোটি জন্ম অন্তৰে যাহাৰ
আসে মহা পূণ্য ৰাশি।
সিটো কদাচিত মনুষ্য হোৱয়
ভাৰত বৰিষে আসি॥

এই সত্যৰ বাবেই ভাৰতবৰ্ষ এখন ৰাষ্ট্ৰ। ইয়াৰ বিবিধতাসম্পন্ন জনসমুদায় এক জন। আমাৰ সকলোৰে আকাঙ্খা একেই, ভাব একেই। এই ভাবৰ সৈতে একাকাৰ হৈ সকলোৰে অগ্ৰসৰ হব লাগিব আৰু এয়াই বাস্তৱতে ৰাষ্ট্ৰীয়তা।

ৰাষ্ট্ৰীয়তাৰ বাবে তিনিটা উপাদান অত্যাৱশ্যকীয়। প্ৰথমতে যি ভূমিত বাস কৰি বায়ু-পানী গ্ৰহণ কৰিছোঁ তাৰ সৈতে ভাবাত্মক সম্বন্ধ স্থাপন কৰা, অৰ্থাৎ এয়া আমাৰ মাতৃ বুলি জ্ঞান কৰা। দ্বিতীয়তে এই মাতৃয়ে যিবোৰ শ্ৰেষ্ঠ মহাপুৰুষৰ জন্ম দিছে, যিসকলে এই মাতৃৰ গৌৰৱ বৃদ্ধিৰ তথা স্বাভিমান ৰক্ষাৰ্থে ত্যাগ স্বীকাৰ কৰিছে তেওঁলোকক স্বাভাবিকতে আমাৰ শ্ৰদ্ধাৰ পাত্ৰ কৰি লব লাগিব। আৰু তৃতীয়তে ৰাষ্ট্ৰীয় পৰম্পৰা, ৰাষ্ট্ৰীয় সংস্কৃতি আদি ৰক্ষাৰ বাবে আত্মনিয়োগ কৰিব লাগিব।

আব্দুল ৰহিম খানক এবাৰ ওচৰতে বহি থকা গংগ কবিয়ে সুধিছিল "ধুল ধৰত নিজ শীল পৰ কহ ৰহিম কেটি কাজ" ( এইমাত্ৰ গা ধুৱাই অনা হাতীটোৱে কিয় মূৰত ধুলি তুলি লৈছে )? ৰহিমে উত্তৰ দিছিল—"জংগৰজ মুনিপত্নী তৰী সৌয়ী ধুন্দত গজৰাজ।" যেতিয়া কবি নজৰুল ইচলামে কয়—

আমি পিনাকপাণিৰ ডম্বৰু-ত্ৰিশূল, ধৰ্মৰাজেৰ দণ্ড
আমি চক্ৰ, মহাশঙ্খ, আমি প্ৰণৱনাদ প্ৰচণ্ড।
আমি খেঁপা দুৰ্বাসা, বিশ্বামিত্ৰ শিষ্য
আমি দাবানল দাহ দহন কৰিবো বিশ্ব॥

আব্দুল ৰহিম আৰু নজৰুল ইচলামৰ নিচিনা ইছলাম ধৰ্মী ব্যক্তিৰ মুখত এনে কবিতা শুনি এনে কোনোবা হিন্দু ওলাব নেকি যিয়ে ৰহিম, নজৰুল আমাৰ নহয় বুলি ক'ব? ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা সকলোৱে যে আমাৰ ভাতৃ সেয়া আমাৰ মনত স্বতঃস্ফুৰ্ত ভাবে নিঃসৃত হব লাগে আৰু ইয়াৰ বাবে সকলোৱে একেমুখেই কব লাগিব "ভাৰত আমাৰ মাতৃ। মাতৃৰ সৰ্বতোপ্ৰকাৰৰ ৰক্ষাৰ বাবে আমি আমাৰ জীৱনৰ প্ৰতিটো ক্ষণ, ৰক্তৰ প্ৰতিটো কণা সমৰ্পণ কৰিম।" এই ভাবেই ৰাষ্ট্ৰীয়তাৰ মূল আধাৰ।

এবাৰ স্বামী ৰামতীৰ্থই এজন জাপানী বালকক সুধিলে—"ভগৱান বুদ্ধ কোন জাননে?"

বালক—"আমাৰ ভগৱান।"

স্বামী—"যদি ভগৱান বুদ্ধই জাপানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহে?"

বালক—'হবই নোৱাৰে।"

স্বামী—"ধৰিলোৱা হ'ল।"

বালক—"তেতিয়া হ'লে—আমি তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিম আৰু তেওঁক হত্যা কৰিম।"

এয়াই ৰাষ্ট্ৰীয়তা। প্ৰথমতে মাতৃসেৱা। তাৰ পিচতহে ধৰ্ম। আমাৰ দেশৰ স্বতন্ত্ৰতা আৰু পৰম্পৰাত যিয়ে আঘাট হানিব তাক আমি উচিত প্ৰতুত্তৰ দিম। সৰ্বতোপ্ৰথম দেশৰ স্বাৰ্থ, তাৰ পিছতহে ভগৱানৰ উপসনা। যেনে ধৰণেই উপসনা নকৰক কিয় তাত কোনো অসুবিধা নাই। কাৰণ আমাৰ ৰাষ্ট্ৰীয়তা এক।

( সহায়ক ৰচনা—'Toward a Non We tern Model of Development' by Inaitulla; 'ৰাষ্ট্ৰ'—মাঃ শঃ গোলৱলকৰ; 'পুণ্যাহবচন'—দত্তপন্ত ঠেংড়ী; 'The Principal of Nationality'—by Isreal Zanguile; 'হিন্দু ৰাজ্য' বলৰাজ মাধোক।

# দেশৰ সাম্প্ৰতিক পৰিস্থিতি : ছাত্ৰ সমাজৰ ভূমিকা

খনিন কলিতা
স্নাতক ( কলা ) ১ম বৰ্ষ

দেশে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা ভাৰত-পাক সম্পৰ্ক উন্নত কৰিবলৈ যিমানে চেষ্টা কৰা হৈছে, সিমানেই অৱস্থাৰ অৱনতি ঘটাহে দেখা গৈছে। কাশ্মীৰ বিবাদে এসময়ত ৰাষ্ট্ৰসংঘৰ সদনো তোলপাৰ লগাইছিল। কাশ্মীৰৰ পিছতে ভাৰতবৰ্ষৰ অন্য এটি অঞ্চল পাঞ্জাৱতো অশান্তি বিৰাজ কৰিছে। সেই ক্ষেত্ৰত পাকিস্তানে উগ্ৰপন্থীক অস্ত্ৰ শস্ত্ৰৰ যোগান ধৰাৰ উপৰিও গেৰিলা যুদ্ধৰ প্ৰশিক্ষণ দিয়াৰো প্ৰমাণ পোৱা গৈছে। বিশ্বৰ ভালেমান ৰাষ্ট্ৰই ভাৰতবৰ্ষ শক্তিশালী হোৱাটো নিবিচাৰে। কিন্তু পাকিস্তানেই যে ভাৰতবৰ্ষৰ বিৰুদ্ধে কুটাঘাটমূলক কাৰ্যকলাপত ইন্ধন যোগাই আহিছে সি নহয়; পূৱ-পাকিস্তানৰ ( বৰ্তমান বাংলাদেশ ) বিচ্ছিন্ন কৰাৰ উদ্দেশ্যে ভাৰতে লোৱা ভূমিকাৰ ব্যাখ্যাৰ প্ৰয়োজন নাই। পূৱ পাকিস্তানক স্বাধীন কৰিবলৈ গৈ ভাৰতে সেই দেশৰ আভ্যন্তৰীণ কাৰ্যকলাপত হস্তক্ষেপ কৰাৰ কোনো যুক্তি নাছিল। সেই কাৰ্যত এচাম বাংলাদেশী সচেতন লোকেও ভাল পোৱা নাছিল। প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিব পাৰি যে প্ৰচুৰ ধন-জনেৰে সহায় কৰা সত্বেও ভাৰতবৰ্ষৰ প্ৰতি বাংলাদেশৰ আজিও সম্ভাৱ গঢ়ি উঠা নাই। বৰ্তমান ভাৰতবৰ্ষ আভ্যন্তৰীণ কন্দলত জৰ্জৰিত হৈ পৰিছে। জম্মু-কাশ্মীৰ, পাঞ্জাব, মিজোৰাম, নাগালেণ্ড, অসম সকলোতে একেটা ধ্বনিয়েই উঠিছে—প্ৰত্যেকেই শোষিত। গতিকে স্বকীয়া ৰাষ্ট্ৰ লাগে। যিয়েই স্বৰ্গৰ অমৃতধাৰা মৰ্ত্তলৈ বোৱাই আনিব। পাঞ্জাৱৰ জনমূৰি আয় ভাৰতবৰ্ষৰ ভিতৰতে সৰ্ব্বাধিক হোৱা সত্বেও সেইখন ৰাজ্যৰ যুৱকসকলে নিজকে শোষিত, নিৰ্যাতিত বুলি ধাৰণা কৰি অস্ত্ৰ হাতত লৈছে। মিজোৰাম ৰাজ্যখনৰ নিজস্ব ৰাজহৰ পৰিমাণ তেনেই নগণ্য। আনকি নেলাগে তেওঁলোকৰ খোৱা পানীখিনিও কেন্দ্ৰীয় সাহায্যৰে যোগান ধৰা হয়, কিন্তু তথাপিও একাংশ মিজোলোকে আজিও শোষিত আৰু কেন্দ্ৰৰ দ্বাৰা অৱহেলিত বুলি ধাৰণা কৰে। কিন্তু উল্লেখিত শোষণৰ ভিত্তি আৰু তাক নিৰাময় কৰাৰ চেষ্টাৰ বিপৰীতে আৰম্ভ হৈছে সন্ত্ৰাসৰ ৰাজত্ব। অৱশ্যে আজিৰ সমাজ সমস্যামুক্ত নহয়, সমাজ কাহানিও সম্পূৰ্ণভাৱে সমস্যা মুক্ত হব নোৱাৰে। এতিয়ালৈ লাভ কৰা চৰকাৰসমূহৰ ভিতৰত গণতন্ত্ৰই হ'ল সমস্যা সমাধানৰ সৰ্বোৎকৃষ্ট মাধ্যম; কিন্তু সমস্যা সমাধানৰ চেষ্টা কৰাৰ সলনি বিচ্ছিন্নতাবাদৰ পোষকতা কৰাটো আত্মঘাটী প্ৰৱণতাৰ বাবে আন একো নহয়। গণতন্ত্ৰক কেৱল সংবিধানত লিপিবদ্ধ কৰা এক প্ৰকাৰ শাসন পদ্ধতি বুলি ধৰি লোৱাটোৱেই যুক্তি সংগত নহয়। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ লগত প্ৰত্যেক নাগৰিকৰ দৈনন্দিন জীৱনৰ কাৰ্যকলাপ ওতঃপ্ৰোতভাৱে জড়িত। শাৰীৰিক শক্তি, ভীতি প্ৰদৰ্শন ইত্যাদিৰ বিপৰীতে যুক্তি আৰু আলাপ-আলোচনাৰ জৰিয়তে কাৰ্য সম্পাদন কৰিবলৈ লোৱা সাহসিকতাই গণতন্ত্ৰৰ ভেটিস্বৰূপ। সম্প্ৰতি এচাম লোক এইদৰে অধৈৰ্য হৈ পৰিছে যে তেওঁলোকে অস্ত্ৰৰ জৰিয়তে সমস্যা সমাধান কৰিবলৈ বিচাৰিছে। ভাৰতবৰ্ষৰ দৰে বহু ভাষা-ভাষী, বহু ধৰ্মাৱলম্বী দেশখনত তেনেদৰৰ শক্তি প্ৰদৰ্শন অথবা অসহিষ্ণু হৈ পৰিবলৈ গ'লে সন্মুখত দুটা পথহে খোলা থাকিব—অৰাজকতাৰ পৰা ৰক্ষা পৰিবলৈ সামৰিক শাসন অথবা স্বৈৰতন্ত্ৰ। এই দুয়োটা ক্ষেত্ৰতে যদিহে সাফল্য অৰ্জন কৰাটো সম্ভৱ নহয়, তেন্তে স্বাভাৱিকতে গৃহযুদ্ধ অৱশ্যম্ভাৱী হৈ পৰিব আৰু তেনে এটা পৰ্যায়লৈকে ভাৰতীয় সমাজ আগবাঢ়ি যাবলৈ ওলোৱা ধাৰণা হৈছে।

অসমৰ সাম্প্ৰতিক পৰিস্থিতি অগ্নিগৰ্ভা। সত্তৰ দশকৰ শেষচোৱাৰ পৰা অসমত যিবিলাক ঘটনা ঘটিবলৈ আৰম্ভ কৰিলে সেয়া অসমৰ দৰে এখন ৰাজ্যৰ বাবে নোহোৱা নোপোজা কথা আছিল। অসমৰ জনসাধাৰণ এতিয়া ৰাজনীতিৰ মেৰপাক আৰু সন্ত্ৰাসবাদৰ মাজৰ বিন্দুত এক দোদুল্যমান অৱস্থাত ৰৈ আছে। এই অৱস্থাত জনসাধাৰণে ক'ত, কেনেকৈ খোজটো দিব একো ধৰিব নোৱাৰা অৱস্থাত পৰি চিন্তাৰ খোপনিও যেন হেৰাই গৈছে। সন্ত্ৰাসবাদ, গণ আন্দোলন, সশস্ত্ৰ বিপ্লৱ, গণতান্ত্ৰিক চৰকাৰ সকলোখেলি-মেলি হৈ অসমৰ জনসাধাৰণৰ মূৰৰ ওপৰত যেন পাক-ঘূৰণি খাই ফুৰিছে। এতিয়া কথা হ'ল অসম সঁচাকৈয়ে শোষিত নে? আৰু যদি সঁচাকৈয়ে অসমক শোষণ কৰা হৈছে তেনেহলে প্ৰয়োজনীয় তথ্য-পাতিৰে অসমৰ সচেতন ৰাইজে নিজাৰবীয়াকৈ প্ৰকৃত সত্যৰ অনুসন্ধান চলোৱাৰ প্ৰয়োজন হৈছে। অৱশ্যে ভাব-প্ৰৱণতাৰ উৰ্দ্ধত থাকিহে প্ৰকৃত সত্যৰ অনুসন্ধান চলোৱাটো সম্ভৱ হব। ভাব-প্ৰৱণতাই কিদৰে সমাজ এখনক লটি-ঘটি কৰে তাৰ নিদৰ্শণ বিগত বিদেশী আন্দোলনত আমি ভালদৰে পাইছোঁ। গণ পৰিষদ চৰকাৰে ৮০০ বিদেশীকো বহিস্কাৰ কৰিবলৈ সক্ষম নহ'ল, যদিও ৮২৭ গৰাকী কৰ্মঠ ব্যক্তিক আমি হেৰুৱালোঁ। তেওঁলোকৰ নামত ধন সংগ্ৰহ কৰি ছহিদ স্তম্ভ সজা হ'ল আৰু এতিয়া সেই স্মৃতি কেনেকৈ বিস্মৃতিৰ গৰ্ভলৈ পঠিয়াই দিব পাৰি তাৰেই চেষ্টা চলোৱা দেখা গৈছে। অকল যে কেতবোৰ ব্যক্তিকেই হেৰুৱালোঁ সি নহয়, অসংখ্য পৰিয়ালে ওৰে জীৱনৰ সঞ্চিত ধন-সম্পত্তি হেৰুৱালে। নেলীৰ মৰ্মন্তুদ ঘটনাৰ কলংকেই বিদেশীৰ সন্মুখত অসমীয়াক চিৰকালেই শিৰনত কৰি থাকিবলগীয়া অৱস্থাৰ সৃষ্টি কৰিলে। আন্দোলন সমৰ্থন কৰা সকলোৱে আজি অনুশোচনাত ম্ৰিয়মান। নিজৰ শক্তি সামৰ্থ্য সম্পৰ্কে অযথা ভ্ৰান্ত ধাৰণাৰ বশৱৰ্ত্তী নহৈ সেই সময়ৰ ৰাজ্যপাল লালন প্ৰসাদ সিঙৰ মধ্যস্থতাত ১৯৬৭কেই বিদেশী চিনাক্তকৰণৰ সময়-সীমা ধৰি লৈ মীমাংসালৈ অহা হ'লে নেলীৰ দৰে ঘটনা নঘটিলহেঁতেন, আঠ শতাধিক ব্যক্তিক আমি হেৰুৱাব নালাগিলহেঁতেন, অসংখ্য পৰিয়ালে ওৰে জীৱনৰ সা-সম্পত্তি হেৰুৱাই হা-হুমুনিয়াহ কাঢ়িব নালাগিলহেঁতেন। তেনেবোৰ ঘটনাৰ যাতে পুণৰাবৃত্তি নঘটে তাৰ প্ৰতি আমি সচেতন হোৱা বাঞ্চনীয়; কিন্তু সেইবুলি শোষণ, বঞ্চনাৰ বিৰুদ্ধে যে আমি সংগ্ৰাম কৰিব নালাগিব সি নহয়; বৰং তেনে সংগ্ৰামক অতি পৱিত্ৰ জ্ঞান কৰাটোহে উচিত। অৱশ্যে সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ আগতে ভেটি সুদৃঢ় নহলে বিগত আন্দোলনৰ লেখীয়াই দশা হয়।

একবিংশ শতিকাৰ যুগসন্ধিত মানুহে নূন্যতম মানৱীয় প্ৰমূল্যবোধৰ নান্দনিক সৌন্দৰ্যকণ উপভোগ কৰিব নোৱাৰি মানুহ হৈছেগৈ মানুহৰ বাবে অন্তৰায় স্বৰূপ। আত্ম-সমালোচনা আৰু অধ্যয়নৰ অভাৱত মানুহ হৈ পৰিছে মানৱাকৃতিৰ লেখীয়া। যাৰ বাবে আজি সমাজৰ তৃণমূল পৰ্যায়ৰ পৰা গা কৰি উঠিছে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্বা আৰু সেইবিলাকৰ আত্মনিয়ন্ত্ৰণৰ বাবে কৰা গোষ্ঠীগত সংঘাত। এই কথা প্ৰণিধানযোগ্য যে এটা জাতিৰ চৰিত্ৰ নিৰ্ণয়ৰ ধ্বজা সদৃশ অৰ্থ নৈতিক চিন্তা আৰু সংস্কৃতিৰ যোতয়া সোলোক-ঢোলোক অৱস্থা হয়, তেতিয়াই জাতিটোৱে ক্ৰমোন্নতিৰ বিপৰীত স্বমৃত্যুৰ ক্ষণ গণিবলৈ আৰম্ভ কৰে। এটা কথা আজিৰ সমাজত প্ৰায়ে অনুভূত হৈ আহিছে যে, কোনো এটা গোষ্ঠীয়ে অৰ্থ নৈতিকভাৱে সচ্ছল অৱস্থা পোৱাৰ কাষ চাপিলেই সহবাসী আন গোষ্ঠীবোৰে নিজকে হেৰুওৱাৰ সপোন দেখি উল্লেখিত স্বচ্ছল অৱস্থাৰ গোষ্ঠীটোৰ ওপৰত বিৰাগভাব পোষণ কৰি ক্ষোভিত হয়, আৰু বহুল প্ৰচাৰিত মানসিক ৰোগ "সম্প্ৰসাৰণবাদ"ৰ বাবে জেহাদ ঘোষণা কৰে। অসমৰ বাণিজ্যিক কেন্দ্ৰস্বৰূপ গুৱাহাটী ফাঁচীবজাৰৰ এটা অনা-অসমীয়া গোষ্ঠীয়ে বাণিজ্যৰ কৌশল খটাই নিজকে অৰ্থ নৈতিকভাৱে স্বচ্ছল কৰাটো আজি সকলোৱে জ্ঞাত। কিন্তু সেই বুলিয়েই সমগ্ৰ অসমবাসীক হিন্দী সম্প্ৰসাৰণবাদে গ্ৰাস কৰি পেলাইছে বুলি ভবাটো আমাৰ মূৰ্খামিৰ বাহিৰে আন একো নহয়। আজি আমি আবেগিক ভাৱে পমুৱা প্ৰব্ৰজনকাৰীসকলক বহিস্কাৰ কৰিব লাগে বুলি ছয় বছৰ

নিস্ফল আন্দোলন কৰিলোঁ, কিন্তু সেই পমুৱা প্ৰব্ৰজনকাৰীসকলেই দৰং, কামৰূপ, বৰপেটা আৰু নগাওঁৰ অধিক আবাদী মাটিত সেউজফচল উৎপাদন কৰি কাম নকৰা অসমীয়াহঁতক শাক-শোকোতাৰে পুহি ৰাখিছে। এইকথা আমি ভুলতো এবাৰ ভাবি চাইছোঁনে? এই পৰম্পৰাৰ অৱসান ঘটাবলৈ সততে শোষিত আৰু অৱহেলিতৰ সপোন দেখি থকাসকলে নিজকে প্ৰতিযোগিতাৰ শাৰীত থিয় হবলৈ সক্ষম কৰিব পাৰিছেনে? অতি পৰিতাপৰ কথা যে অসমৰ কেতবোৰ যুৱকে চাহ বাগিচাত চাকৰি পালেও নকৰে, তেওঁলোকক নগৰত চাকৰি লাগে। এই লোকসকলৰ সামাজিক বৈষম্যৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ আছেনে? কেৱল ৰাজপথত থিয় হৈ বিদ্যালয়ৰ শ্ৰেণীবৰ্জন কৰিবলৈ আগবাঢ়িলে আমি উচ্চ মেধাশক্তি সম্পন্ন লোক হৈ নাযাওঁ। অসমৰ বৃহৎ জাতিসত্বা যিহেতু ক্ষুদ্ৰ ক্ষুদ্ৰ উপগোষ্ঠীৰে পৰিপুষ্ট সেয়েহে আমি প্ৰত্যেকেই পৰস্পৰৰ সংস্কৃতিক সন্মান জনাব লাগিব। অসমৰ ভূমিপুত্ৰ বড়োসকল আজি হীনমান্যতাত ভূগি কৈ আহিছে যে তেওঁলোক হেনো অসমীয়া সম্প্ৰসাৰণবাদৰ বলি হৈছে। এই কথা প্ৰকৃততে অৰ্থহীন। কাৰণ এইখন অসমৰে বাসিন্দা হৈ নিজৰ কৃষ্টি-সংস্কৃতিৰ বহুল প্ৰচাৰ কৰি আগবাঢ়িলেই জাতিটোৰ স্বকীয়তা ৰক্ষা পৰাৰ লগতে আত্মসন্মান অটুট ৰখাত সহায়ক হব। পৰিশেষত কওঁ, জাতিগত কিম্বা ধৰ্মীয় আবেগেৰে আপ্লুত হৈ ক্ষুদ্ৰ ক্ষুদ্ৰ চুবুৰী সদৃশ ৰাজ্য সৃষ্টি কৰিলেই আমি লাভবান নহওঁ। ভাৰতীয় ধৰ্মীয় ইতিহাসত শঙ্কৰাচাৰ্য, চৈতন্য, ৰামানুজন, নানক আৰু শঙ্কৰদেৱৰ দৰে মহামানৱসকলৰ কোনোজনেই ধৰ্মৰ ভিত্তিত, জাতৰ ভিত্তিত ৰাজ্যগঠনৰ পোষকতা কৰা নাছিল।

ভাৰতবৰ্ষৰ দৰে সমস্যাবহুল দেশ এখনৰ ছাত্ৰসকলৰ ভূমিকা কেনে হোৱা উচিত? ই এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। তদুপৰি ভাৰতবৰ্ষৰ প্ৰায়বোৰ সমস্যা ৰাজনীতিৰ লগত জড়িত। গতিকে এনেবোৰ সমস্যাৰ সমাধান কৰিবলৈ গ'লে ছাত্ৰসকল ৰাজনীতিতো প্ৰবেশ কৰিব লাগিব।

ৰাজনীতিত ছাত্ৰসকল জড়িত হোৱা উচিত নে অনুচিত এই প্ৰশ্নও আমাৰ মনত জাগে। সম্প্ৰতি ছাত্ৰসমাজত এক অৰাজকতাৰ সৃষ্টি হৈছে। সামান্য কথাতে বন্ধ, কৰ্মবিৰতি, শ্ৰেণী বৰ্জন, হৰতাল, মৌন সমদল আদিয়ে আমাৰ জাতীয় সমাজত প্ৰচুৰ ক্ষতি সাধন কৰিছে। ছাত্ৰ সমাজেও এইবোৰৰ পৰা নিস্কৃতি পোৱা নাই। সমাজৰ বৰমূৰীয়া, বুদ্ধিজীৱি, অভিভাৱক, ৰাজনৈতিক নেতা কোনেও ছাত্ৰ সমাজক এটা সঠিক পথ দেখুৱাবলৈ সক্ষম হোৱা নাই। কিদৰে বছৰটোত শ্ৰেণীবোৰ নিয়াৰিকৈ বহুৱাব পাৰি, ছাত্ৰ ছাত্ৰীসকলৰ পঢ়াৰ অভ্যাস কেনেকৈ গঢ়ি তুলিব পাৰি—এইবিলাক চিন্তা আমাৰ সমাজৰ বৰমূৰীয়াসকলৰ মনৰ পৰা নোহোৱা হৈছে। তেওঁলোকৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত নতুবা বাহিৰৰ প্ৰতিষ্ঠানত পঢ়ুৱাইছে, এতেকে সৰ্বসাধাৰণ ল'ৰা-ছোৱালীৰ বিষয়ে চিন্তা কৰাৰ অৱকাশ তেওঁলোকৰ ক'ত?

ভাৰতবৰ্ষৰ আন অংশৰ কথা বাদে অসমতো সত্তৰৰ দশকৰ পিছৰ পৰা শিক্ষাৰ পৰিবেশ ক্ৰমান্বয়ে নিম্নগামী হৈ আহিছে। বিভিন্ন সামাজিক, ৰাজনৈতিক ধুমুহাই ছাত্ৰসমাজক সামৰি লোৱাত ৰাজ্যখনত পঢ়া আৰু পঢ়োৱাৰ এটা অনুকূল বাতাৱৰণ আজি আৰু নাই। এয়া সচেতন মানুহৰ মনত সঁচাকৈয়ে দুঃচিন্তাৰ কাৰণ হৈ পৰিছে।

১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ এই সুদীৰ্ঘ ৬ বছৰ ধৰি চলা আন্দোলনে অসমৰ শিক্ষাজগতত প্ৰকৃতাৰ্থত এক মাৰাত্মক আঘাট হানিছে। যাৰ ফলস্বৰূপে আজিও অসমত শিক্ষাৰ এক সুস্থ পৰিবেশ গঢ়ি উঠা নাই। শিক্ষা জগতৰ জড়তা আৰু স্থৱিৰতাৰ মূলতে আছে আমাৰ বন্ধ সংস্কৃতি, কৰ্মবিৰতি সংস্কৃতি। বছৰেকত কলেজবোৰত মাত্ৰ ৮০/৯০ দিনহে ক্লাচ হয়। প্ৰাথমিক; মজলীয়া বা উচ্চ মাধ্যমিক স্কুলসমূহৰ অৱস্থাও তথৈবচ। পঢ়োৱা আৰু পঢ়াৰ ধাউতি যেন আজি নাই।

দেশৰ এই পৰিস্থিতিত ছাত্ৰসকলৰ কিছু কৰণীয় আছে। ছাত্ৰসকলে ৰাষ্ট্ৰৰ স্বাৰ্থতহে ৰাজনীতিত জড়িত হৈ পৰা উচিত, কোনো দলীয় স্বাৰ্থত নহয়। দলীয় ৰাজনীতিৰ নিজস্ব সীমাবদ্ধতা আছে। ইয়াত জনসাধাৰণৰ স্বাৰ্থতকৈ সদায় দলৰ স্বাৰ্থক আগস্থান দিয়া হয়। আজি-কালি কোনো কোনো ৰাজনৈতিক দলে ৰাষ্ট্ৰৰ নিৰাপত্তাকো আওকান কৰা দেখা যায়। সেয়েহে ছাত্ৰসকল আৱেগৰ বশবৰ্তী নোহোৱাকৈ অযৌক্তিক কাৰ্যকলাপ, অতুৎসাহ আৰু অস্থিৰতাক প্ৰশ্ৰয় নিদিয়াকৈ ৰাষ্ট্ৰৰ কল্যাণৰ কামত নিজকে নিয়োগ কৰা উচিত।



বিবিধতাক অক্ষুণ্ণ ৰখা হ'ল আৰু একতাও বৰ্তি থাকিল। সেয়ে এই দৃষ্টিত আমাৰ দেশৰ ৰাষ্ট্ৰীয়তাৰ এক স্বকীয়া বৈশিষ্ট তথা অৰ্থ আছে আৰু এই বিশেষত্ব স্বীকাৰ কৰিবলৈ গৈ উইনচেন্ট স্মিথে লিখিছে—"This most fundamantal unity is based on the fact that diverse people of this land have been able to create a culture and civilization which is utterly different from any other culture and civilization obtaining in this world", অৰ্থাৎ এই অভ্যন্ত মৌলিক একতাৰ কাৰণ এইটোৱেই এই ভূখণ্ডৰ বিভিন্ন স্বকীয়তাসম্পন্ন লোকে এনে এক সংস্কৃতি আৰু সভ্যতাৰ জন্ম দিছে যে যিটো বিশ্বৰ আন যিকোনো সংস্কৃতি তথা সভ্যতাৰ পৰা সম্পূৰ্ণ ভিন্ন।

শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ জন্ম অসমত, কিন্তু দুয়োজনা গুৰুৰ মানস-পটত সমগ্ৰ ভাৰতবৰ্ষৰ কল্পনা বিচিত্ৰিত হৈছিল। শ্ৰীমন্ত শংকৰদেৱে লিখিছিল—

কোটি কোটি জন্ম অন্তৰে যাহাৰ
আসে মহা পূণ্য ৰাশি।
সিটো কদাচিত মনুষ্য হোৱয়
ভাৰত বৰিষে আসি॥

এই সত্যৰ বাবেই ভাৰতবৰ্ষ এখন ৰাষ্ট্ৰ। ইয়াৰ বিবিধতাসম্পন্ন জনসমুদায় এক জন। আমাৰ সকলোৰে আকাঙ্খা একেই, ভাব একেই। এই ভাবৰ সৈতে একাকাৰ হৈ সকলোৱে অগ্ৰসৰ হব লাগিব আৰু এয়াই বাস্তৱতে ৰাষ্ট্ৰীয়তা।

ৰাষ্ট্ৰীয়তাৰ বাবে তিনিটা উপাদান অত্যাৱশ্যকীয়। প্ৰথমতে যি ভূমিত বাস কৰি বায়ু-পানী গ্ৰহণ কৰিছোঁ তাৰ সৈতে ভাবাত্মক সম্বন্ধ স্থাপন কৰা, অৰ্থাৎ এয়া আমাৰ মাতৃ বুলি জ্ঞান কৰা। দ্বিতীয়তে এই মাতৃয়ে যিবোৰ শ্ৰেষ্ঠ মহাপুৰুষৰ জন্ম দিছে, যিসকলে এই মাতৃৰ গৌৰৱ বৃদ্ধিৰ তথা স্বাভিমান ৰক্ষাৰ্থে ত্যাগ স্বীকাৰ কৰিছে তেওঁলোকক স্বাভাবিকতে আমাৰ শ্ৰদ্ধাৰ পাত্ৰ কৰি লব লাগিব। আৰু তৃতীয়তে ৰাষ্ট্ৰীয় পৰম্পৰা, ৰাষ্ট্ৰীয় সংস্কৃতি আদি ৰক্ষাৰ বাবে আত্মনিয়োগ কৰিব লাগিব।

আব্দুল ৰহিম খানক এবাৰ ওচৰতে ৰহি থকা গংগ কবিয়ে সুধিছিল "ধুল ধৰত নিজ শীল পৰ কহ ৰহিম কেটি কাজ" (এইমাত্ৰ গা ধুৱাই অনা হাতীটোৱে কিয় মূৰত ধুলি তুলি লৈছে)? ৰহিমে উত্তৰ দিছিল—"জংগৰজ মুনিপত্নী তৰী সৌয়ী ধুন্দত গজৰাজ।" যেতিয়া কবি নজৰুল ইচলামে কয়—

আমি পিনাকপাণিৰ ডম্বৰু-ত্ৰিশূল, ধৰ্মৰাজেৰ দণ্ড
আমি চক্ৰ, মহাশঙ্খ, আমি প্ৰণৱনাদ প্ৰচণ্ড।
আমি খেঁপা দুৰ্বাসা, বিশ্বামিত্ৰ শিষ্য
আমি দাবানল দাহ দহন কৰিবো বিশ্ব॥

আব্দুল ৰহিম আৰু নজৰুল ইচলামৰ নিচিনা ইছলাম ধৰ্মী ব্যক্তিৰ মুখত এনে কবিতা শুনি এনে কোনোবা হিন্দু ওলাব নেকি যিয়ে ৰহিম, নজৰুল আমাৰ নহয় বুলি ক'ব? ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা সকলোৱে যে আমাৰ ভাতৃ সেয়া আমাৰ মনত স্বতঃস্ফুৰ্ত ভাবে নিঃসৃত হব লাগে আৰু ইয়াৰ বাবে সকলোৱে একেমুখেই কব লাগিব "ভাৰত আমাৰ মাতৃ। মাতৃৰ সৰ্বতোপ্ৰকাৰৰ ৰক্ষাৰ বাবে আমি আমাৰ জীৱনৰ প্ৰতিটো ক্ষণ, ৰক্তৰ প্ৰতিটো কণা সমৰ্পণ কৰিম।" এই ভাবেই ৰাষ্ট্ৰীয়তাৰ মূল আধাৰ।

এবাৰ স্বামী ৰামতীৰ্থই এজন জাপানী বালকক সুধিলে—"ভগৱান বুদ্ধ কোন জাননে?"

বালক—"আমাৰ ভগৱান।"

স্বামী—"যদি ভগৱান বুদ্ধই জাপানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহে?"

বালক—"হবই নোৱাৰে।"

স্বামী—"ধৰিলোৱা হ'ল।"

বালক—"তেতিয়া হ'লে—আমি তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিম আৰু তেওঁক হত্যা কৰিম।"

এয়াই ৰাষ্ট্ৰীয়তা। প্ৰথমতে মাতৃসেৱা। তাৰ পিচতহে ধৰ্ম। আমাৰ দেশৰ স্বতন্ত্ৰতা আৰু পৰম্পৰাত যিয়ে আঘাট হানিব তাক আমি উচিত প্ৰত্যুত্তৰ দিম। সৰ্বতোপ্ৰথম দেশৰ স্বাৰ্থ, তাৰ পিছতহে ভগৱানৰ উপসনা। যেনে ধৰণেই উপসনা নকৰক কিয় তাত কোনো অসুবিধা নাই। কাৰণ আমাৰ ৰাষ্ট্ৰীয়তা এক।

(সহায়ক ৰচনা—'Toward a Non We tern Mo:el of Development' by Inaitulla; 'ৰাষ্ট্ৰ'—মাঃ শঃ গোলৱলকৰ; 'পুণ্যাহবচন'—দণ্ডপন্ত ঠেংড়ী; 'The Principal of Nationality'—by Isreal Zanguile; 'হিন্দু ৰাজ্য' বলৰাজ মাধোক।

# দেশৰ সাম্প্ৰতিক পৰিস্থিতি : ছাত্ৰ সমাজৰ ভূমিকা

খনিন কলিতা
স্নাতক ( কলা ) ১ম বৰ্ষ

দেশে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা ভাৰত-পাক সম্পৰ্ক উন্নত কৰিবলৈ যিমানে চেষ্টা কৰা হৈছে, সিমানেই অৱস্থাৰ অৱনতি ঘটাহে দেখা গৈছে। কাশ্মীৰ বিবাদে এসময়ত ৰাষ্ট্ৰসংঘৰ সদনো তোলপাৰ লগাইছিল। কাশ্মীৰৰ পিছতে ভাৰতবৰ্ষৰ অন্য এটি অঞ্চল পাঞ্জাৱতো অশান্তি বিৰাজ কৰিছে। সেই ক্ষেত্ৰত পাকিস্তানে উগ্ৰপন্থীক অস্ত্ৰ শস্ত্ৰৰ যোগান ধৰাৰ উপৰিও গেৰিলা যুদ্ধৰ প্ৰশিক্ষণ দিয়াৰো প্ৰমাণ পোৱা গৈছে। বিশ্বৰ ভালেমান ৰাষ্ট্ৰই ভাৰতবৰ্ষ শক্তিশালী হোৱাটো নিবিচাৰে। কিন্তু পাকিস্তানেই যে ভাৰতবৰ্ষৰ বিৰুদ্ধে কুটাঘাটমূলক কাৰ্যকলাপত ইন্ধন যোগাই আহিছে সি নহয়; পূৱ-পাকিস্তানৰ ( বৰ্তমান বাংলাদেশ ) বিচ্ছিন্ন কৰাৰ উদ্দেশ্যে ভাৰতে লোৱা ভূমিকাৰ ব্যাখ্যাৰ প্ৰয়োজন নাই। পূৱ পাকিস্তানক স্বাধীন কৰিবলৈ গৈ ভাৰতে সেই দেশৰ আভ্যন্তৰীণ কাৰ্যকলাপত হস্তক্ষেপ কৰাৰ কোনো যুক্তি নাছিল। সেই কাৰ্যত এচাম বাংলাদেশী সচেতন লোকেও ভাল পোৱা নাছিল। প্ৰসংগ ক্ৰমে উল্লেখ কৰিব পাৰি যে প্ৰচুৰ ধন-জনেৰে সহায় কৰা সত্বেও ভাৰতবৰ্ষৰ প্ৰতি বাংলাদেশৰ আজিও সদ্ভাৱ গঢ়ি উঠা নাই। বৰ্তমান ভাৰতবৰ্ষ আভ্যন্তৰীণ কন্দলত জৰ্জৰিত হৈ পৰিছে। জম্মু-কাশ্মীৰ, পাঞ্জাৱ, মিজোৰাম, নাগালেণ্ড, অসম সকলোতে একেটা ধ্বনিয়েই উঠিছে—প্ৰত্যেকেই শোষিত। গতিকে স্বকীয়া ৰাষ্ট্ৰ লাগে। যিয়েই স্বৰ্গৰ অমৃতধাৰা মৰ্ত্তলৈ বোৱাই আনিব। পাঞ্জাৱৰ জনমূৰি আয় ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বাধিক হোৱা সত্বেও সেইখন ৰাজ্যৰ যুৱকসকলে নিজকে শোষিত, নিৰ্যাতিত বুলি ধাৰণা কৰি অস্ত্ৰ হাতত লৈছে। মিজোৰাম ৰাজ্যখনৰ নিজস্ব ৰাজহৰ পৰিমাণ তেনেই নগণ্য। আনকি নেলাগে তেওঁলোকৰ খোৱা পানীখিনিও কেন্দ্ৰীয় সাহায্যৰে যোগান ধৰা হয়, কিন্তু তথাপিও একাংশ মিজোলোকে আজিও শোষিত আৰু কেন্দ্ৰৰ দ্বাৰা অৱহেলিত বুলি ধাৰণা কৰে। কিন্তু উল্লেখিত শোষণৰ ভিত্তি আৰু তাক নিৰাময় কৰাৰ চেষ্টাৰ বিপৰীতে আৰম্ভ হৈছে সন্ত্ৰাসৰ ৰাজত্ব। অৱশ্যে আজিৰ সমাজ সমস্যামুক্ত নহয়। সমাজ কাহানিও সম্পূৰ্ণভাৱে সমস্যা মুক্ত হব নোৱাৰে। এতিয়ালৈ লাভ কৰা চৰকাৰসমূহৰ ভিতৰত গণতন্ত্ৰই হ'ল সমস্যা সমাধানৰ সৰ্বোৎকৃষ্ট মাধ্যম; কিন্তু সমস্যা সমাধানৰ চেষ্টা কৰাৰ সলনি বিচ্ছিন্নতাবাদৰ পোষকতা কৰাটো আত্মঘাটী প্ৰৱণতাৰ বাবে আন একো নহয়। গণতন্ত্ৰক কেৱল সংবিধানত লিপিবদ্ধ কৰা এক প্ৰকাৰ শাসন পদ্ধতি বুলি ধৰি লোৱাটোৱেই যুক্তি সংগত নহয়। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ লগত প্ৰত্যেক নাগৰিকৰ দৈনন্দিন জীৱনৰ কাৰ্যকলাপ ওতঃপ্ৰোতভাৱে জড়িত। শাৰীৰিক শক্তি, ভীতি প্ৰদৰ্শন ইত্যাদিৰ বিপৰীতে যুক্তি আৰু আলাপ-আলোচনাৰ জৰিয়তে কাৰ্য সম্পাদন কৰিবলৈ লোৱা সাহসিকতাই গণতন্ত্ৰৰ ভেটিস্বৰূপ। সম্প্ৰতি এচাম লোক এইদৰে অধৈৰ্য হৈ পৰিছে যে তেওঁলোকে অস্ত্ৰৰ জৰিয়তে সমস্যা সমাধান কৰিবলৈ বিচাৰিছে। ভাৰতবৰ্ষৰ দৰে বহু ভাষা-ভাষী, বহু ধৰ্মাৱলম্বী দেশখনত তেনেদৰে শক্তি প্ৰদৰ্শন অথবা অসহিষ্ণু হৈ পৰিবলৈ গ'লে সন্মুখত দুটা পথহে খোলা থাকিব—অৰাজকতাৰ পৰা ৰক্ষা পৰিবলৈ সামৰিক শাসন অথবা স্বৈৰতন্ত্ৰ। এই দুয়োটা ক্ষেত্ৰতে যদিহে সাফল্য অৰ্জন কৰাটো সম্ভৱ নহয়, তেন্তে স্বাভাৱিকতে গৃহযুদ্ধ অৱশ্যম্ভাৱী হৈ পৰিব আৰু তেনে এটা পৰ্যায়লৈকে ভাৰতীয় সমাজ আগবাঢ়ি যাবলৈ ওলোৱা ধাৰণা হৈছে।

অসমৰ সাম্প্ৰতিক পৰিস্থিতি অগ্নিগৰ্ভা। সত্তৰ দশকৰ শেষচোৱাৰ পৰা অসমত যিবিলাক ঘটনা ঘটিবলৈ আৰম্ভ কৰিলে সেয়া অসমৰ দৰে এখন ৰাজ্যৰ বাবে নোহোৱা নোপোজা কথা আছিল। অসমৰ জনসাধাৰণ এতিয়া ৰাজনীতিৰ মেৰপাক আৰু সন্ত্ৰাসবাদৰ মাজৰ বিন্দুত এক দোদুল্যমান অৱস্থাত বৈ আছে। এই অৱস্থাত জনসাধাৰণে ক'ত, কেনেকৈ খোজটো দিব একো ধৰিব নোৱাৰা অৱস্থাত পৰি চিন্তাৰ খোপনিও যেন হেৰাই গৈছে। সন্ত্ৰাসবাদ, গণ আন্দোলন, সশস্ত্ৰ বিপ্লৱ, গণতান্ত্ৰিক চৰকাৰ সকলোখেলি-মেলি হৈ অসমৰ জনসাধাৰণৰ মূৰৰ ওপৰত যেন পাক-ঘূৰণি খাই ফুৰিছে। এতিয়া কথা হ'ল অসম সঁচাকৈয়ে শোষিত নে? আৰু যদি সঁচাকৈয়ে অসমক শোষণ কৰা হৈছে তেনেহলে প্ৰয়োজনীয় তথ্য-পাতিৰে অসমৰ সচেতন ৰাইজে নিজাৰবীয়াকৈ প্ৰকৃত সত্যৰ অনুসন্ধান চলোৱাৰ প্ৰয়োজন হৈছে। অৱশ্যে ভাব-প্ৰৱণতাৰ উৰ্দ্ধত থাকিহে প্ৰকৃত সত্যৰ অনুসন্ধান চলোৱাটো সম্ভৱ হব। ভাব-প্ৰৱণতাই কিদৰে সমাজ এখনক লটি-ঘটি কৰে তাৰ নিদৰ্শন বিগত বিদেশী আন্দোলনত আমি ভালদৰে পাইছোঁ। গণ পৰিষদ চৰকাৰে ৮০০ বিদেশীকো বহিস্কাৰ কৰিবলৈ সক্ষম নহ'ল, যদিও ৮২৭ গৰাকী কৰ্মঠ ব্যক্তিক আমি হেৰুৱালোঁ। তেওঁলোকৰ নামত ধন সংগ্ৰহ কৰি ছহিদ স্তম্ভ সজা হ'ল আৰু এতিয়া সেই স্মৃতি কেনেকৈ বিস্মৃতিৰ গৰ্ভলৈ পঠিয়াই দিব পাৰি তাৰেই চেষ্টা চলোৱা দেখা গৈছে। অকল যে কেইবোৰ ব্যক্তিকেই হেৰুৱালোঁ সি নহয়, অসংখ্য পৰিয়ালে ওৰে জীৱনৰ সঞ্চিত ধন-সম্পত্তি হেৰুৱালে। নেলীৰ মৰ্মন্তুদ ঘটনাৰ কলংকই বিদেশীৰ সন্মুখত অসমীয়াক চিৰকালেই শিৰনত কৰি থাকিবলগীয়া অৱস্থাৰ সৃষ্টি কৰিলে। আন্দোলন সমৰ্থন কৰা সকলোৱে আজি অনুশোচনাত ম্ৰিয়মান। নিজৰ শক্তি সামৰ্থ্য সম্পৰ্কে অযথা ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী নহৈ সেই সময়ৰ ৰাজ্যপাল লালন প্ৰসাদ সিঙৰ মধ্যস্থতাত ১৯৬৭কেই বিদেশী চিনাক্তকৰণৰ সময়-সীমা ধৰি লৈ মীমাংসালৈ অহা হ'লে নেলীৰ দৰে ঘটনা নঘটিলহেঁতেন, আঠ শতাধিক ব্যক্তিক আমি হেৰুৱাব নালাগিলহেঁতেন, অসংখ্য পৰিয়ালে ওৰে জীৱনৰ সা-সম্পত্তি হেৰুৱাই হা-হুমুনিয়াহ কাঢ়িব নালাগিলহেঁতেন। তেনেবোৰ ঘটনাৰ যাতে পুণৰাবৃত্তি নঘটে তাৰ প্ৰতি আমি সচেতন হোৱা বাঞ্চনীয়; কিন্তু সেইবুলি শোষণ, বঞ্চনাৰ বিৰুদ্ধে যে আমি সংগ্ৰাম কৰিব নালাগিব সি নহয়; বৰং তেনে সংগ্ৰামক অতি পৱিত্ৰ জ্ঞান কৰাটোহে উচিত। অৱশ্যে সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ আগতে ভেটি সুদৃঢ় নহলে বিগত আন্দোলনৰ লেখীয়াই দশা হয়।

একবিংশ শতিকাৰ যুগসন্ধিত মানুহে নূন্যতম মানৱীয় প্ৰমূল্যবোধৰ নান্দনিক সৌন্দৰ্যকণ উপভোগ কৰিব নোৱাৰি মানুহ হৈছেগৈ মানুহৰ বাবে অন্তৰায় স্বৰূপ। আত্ম-সমালোচনা আৰু অধ্যয়নৰ অভাৱত মানুহ হৈ পৰিছে মানৱাকৃতিৰ লেখীয়া। যাৰ বাবে আজি সমাজৰ তৃণমূল পৰ্যায়ৰ পৰা গা কৰি উঠিছে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্বা আৰু সেইবিলাকৰ আত্মনিয়ন্ত্ৰণৰ বাবে কৰা গোষ্ঠীগত সংঘাত। এই কথা প্ৰণিধানযোগ্য যে এটা জাতিৰ চৰিত্ৰ নিৰ্ণয়ৰ ধ্বজা সদৃশ অৰ্থনৈতিক চিন্তা আৰু সংস্কৃতিৰ যেতিয়া সোলোক-ঢোলোক অৱস্থা হয়, তেতিয়াই জাতিটোৱে ক্ৰমোন্নতিৰ বিপৰীত স্বমৃত্যুৰ ক্ষণ গণিবলৈ আৰম্ভ কৰে। এটা কথা আজিৰ সমাজত প্ৰায়ে অনুভূত হৈ আহিছে যে, কোনো এটা গোষ্ঠীয়ে অৰ্থনৈতিকভাৱে সচ্ছল অৱস্থা পোৱাৰ কাষ চাপিলেই সহবাসী আন গোষ্ঠীবোৰে নিজকে হেৰুওৱাৰ সপোন দেখি উল্লেখিত স্বচ্ছল অৱস্থাৰ গোষ্ঠীটোৰ ওপৰত বিৰাগভাব পোষণ কৰি ক্ষোভিত হয়, আৰু বহুল প্ৰচাৰিত মানসিক ৰোগ "সম্প্ৰসাৰণবাদ"ৰ বাবে জেহাদ ঘোষণা কৰে। অসমৰ বাণিজ্যিক কেন্দ্ৰস্বৰূপ গুৱাহাটী ফাঁচীবজাৰৰ এটা অনা-অসমীয়া গোষ্ঠীয়ে বাণিজ্যৰ কৌশল খটাই নিজকে অৰ্থনৈতিকভাৱে স্বচ্ছল কৰাটো আজি সকলোৱে জ্ঞাত। কিন্তু সেই বুলিয়েই সমগ্ৰ অসমবাসীক হিন্দী সম্প্ৰসাৰণবাদে গ্ৰাস কৰি পেলাইছে বুলি ভবাটো আমাৰ মূৰ্খামিৰ বাহিৰে আন একো নহয়। আজি আমি আবেগিক ভাৱে পমুৱা প্ৰব্ৰজনকাৰীসকলক বহিস্কাৰ কৰিব লাগে বুলি ছয় বছৰ

নিস্ফল আন্দোলন কৰিলোঁ, কিন্তু সেই পমুৱা প্ৰব্ৰজনকাৰীসকলেই দৰং, কামৰূপ, বৰপেটা আৰু নগাওঁৰ অধিক আবাদী মাটিত সেউজফচল উৎপাদন কৰি কাম নকৰা অসমীয়াহঁতক শাক-শোকোতাৰে পুহি ৰাখিছে। এইকথা আমি ভুলতো এবাৰ ভাবি চাইছোঁনে? এই পৰম্পৰাৰ অৱসান ঘটাবলৈ সততে শোষিত আৰু অৱহেলিতৰ সপোন দেখি থকাসকলে নিজকে প্ৰতিযোগিতাৰ শাৰীত থিয় হবলৈ সক্ষম কৰিব পাৰিছেনে? অতি পৰিতাপৰ কথা যে অসমৰ কেতবোৰ যুৱকে চাহ বাগিচাত চাকৰি পালেও নকৰে, তেওঁলোকক নগৰত চাকৰি লাগে। এই লোকসকলৰ সামাজিক বৈষম্যৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ আছেনে? কেৱল ৰাজপথত থিয় হৈ বিদ্যালয়ৰ শ্ৰেণীবৰ্জন কৰিবলৈ আগবাঢ়িলে আমি উচ্চ মেধাশক্তি সম্পন্ন লোক হৈ নাযাওঁ। অসমৰ বৃহৎ জাতিসত্বা যিহেতু ক্ষুদ্ৰ ক্ষুদ্ৰ উপগোষ্টীৰে পৰিপুষ্ট সেয়েহে আমি প্ৰত্যেকেই পৰম্পৰৰ সংস্কৃতিক সন্মান জনাব লাগিব। অসমৰ ভূমিপুত্ৰ বড়োসকল আজি হীনমান্যতাত ভূগি কৈ আছিছে যে তেওঁলোক হেনো অসমীয়া সম্প্ৰসাৰণবাদৰ বলি হৈছে। এই কথা প্ৰকৃততে অৰ্থহীন। কাৰণ এইখন অসমৰে বাসিন্দা হৈ নিজৰ কৃষ্টি-সংস্কৃতিৰ বহুল প্ৰচাৰ কৰি আগবাঢ়িলেই জাতিটোৰ স্বকীয়তা ৰক্ষা পৰাৰ লগতে আত্মসন্মান অটুট ৰখাত সহায়ক হব। পৰিশেষত কওঁ, জাতিগত কিম্বা ধৰ্মীয় আবেগেৰে আপ্লুত হৈ ক্ষুদ্ৰ ক্ষুদ্ৰ চুবুৰী সদৃশ ৰাজ্য সৃষ্টি কৰিলেই আমি লাভবান নহওঁ। ভাৰতীয় ধৰ্মীয় ইতিহাসত শঙ্কৰাচাৰ্য, চৈতন্য, ৰামানুজন, নানক আৰু শঙ্কৰদেৱৰ দৰে মহামানৱসকলৰ কোনোজনেই ধৰ্মৰ ভিত্তিত, জাতৰ ভিত্তিত ৰাজ্যগঠনৰ পোষকতা কৰা নাছিল।

ভাৰতবৰ্ষৰ দৰে সমস্যাবহুল দেশ এখনৰ ছাত্ৰসকলৰ ভূমিকা কেনে হোৱা উচিত? ই এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। তদুপৰি ভাৰতবৰ্ষৰ প্ৰায়বোৰ সমস্যা ৰাজনীতিৰ লগত জড়িত। গতিকে এনেবোৰ সমস্যাৰ সমাধান কৰিবলৈ গ'লে ছাত্ৰসকল ৰাজনীতিতো প্ৰবেশ কৰিব লাগিব।

ৰাজনীতিত ছাত্ৰসকল জড়িত হোৱা উচিত নে অনুচিত এই প্ৰশ্নও আমাৰ মনত জাগে। সম্প্ৰতি ছাত্ৰসমাজত এক অৰাজকতাৰ সৃষ্টি হৈছে। সামান্য কথাতে বন্ধ, কৰ্মবিৰতি, শ্ৰেণী বৰ্জন, হৰতাল, মৌন সমদল আদিয়ে আমাৰ জাতীয় সমাজত প্ৰচুৰ ক্ষতি সাধন কৰিছে। ছাত্ৰ সমাজেও এইবোৰৰ পৰা নিস্কৃতি পোৱা নাই। সমাজৰ ৰৰমূৰীয়া, বুদ্ধিজীৱি, অভিভাৱক, ৰাজনৈতিক নেতা কোনেও ছাত্ৰ সমাজক এটা সঠিক পথ দেখুৱাবলৈ সক্ষম হোৱা নাই। কিদৰে বছৰটোত শ্ৰেণীবোৰ নিয়াৰিকৈ বহুৱাব পাৰি, ছাত্ৰছাত্ৰীসকলৰ পঢ়াৰ অভ্যাস কেনেকৈ গঢ়ি তুলিব পাৰি—এইবিলাক চিন্তা আমাৰ সমাজৰ ৰৰমূৰীয়াসকলৰ মনৰ পৰা নোহোৱা হৈছে। তেওঁলোকৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত নতুবা বাহিৰৰ প্ৰতিষ্ঠানত পঢ়ুৱাইছে, এতেকে সৰ্বসাধাৰণ ল'ৰা-ছোৱালীৰ বিষয়ে চিন্তা কৰাৰ অৱকাশ তেওঁলোকৰ ক'ত?

ভাৰতবৰ্ষৰ আন অংশৰ কথা বাদে অসমতো সত্তৰৰ দশকৰ পিছৰ পৰা শিক্ষাৰ পৰিবেশ ক্ৰমান্বয়ে নিম্নগামী হৈ আহিছে। বিভিন্ন সামাজিক, ৰাজনৈতিক ধুমুহাই ছাত্ৰসমাজক সামৰি লোৱাত ৰাজ্যখনত পঢ়া আৰু পঢ়োৱাৰ এটা অনুকূল বাতাৱৰণ আজি আৰু নাই। এয়া সচেতন মানুহৰ মনত সঁচাকৈয়ে দুঃচিন্তাৰ কাৰণ হৈ পৰিছে।

১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ এই সুদীৰ্ঘ ৬ বছৰ ধৰি চলা আন্দোলনে অসমৰ শিক্ষাজগতত প্ৰকৃতাৰ্থত এক মাৰাত্মক আঘাট হানিছে। যাৰ ফলস্বৰূপে আজিও অসমত শিক্ষাৰ এক সুস্থ পৰিবেশ গঢ়ি উঠা নাই। শিক্ষাজগতৰ জড়তা আৰু স্থবিৰতাৰ মূলতে আছে আমাৰ বন্ধ সংস্কৃতি, কৰ্মবিৰতি সংস্কৃতি। বছৰেকত কলেজবোৰত মাত্ৰ ৮০/৯০ দিনহে ক্লাচ হয়। প্ৰাথমিক; মজলীয়া বা উচ্চ মাধ্যমিক স্কুলসমূহৰ অৱস্থাও তথৈবচ। পঢ়োৱা আৰু পঢ়াৰ ধাউতি যেন আজি নাই।

দেশৰ এই পৰিস্থিতিত ছাত্ৰসকলৰ কিছু কৰণীয় আছে। ছাত্ৰসকলে ৰাষ্ট্ৰৰ স্বাৰ্থতহে ৰাজনীতিত জড়িত হৈ পৰা উচিত, কোনো দলীয় স্বাৰ্থত নহয়। দলীয় ৰাজনীতিৰ নিজস্ব সীমাবদ্ধতা আছে। ইয়াত জনসাধাৰণৰ স্বাৰ্থতকৈ সদায় দলৰ স্বাৰ্থক আগস্থান দিয়া হয়। আজি-কালি কোনো কোনো ৰাজনৈতিক দলে ৰাষ্ট্ৰৰ নিৰাপত্তাকো আওকান কৰা দেখা যায়। সেয়েহে ছাত্ৰসকল আৱেগৰ বশবৰ্তী নোহোৱাকৈ অযৌক্তিক কাৰ্যকলাপ, অতুৎসাহ আৰু অস্থিৰতাক প্ৰশ্ৰয় নিদিয়াকৈ ৰাষ্ট্ৰৰ কল্যাণৰ কামত নিজকে নিয়োগ কৰা উচিত।





# একৈশ শতিকাৰ দুৱাৰ দলিত উচ্ছৃংখল যুৱ মানসিকতা

গনদেৱ পাটোৱাৰী
স্নাতক ( কলা ), ২য় বৰ্ষ

বিশ্বৰ বিভিন্ন দেশৰ জাতিৰ ইতিহাস পৰ্যালোচনা কৰিলে এটা দিশ স্পষ্টকৈ দেখা পোৱা যায় যে জাতি এটাৰ ক্ৰমবিকাশত বহু পৰিমাণে যুৱ শক্তিৰ ভূমিকাই বিশেষ অৰিহণা যোগাই আহিছে। গতিকে এখন সমাজক সকলো দিশতে আগবঢ়াই নি উন্নতিৰ পথত উপস্থাপন কৰিবলৈ হ'লে সমাজখনৰ যুৱশক্তিৰ বহুত অৰিহণা তথা দায়িত্ব আছে। যুৱ শক্তিৰ অক্লান্ত চেষ্টাৰ ফলত একোএকোটা সময়ত একোটা জাতিয়ে নিজ অস্তিত্বৰ পূৰ্ণ বিকাশ কৰিব পাৰিছিল। সেয়েহে যুৱকসকলৰ সচেতনমুখী মনোভাৱে এখন সুস্থসবল সমাজ গঢ়িব পাৰে। কিন্তু সম্প্ৰতি আমাৰ যুৱসমাজ উচ্ছৃঙ্খল বুলি প্ৰায়ে আলোচনা-বিলোচনা কৰা দেখা গৈছে আৰু ইয়াৰ প্ৰমাণ হিচাপে সচৰাচৰ শিক্ষানুষ্ঠানত ছাত্ৰৰ অবাধ্যতা, নিচা জাতীয় দ্ৰব্য সেৱন, হত্যা, লুণ্ঠন, বিকৃত যৌন কামনা ইত্যাদিবোৰকে কৈ অহা দেখা গৈছে।

আজি একৈশ শতিকাৰ দুৱাৰ দলিত আমাৰ যুৱ সমাজৰ মাজতেই নিহিত আছে দেশ এখনৰ ভৱিষ্যত, সমগ্ৰ বিশ্ববাসীৰ ভৱিষ্যত। যুৱ সমাজৰ মাজত যি প্ৰচণ্ড শক্তি নিহিত হৈ আছে সেই শক্তি সঠিক দিশত প্ৰয়োগ হ'লেহে তেওঁলোকৰ পৰা সমাজে কিবা আশা কৰিব পাৰিব। কিন্তু তাৰেই যদি একাংশৰ নৈতিক চৰিত্ৰৰ অধঃপতন ঘটে তেন্তে যুৱ-শক্তিৰ সহযোগত গঢ়িব বিচৰা সমাজ এখনত প্ৰতিবন্ধকতাৰহে সৃষ্টি হব।

সাম্প্ৰতিক অশান্ত যুৱ মানসিকতাৰ বাবে পোনতেই আমি আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাটোক ঘাইকৈ দোষাৰোপ কৰিব পাৰোঁ। কাৰণ শিক্ষা ব্যৱস্থাটো সামাজিক ধ্যান-ধাৰণাৰ ফালৰ পৰা আৰু পদ্ধতিগত দৃষ্টিকোণৰ পৰা আসোঁৱাহমুক্ত নহয়। আনহাতে শিক্ষাই আনি দিয়া শিক্ষাভিমানী মানসিকতাই বৰ্তমানৰ যুৱকচামৰ মাজত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে আৰু ইয়ে যুৱকসকলক প্ৰকৃতাৰ্থত শক্তিহীন কৰি তুলিছে। ইয়াৰ বাহিৰেও শিক্ষা ব্যৱস্থাটো Experimental হৈ পৰাত যুৱকসকল নৈৰাশ্যত ভুগিছে।

শিক্ষাই হৈছে সামাজিক অগ্ৰগতিৰ এক অনন্য বুনিয়াদ। যদি শিক্ষাই এখন সমাজৰ জনসাধাৰণক আত্মনিৰ্ভৰশীল হিচাপে গঢ় দিব নোৱাৰে তেনেহলে সেই শিক্ষা ব্যৱস্থা মূল্যহীন। ইয়াৰোপৰি এই শিক্ষা ব্যৱস্থাই আমাৰ উঠি অহা যুৱকচামক সমাজৰ প্ৰকৃত কৰ্মমুখী নাগৰিক হিচাপে গঢ়ি তুলিবলৈ যত্নৱান হোৱা নাই। আৰ্থ-সামাজিক পৰিস্থিতিৰ সৈতে খাপখোৱাকৈ বৰ্তমান আমাৰ সমাজৰ বাবে প্ৰয়োজনীয় শিক্ষা ব্যৱস্থা যুগুত কৰা হোৱা নাই। কাৰিকৰী শিক্ষাৰ বাহিৰে অন্যান্য শিক্ষা পদ্ধতিবোৰত অনুশাসন তথা উপযুক্ত শিক্ষাৰ অভাৱত প্ৰায়ভাগ যুৱকক উচিত শিক্ষা দিব পৰা নাই। ইয়াৰ পৰিৱৰ্তে সময়ে সময়ে অতিৰিক্ত পাঠ্যক্ৰম তথা নতুন পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিয়ে ছাত্ৰ-ছাত্ৰীসকলক বিপাঙতহে পেলাইছে। ইয়াৰ বাহিৰেও পাঠ্যপুথিত থকা জ্ঞানখিনি আহৰণ কৰাটোৱেই শিক্ষা নহয়। প্ৰকৃততে

এনে শিক্ষাৰ প্ৰয়োজন, যি শিক্ষাৰে এটা সফল জীৱন-যাপন কৰিব পাৰি। এই ক্ষেত্ৰত আলফ্ৰেড হোৱাইট হেডৰ মন্তব্য এটাৰে আঙুলিয়াব পাৰি। তেওঁ কৈছিল, "জীৱন যিহেতু কৰ্মময়, পুথিগত জ্ঞানখিনি ভৱিষ্যত জীৱনৰ সহায়ক হবলৈ হ'লে জ্ঞানৰ লগতে আয়ত্ব কৰিব লাগিব জ্ঞানৰ প্ৰয়োগ কৌশল। জ্ঞানৰ প্ৰয়োগ কৌশল আয়ত্ব কৰাটোৱে শিক্ষা।" কিন্তু তুলনামূলক ভাৱে আজি আমাৰ শিক্ষা পদ্ধতিৰ মানদণ্ড যিদৰে নিম্নস্তৰৰ, তাৰ পিৰা উঠি অহা যুৱকচামে কিবা আয়ত্ব কৰিব পাৰিছে বুলি ভাবিব নোৱাৰি। সেয়েহে এচাম যুৱকে শিক্ষাৰ প্ৰতি উদাসীন হৈ উচ্ছৃঙ্খল হৈ পৰাটো দৃষ্টিগোচৰ হৈছে।

অসুস্থ মানসিকতা গঢ়ি তোলাত আমাৰ সমাজ ব্যৱস্থাও কম জগৰীয়া নহয়। আমাৰ সমাজে আজি নৈতিকতাৰ ক্ষেত্ৰত থকা দায়িত্ব পালন কৰাৰ বিপৰীতে বস্তুবাদৰ প্ৰতি তীব্ৰভাৱে আসক্ত হৈ পৰা দেখা গৈছে। চৌদিশে দুৰ্নীতি দেখিও আমাৰ সমাজে ইয়াৰ বিৰুদ্ধে কোনো কাৰ্যপন্থা হাতত লোৱা নাই, বৰঞ্চ প্ৰায় প্ৰতি-জন নাগৰিকে কম-বেছি পৰিমাণে নিজকে দুৰ্নীতিৰ সৈতে জড়িত কৰি পেলাইছে।

এটি সন্তানৰ মানসিক বিকাশত এখন আদৰ্শ ঘৰৰ অৱদান অপৰিসীম। কোনো এজন শিশু জন্মতে বেয়া চৰিত্ৰ লগত লৈ নাহে। এজন শিশু ক্ৰমাৎ ডাঙৰ হৈ অহাৰ লগে লগে যদি উচ্ছৃঙ্খল হবলৈ ধৰে তেন্তে তাৰ বাবে আমি ঘৰখনৰ আভিভাৱক তথা পৰিবেশক দায়ী কৰিব পাৰো ; যিহেতু অভিভাৱকৰ ব্যক্তিত্ব আৰু সামাজিক পৰিবেশৰ ওপৰত শিশুৰ চৰিত্ৰ বিকাশৰ কথাটো ওতঃপ্ৰোতভাৱে জড়িত।

উপযুক্ত নেতৃত্ব তথা আদৰ্শ পুৰুষৰ অভাৱ আজিৰ উচ্ছৃঙ্খল যুৱ মানসিকতাৰ আন এক কাৰণ হিচাপে লব পাৰি। যুৱকসকল এক সুস্থিৰ পথে আগবাঢ়ি যোৱাৰ বাবে প্ৰয়োজন হয় উপযুক্ত নেতৃত্বৰ। কিন্তু বৰ্তমান বিগত দিনৰ মহান পুৰুষসকলৰ আদৰ্শ সৰোগত কৰি যুৱকসকলক সু-নেতৃত্ব দিব পৰা কোনো লোক ওলাই অহা নাই।

সস্তীয়া হিন্দী ছবিবোৰেও সমাজত এক কু-প্ৰভাৱ পেলাইছে। ব্যৱসায়ৰ খাতিৰত এই ছবিবোৰে যুৱক-যুৱতীসকলৰ মাজত এক বিকৃত ৰুচিবোধৰ জন্ম দিছে। আগতে ছবিঘৰৰ সংখ্যা আছিল সীমিত আৰু ছবিবোৰো আছিল মাৰ্জিত ৰুচিবোধৰ। কিন্তু দিন যোৱাৰ লগে লগে ছবিঘৰৰ সংখ্যাও বাঢ়িল আৰু ছবিবোৰলৈও আম-দানি হ'ল যৌনতা, মাৰ-পিট, হত্যা, ধৰ্ষণ আদি বিভিন্ন বিভৎস উপাদান। ইয়াৰোপৰি 'ভিডিঅ'বোৰেও এচাম যুৱক-যুৱতীক উচ্ছৃঙ্খল কৰাত সহায় কৰিছে। এই Electronic মাধ্যমবিধ বৰ্তমান গাঁৱে-ভূঞে অতি জন-প্ৰিয় হৈ পৰা দেখা গৈছে আৰু ইয়াৰ সৈতে সংযোগ ঘটিছে 'ব্লু'ফিল্মৰ। বৰ্তমান অসমৰ প্ৰায় আটাইবোৰ কলেজ হোষ্টেলতে অবাধে প্ৰদৰ্শিত হয় এই ফিল্ম। এতিয়া আকৌ নতুনকৈ আগমন ঘটিছে "কেবল টিভি"ৰ। এই টিভিৰ জৰিয়তে প্ৰাশ্চাত্যৰ ভাল-বেয়া সকলো অনুষ্ঠান প্ৰদৰ্শিত হয়। ইয়াৰ ফলত আকৌ এচাম যুৱক যুৱতীয়ে ধ্বংসৰ মুখলৈ যে আগবাঢ়ি নৈযাব তাক ন দি ক'ব নোৱাৰি। নিচাযুক্ত দ্ৰব্যৰ প্ৰতি ক্ৰমে বৃদ্ধি হৈ অহা আসক্তিয়েও বহু যুৱক-যুৱতীক উচ্ছৃঙ্খল কৰি গঢ়ি তুলিছে। আজি ভাৰতবৰ্ষৰ প্ৰায় সকলোবোৰ ৰাজ্যই এই ভয়াবহ সমস্যাত জৰ্জৰিত হৈ পৰিছে। সম্প্ৰতি ভাৰতৰ 'ড্ৰাগছ' সেৱন-কাৰীসকলৰ ভিতৰত ত্ৰিশ শতাংশই হ'ল যুৱক-যুৱতী। দ্ৰুতগতিত বৃদ্ধি হোৱা কৰ্মসংস্থানৰ সমস্যাটোৱেও যুৱক-যুৱতীসকলক হতাশাগ্ৰস্ত কৰি তুলিছে। আজিৰ প্ৰায়ভাগ যুৱক-যুৱতীৰে ভৱিষ্যতৰ নিশ্চয়তা নোহোৱা হৈ পৰিছে। ফলত তেওঁলোকক নিৰাপত্তাহীনতাই জুমুৰি দি ধৰিছে।

ওপৰত যুৱ উচ্ছৃঙ্খলতাৰ বিভিন্ন কাৰকৰ বিষয়ে আলোচনা কৰা হ'ল। কিন্তু এইভাৱে কেৱল আলোচনা বিলোচনাতে আমাৰ সমাজৰ দায়িত্ব শেষ হৈ নাযায়। যুৱ সমাজক এই ভয়াবহতাৰ পৰা উদ্ধাৰ কৰিবলৈ আমি সমাজৰ সকলো স্তৰৰ মানুহে বিশেষকৈ আমাৰ অগ্ৰজ বিজ্ঞসকলে ইয়াৰ সমাধান কল্পে গুৰুত্ব সহকাৰে কাৰ্যপন্থা হাতত লোৱা উচিত। ●





# বহাগ বিহু আৰু বৈচাগী সমাৰ্থ

উমেশ দৈমাৰী
স্নাতক (কলা), ২য় বৰ্ষ

ঠেৰেঙা লগা শীতৰ পৰশত নগ্ন হোৱা প্ৰকৃতি বসন্তৰ আগমণত পুণৰ উদ্ভাসিত হৈ উঠে। বসন্ত কোঁৱৰৰ উষ্ম ওঁঠৰ পৰশত লাজুকী প্ৰকৃতি কুঁৱৰী পান্না ৰঙীয়া সাজযোৰ পৰিধান কৰি লাচ্যময়ী নাচ নাচে। মেঘ কন্যাৰ চকু ফালি বৈ আহে অশ্ৰুকণা। সেই অশ্ৰুকণাই প্ৰকৃতিৰ সুকোমল বুকু ধুই স্বচ্ছ আৰু নিৰ্মল কৰে। সুদূৰৰ পৰা ভাহি অহা কুলিৰ বুকুভগা মাতে চঞ্চল ডেকা-গাভৰুক এক অজান মায়াপুৰীলৈ লৈ যায়। এনে-কুৱা এক মধুৰ সময়তে পৃথিৱীৰ বিভিন্ন দেশত উদ্‌যাপিত হয় বসন্ত উৎসৱ। আমাৰ অসমতো ইয়াৰ ব্যতিক্ৰম নহয়। অসমৰ প্ৰায় প্ৰতিটো থলুৱা জনগোষ্ঠীয়ে তেওঁ-লোকৰ ব্যস্ত কৰ্মময় জীৱনৰ পৰা অব্যাহতি লৈ বসন্ত উৎসৱ বহাগ বিহুৰ আনন্দত মতলীয়া হৈ পৰে। বড়ো সমাজৰ বৈচাগু বা বৈচাগী উৎসৱো বিহুৰে নামান্তৰ মাথো।

বিষুৱ সংক্ৰান্তিত বিহু উৎসৱ উদ্‌যাপন কৰা বাবে 'বিষুৱ' শব্দৰ পৰাই 'বিহু'ৰ উৎপত্তি হোৱা বুলি বহুতে ধাৰণা কৰে। অন্যহাতে বড়ো ভাষাৰ 'বি-হু' শব্দৰ পৰাই 'বিহু' শব্দৰ উৎপত্তি হোৱা বুলিও কোৱা হয়। 'বি'—খোজা আৰু 'হু'—আঁজলি ভৰাই গ্ৰহণ কৰা। আকৌ টাই ভাষাৰ 'বৈহু'ৰ পৰাও "বিহু" শব্দৰ সৃষ্টি হোৱা বুলি অনুমান কৰিব পাৰি। 'বৈ'—পূজা আৰু 'হু'—গৰু, অৰ্থাৎ গৰু পূজা।

গৰু হিন্দু সমাজৰ এক পবিত্ৰ সম্পদ। অনাদি কালৰ পৰা ভাৰতত গৰুক দেৱতাৰ মান্যতা দি পূজা-অৰ্চনা কৰি অহা হৈছে। হিন্দু শাস্ত্ৰত গাই হৈছে ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্বৰ্গ প্ৰদানকাৰী। মহাভাৰতত গাইক 'সৰ্ব পাপ হৰণ শিৱম' বুলি বৰ্ণোৱা হৈছে। অসমীয়া সমাজত প্ৰচলিত প্ৰবচন মতে 'যাৰ নাই গৰু সি সবাতোকৈ সৰু।' সেই কাৰণে সাদিন জুৰি চলা বহাগ বিহুৰ প্ৰথম দিনটো গৰু বিহুৰূপে পালন কৰা হয়। সেইদিনা পুৱাতেই গৰুক পুখুৰী, নৈ, খাল, দোং আদিত গা ধুৱাই লাউ, বেঙেনা, হালধী, কেতুৰী আদি খুৱাই মাখিয়তী, দীঘলতি আদি পাতেৰে ৰিচি দি গাবলৈ ধৰে এক মংগলসূচক গীত—

লাউ খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু
তই হবি বৰ গৰু।

বড়ো সমাজতো তাৰ কিঞ্চিৎমান ব্যতিক্ৰম নহয়—

লাও জা, ফাঠাও জা
বাছৈৰ বাছৈৰে এৰ হাজা হাজা
বিমানি খিথেৰ বিফানি খিথেৰ
নোংছৌৰ যাগোন হালুৱা গিদেৰ।

গৰু বিহুৰ পিছদিনা মানুহ বিহু। অসমীয়া সমাজ তথা বড়ো সমাজ উভয়তে এই বিহুৰ দিনা প্ৰচলিত ৰীতি মতে মৰম জনাবলৈ বিহুৱান যচা, গোঁসাই ঘৰত নাম-কীৰ্তন কৰা আৰু জেষ্ঠজনক সেৱা কৰা হয়।

বিহু নাচ আৰু বৈচাগী নাচক সমাৰ্থ ৰূপত ব্যৱহাৰ কৰিলেও ইয়াৰ মাজত কিছুমান স্পষ্ট প্ৰভেদ আছে। তাৰ ভিতৰত নাচৰ ভঙ্গী, বাদ্যৰ ব্যৱহাৰ, গীতৰ ভাষা ইত্যাদিয়েই প্ৰধান। বিহু যৌৱনৰ উৎসৱ। বিহুনাচৰ প্ৰায় প্ৰতি ভঙ্গিমাতেই যৌনতা পৰিস্ফুট। কিন্তু বৈচাগী নাচত তেনে যৌন আবেদনসূচক নৃত্য পৰিলক্ষিত নহয়। বিহু নাচৰ এখন হাত কঁকালত থৈ, আনখন হাত খোপাতি

থৈ কঁকাল আৰু তলপেট অগা-পিছা কৰি যৌন উত্তেজনা প্ৰকাশক নৃত্য ভঙ্গিমা, হাতেৰে বুকু স্পৰ্শ কৰি কামুক ভঙ্গি প্ৰদৰ্শন কৰা, হাতৰ দুই পিঠি ওলোটাই ৰাখি মৈথুন ভঙ্গিত নচা ইত্যাদি বৈচাগী নাচত অচল। ইয়াৰ সলনি দুই ভৰি ইখনৰ পিছত সিখনকৈ লাহে লাহে ঢেঁকী দিয়াৰ দৰে ভঙ্গি, কঁকাল হলাই ফুলাম গামোচা কঁকালতেই মেলি ধৰি হাত দুখন অগা-পিছাকৈ বঠা কোবোৱাৰ দৰে ভঙ্গিমা, পোন হৈ দুই বাহুত গামোচা লৈ লাজুক অথচ খৰকৈ নচা ভঙ্গিমা ইত্যাদিহে বৈচাগী নাচত দেখা যায়।

বৈচাগী নাচত বৰ্তমান তবলা, হাৰমনিয়াম, মাৰ্কজ আদি ব্যৱহাৰ কৰা হয়। এয়া আধুনিকতাৰ প্ৰভাৱ। এই আধুনিক বাদ্যৰ প্ৰবেশ চলিত দশকৰ ষাঠিৰ দশক-মানৰ পৰা হোৱা বুলি ক'ব পাৰি। কিন্তু অতীতত চেৰজা, খাম, তাল, চিফুং, ঢোল আদিহে মুখ্য আছিল। কিন্তু এই প্ৰাচীন বাদ্যবোৰ বৰ্তমান স্থবিৰ প্ৰায়। কিন্তু বিহু নাচত বৰ্তমান সময়লৈকে কোনো পৰিবৰ্তন নোহোৱা-কৈয়ে ঢোল, তাল, চিফুং, গগনা, টকা আদি অতীতৰ বাদ্যবোৰ ব্যৱহৃত হৈ আহিছে।

বড়ো নাচনীবিলাকে পিন্ধনত আগেয়ে ভমকাফুলীয়া দখনা ব্যৱহাৰ কৰিছিল। কিন্তু সম্প্ৰতি 'যেল্‌নাং' গোৱালপৰীয়া বড়ো গাভৰুৰ লেখীয়া সাজ পৰিধান কৰে। পুৰুষ নাচনিৰ ক্ষেত্ৰত এখন সেউজীয়া গামোচা আৰু এটা বনিয়নেই যথেষ্ট। কিন্তু বিহু নাচনীবিলাকৰ ক্ষেত্ৰত সাজৰ তেনে পৰিবৰ্তন হোৱা নাই। আনহাতে ঢুলীয়া তালীয়াবিলাকে তাহানিৰ মুগা, পাট কাপোৰৰ চোলাৰ অনুকৰণত আজি-কালি মুগাৰঙীয়া কাপোৰে ৰে ফুটবল খেলাৰ জাৰ্চি সদৃশ একোটা চোলা পৰিধান কৰে। এয়া গুৱাহাটীৰ লাঞ্চ-ডিনাৰ খোৱা পৰিয়ালৰ পৰা অহা সংস্কৃতিৰ সেৰুকেইজনৰ অৱদান। আজি-কালি প্ৰাচীন আ-অলংকাৰবোৰ দুষ্প্ৰাপ্য হ'ল। সেয়েহে বিহু নাচনীয়ে এতিয়া নকল গামখাৰু, কেৰুমণি, থুৰীয়া, প্লাষ্টিকৰ কপৌ-ফুল পৰিধান কৰি বিহু নাচে।

এতিয়া বিহু আৰু বৈচাগী গীতৰ বিষয়ে কিছু আলোচনা কৰা হওঁক। বিহু গীতবোৰৰ যোগেদি ডেকা-গাভৰুৱে পৰস্পৰে পৰস্পৰক হৃদয়ৰ প্ৰেম-প্ৰীতি যাচে, এখন মনোৰম সংসাৰ গঢ়ি তোলাৰ সপোন দেখে। সমাজৰ কঠোৰ নিয়ম চূৰ্ণ-বিচূৰ্ণ কৰি পলুৱাই নি গান্ধৰ্ব্য বিবাহ কৰিবলৈও অকণো কুণ্ঠাবোধ নকৰে।

পলুৱাই নিলেহে ঐ
পুৰুষ বুলি ভাবিম তোক
লৰি যান তোৰ পাছে পাছে।

ঠিক তেনেদৰে বৈচাগী গীততো সেই একেই ভাব প্ৰকাশ হয়।

আগৈলৈ আগৈ
নাং বৌছা ৰুৱাথি,
আগৈ, আংবৌছা দাহীনা
ফৈ-থাংদীনি—
স্বানৈ জীং বাইজী বাইজী।

বৈচাগী নাচত বৰ্তমান তবলা, হাৰমনি-য়াম, মাৰ্কজ আদি ব্যৱহাৰ কৰা হয়। এয়া আধুনিকতাৰ প্ৰভাৱ। এই আধুনিক বাদ্যৰ প্ৰবেশ চলিত দশকৰ ষাঠিৰ দশক-মানৰ পৰা হোৱা বুলি ক'ব পাৰি।

ভাবাৰ্থ :—আহা মোৰ সোণজনী
তুমি বান্দী
মোয়ো বন্ধা
যাওঁ আমি দুয়ো
নিৰলে পলাই।

[ বন্ধা—নামনি অসমত চাকৰ বুজোৱা শব্দ ]

ঢোকা ৰখা বা থকা নিয়ম জন-জাতীয় সমাজত অতীতত সঘনাই পৰিলক্ষিত হৈছিল। 'ঢোকা' শব্দটো নামনি অসমৰ শব্দ। ইয়াৰ অৰ্থ হ'ল—ঘৰ জোৱাই। ই অনাৰ্যমূলীয় ৰীতি। বৰ্তমান ই সংস্কাৰৰ পথত। এই ৰীতি অসমীয়া হিন্দু সমাজতো পৰিলক্ষিত হয়



যদিও বিহু গীতত এই ৰীতিৰ উল্লেখ বৈচাগী গীতৰ দৰে হোৱা নাই। ইয়াৰ কাৰণ হিচাপে ক'ব পাৰি যে বড়ো সমাজৰ তুলনাত অসমীয়া হিন্দু সমাজত ঢোকা ৰখা ৰীতিক বেয়া দৃষ্টিৰে চোৱা হয়। ঢোকা থকা ব্যক্তি সমাজৰ উপলুঙাৰ পাত্ৰ।

ল'ৰা : ঐ আগৈ সোণচাৰী ছিখীলা'
থায়ী আং গীৰজিয়া
নামফায়া লাখিবীলা
আং জেলা নাংছিনিয়াও
গীৰ জিয়া থায়ীবীলা
গীম গীম হাল এওগীন
আংলায় খদাল জাওগীন।

ছোৱালী : আংবা গাইগীন আদা,
নৰেশ্বৰ জাংগেলা
খাৰ খৌলাই খাৰবীলাই
জীছা মায়ব্ৰা।

ভাবাৰ্থ :

ল'ৰা : ঐ মোৰ সোণচাৰী ( নাম ) গাভৰু
থাকোঁ মই ঢোকা
দেউতাৰাই ( যদি ) ৰাখে
ঢোকা থাকিম তোমালোকৰ তাত
ঢোকা থাকলে
হাল বাম নেৰানেপেৰাকৈ
কোৰ মাৰিম এ মোৰ জনী

ছোৱালী : মোয়ো ভুঁই ৰুম ককাই নৰেশ্বৰ
অ' চফল ডেকাটি
উতনুৱা হৈ ইফালে সিফালে
ৰুম জহা-বন্নি ( বৰাধান )।

প্ৰেম গাঁথাত কেৱল মিলনেই নাই বিৰহ-বিচ্ছেদো আছে। হাঁহি থাকিলে কান্দোন থাকিবই, মৰম থাকিলে কলহ বা দ্বন্দ্ব থাকিবই। ই সৃষ্টিৰ সনাতন নিয়ম। বিহু আৰু বৈচাগী উভয় গীততে ইয়াৰ প্ৰতিধ্বনি হৈছে। গীতৰ মাজেৰে প্ৰেমিক, প্ৰেমিকাই মান-অভিমান কৰে। কেতিয়াবা নিজৰ ৰিক্ত জীৱনটোৰ প্ৰতি হতাশাগ্ৰস্ত হৈ হা-হুমু-নিয়াহ কাঢ়ে। কি এনেবোৰ কৰোতে মাজে মাজে বৈচাগী গীতত ভাষাৰ নৈতিক সংযম স্খলিত পৰা যেন অনুমান হয়।

ছোৱালী : থগাইছুলা হৌৱা
নাংখৌলায় মান্না লিঙা।

ল'ৰা : মৈয়া লিংনায়ালাই মা মায়া ?
চালি বাওবাই নামা ?
চালি বাজাৰি।

ছোৱালী : দা বুংগ্ৰাং
দা এগ্ৰাং
নামাজাং গলথাই যাগীম।

ভাবাৰ্থ :

ছোৱালী : প্ৰতিশ্ৰুতি বিমুখ পুৰুষ
তোক কেতিয়া মাতিলো ?

ল'ৰা : কালি যে মাতিছিলি
চালি পাহৰিলিয়েই নেকি ?
ঐ চালি বজৰুৱা।
( চালি—গালি বুজোৱা শব্দ )

ছোৱালী : মোক নোজোকাবি
খোচা নামাৰিবি
মাৰই দিব গতিয়াই।

কিন্তু বিহুগীতত দ্ব্যৰ্থক ভাষা থাকিলেও ভাষাৰ সংযমতা পিছলা দেখা নাযায়।

আজি ৰুই গলোঁ কাচি ৰোৱা ডৰা
কোনে ফেনেকিয়ে গ'লি
খোজত চিনি পালোঁ মাতত বুজি পালোঁ
পাৰো কি সতেৰে গালি।

আকৌ সেই একেদৰেই অন্য এটি বিহুগীতৰ কলি উল্লেখ কৰিব পাৰোঁ—

কুকুৰা কুকুৰা অজাতি কুকুৰা
কি খাই বোলালি ঠোঁট,
ৰাতি নোপুৱাওতে কিয় ডাক দিলি
ধনে এৰি গ'ল মোক। ●

প্ৰসঙ্গ পুথি : বৈচাগী নৈচৈম মেঠাই—খনীন্দ্ৰ নাৰ্জী, বিহু জনকৃষ্টিৰ বৈশিষ্ট—অভয় বৰুৱা, অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি—নাহেন্দ্ৰ পাদুন।

# বৰ্তমান সামাজিক পটভূমিত জ্যোতিপ্ৰসাদৰ প্ৰাসঙ্গিকতা

বুলবুল বৈশ্য
উচ্চতৰ মাধ্যমিক ( কলা ) ২য় বৰ্ষ

আধুনিক অসমত এনে দুগৰাকী বৰেণ্য ব্যক্তিৰ জন্ম হৈছিল, যি দুগৰাকীৰ অবিহনে অসমীয়া সাহিত্য আৰু কলা-সংস্কৃতি আজিৰ অৱস্থা পাবলৈ আৰু বহুবছৰ লাগিলহেঁতেন। সেই দুগৰাকী ব্যক্তি হ'ল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। লক্ষ্মীনাথ যেনেকৈ আধুনিক অসমীয়া সাহিত্যৰ ধ্বজাবাহক, তেনেকৈ জ্যোতিপ্ৰসাদ আছিল আধুনিক অসমীয়া কলা-সংস্কৃতিৰ নৱজাগৰণৰ সূচনাকাৰী। যুগে যুগে সমাজৰ বিৱৰ্তন হয়। এই বিৱৰ্তনৰ লগেলগে এটা যুগৰ মতবাদ, ধৰণ-কৰণ পৰৱৰ্তী যুগত অচল হৈ পৰে। জ্যোতিপ্ৰসাদৰ মৃত্যু হবৰ আজি তিনিদশকৰো অধিক হ'ল। তথাপি আজিৰ পৰিবৰ্তিত সামাজিক পটভূমিতো তেওঁৰ সাহিত্য সাংস্কৃতিক কৰ্ম, মতবাদ আৰু জীৱন দৰ্শনৰ প্ৰাসঙ্গিকতা নিসন্দেহে বিতৰ্কৰ উৰ্দ্ধত। কিন্তু পূৰ্বপুৰুষৰ ত্যাগ আৰু সৃষ্টিৰ প্ৰাসঙ্গিকতা উত্তৰ পুৰুষৰ প্ৰমূল্যবোধৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰে।

জ্যোতিপ্ৰসাদ সৃষ্ট সমলৰাজি বিশ্লেষণ কৰিলে দেখা যায় যে যদিও তেওঁ কুৰিবছৰ বয়সত শোষণ-নিষ্পেষণৰ স্বৰূপ উপলব্ধি কৰি "সতীৰ সোঁৱৰণী" নামৰ গল্প লিখিছিল তথাপিও কৈশোৰ আৰু যৌৱনৰ আদি ভাগত তেওঁৰ সৃষ্টিক ৰোমান্টিকতাই গ্ৰাস কৰি ৰাখিছিল। কিন্তু সময়ে তেওঁৰ দৃষ্টি-ভঙ্গিৰ পৰিবৰ্তন ঘটাইছিল—"আৰুতো নিলিখো পদুম কলিৰ / কবিতা মই সখি / আৰুতো নেচাওঁ পদুম ফুলৰ / পাহিবোৰ লেখি লেখি / আজি মই গাম / বোকাত জহি যোৱা / মানুহৰ জয়গান / কঁপাই জনৰ প্ৰাণ।" তেওঁ আছিল আজীৱন সুকুমাৰ কলাৰ সাধক আৰু সুন্দৰৰ পূজাৰী। বয়স আৰু জ্ঞান বৃদ্ধিৰ লগেলগে তেওঁ সমাজৰ অন্যায়-অবিচাৰৰ স্বৰূপ বেছি ভালকৈ হৃদয়ঙ্গম কৰিব পাৰিছিল আৰু তেওঁৰ ৰোমান্টিক শিল্পীসত্বাই এক বিপ্লৱী ৰূপ পৰিগ্ৰহণ কৰি অধিক বাস্তৱতালৈ গতি কৰিছিল। তেওঁৰ নাটকেইখনৰ মাজতেই তেওঁৰ মানসিক উত্তৰণৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। কোমল বয়সৰ ৰোমান্টিক ভাব আৰু কল্পনাৰে চপ্‌চপীয়া হৈ থকা তেওঁৰ প্ৰথম নাট "শোণিত কুঁৱৰী" এটা পৌৰাণিক প্ৰেমৰ কাহিনী। আনহাতে শেষ নাট 'লভিতা' কিছুমান বাস্তৱ ঘটনাৰ টুকুৰা ; য'ত লেখকৰ বিপ্লৱী ৰূপটোৰ পূৰ্ণ প্ৰস্ফুটন ঘটিছে।

জ্যোতিৰ মতে, সমাজৰ হিতৰ বাবে বিপ্লৱ কৰিবই লাগিব ; কিন্তু এই বিপ্লৱ হ'ব লাগিব মানৱীয়তাৰ পৰিসীমাৰ ভিতৰত। তেওঁ আছিল ভাৰতীয় পৰম্পৰাৰ প্ৰতি গভীৰ বিশ্বাসী। ভাৰতীয় পৰম্পৰাই মানুহৰ আধ্যাত্মিক বিকাশৰ ওপৰত গুৰুত্ব দিছে। আধ্যাত্মিক বিকাশ হ'লেহে মানুহৰ সুকুমাৰ গুণৰাজি প্ৰতিভাত হয়, মানুহৰ উত্তৰণ হয় পশুৰ পৰা মানৱলৈ। সুন্দৰে পৃথিৱীৰ মলি-মামৰ ধুই নিকা কৰিব পাৰে। "সুন্দৰ যে ফুলাৰ মন্ত্ৰ।"

"মানুহ হৈছে সপোনক দিঠকলৈ পৰিণত কৰা শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্পীৰ সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনী। ইয়াক শিল্পীয়ে আজি নিখিল পৃথিৱীৰ শিল্পীয়ে মানুহক উপলব্ধি কৰাব লাগিব।" —এয়া আছিল জ্যোতিপ্ৰসাদৰ শিল্পতত্ব। মানুহৰ শিল্পীসত্বাটো জাগ্ৰত কৰি তেওঁ মানুহৰ পশু বৃত্তিবোৰ ধ্বংস কৰিব বিচাৰিছিল। সেয়েহে নাৰী অপহৰণকাৰী মণিমুগ্ধ কোঁৱৰৰ মনতো সংস্কৃতিৰ প্ৰভাৱত সু-বোধৰ সৃষ্টি হৈছে ( প্ৰসঙ্গ-ৰূপালীম নাট )। তেওঁ ভাবিছিল, সমাজলৈ শান্তি যুদ্ধৰে নহয়, সংস্কৃতিৰেহে আহিব। এই শান্তি আনয়নত শিল্পী সমাজৰ মহৎ ভূমিকা আছে। জেলৰ পৰা মুক্তি পাই জ্যোতিয়ে "জয়মতী" ছবিৰ কাম হাতত লোৱা দেখি বহু নেতাই তেওঁ ৰাজনীতিৰ জগতৰ পৰা মেলানি মগা বুলি সন্দেহ কৰিছিল। তেতিয়া জ্যোতিয়ে মন্তব্য কৰিছিল যে ৰাজনৈতিক নেতাসকলে শিল্পৰ সমাজ ৰূপান্তৰী শক্তিৰ কথা উপলব্ধি নকৰে। ঠিক তেনেকৈ নিগ্ৰো শিল্পী পল ৰবচনেও কৈছিল—"গীটাৰ এবিধ সামাজিক যন্ত্ৰ। গীটাৰৰ ঝংকাৰ এটাই সমাজক সলনি কৰিব পাৰে ড্ৰামৰ শব্দ এটাই জাতি এটাক ভবাই তুলিব পাৰে।"

এটা জাতিৰ সংকটৰ সময়ত নতুবা দেশ এখন সুশৃংখলিত ৰূপে পৰিচালনা কৰাত এজন ৰাজনৈতিক নেতাতকৈ এজন শিল্পীয়ে বেছি অৰিহণা যোগাব পাৰে। এজন ৰজাই নিৰ্মাণ কৰা দেশ এখন পলকতে ধ্বংস হব পাৰে ; কিন্তু শিল্পীয়ে নিৰ্মাণ কৰা দেশ চিৰস্থায়ী। শঙ্কৰদেৱে ভাগি-ছিগি উৰলি যোৱা অসমীয়া সমাজখন সংস্কৃতিৰ মাধ্যমেৰে পুণৰ্গঠন কৰিছিল। ভাষা আন্দোলনৰ সময়ত অম্বিকাগিৰি ৰায়চৌধাৰীয়ে গুৱাহাটীত অসমীয়া-বঙালী শিল্পীৰ দ্বাৰা নাটক মঞ্চস্থ কৰাই চহৰখনক সাম্প্ৰদায়িক অশান্তিৰ পৰা আঁতৰত ৰখাৰ প্ৰচেষ্টা হাতত লৈছিল। জ্যোতিয়ে আজীৱন শিল্পীৰ এই সমাজ গঠনৰ নৈতিক দায়িত্ব পালন কৰি গ'ল। তেওঁ আনকি কৈছিল যে শিল্পীয়ে চৰকাৰকো সমালোচনাৰ বাহিৰত থব নোৱাৰে। কিন্তু আজি আমি দেখিবলৈ পাইছোঁ চৰকাৰী উপঢৌকনৰ মোহত বহু শিল্পীয়ে ৰাজধানীত ভীৰ কৰিছে। প্ৰয়োজন হ'লে তেওঁলোকে বৃহত্তৰ জনগণৰ বিপক্ষে কথা কবলৈ বা কাম কৰিবলৈয়ো কুণ্ঠাবোধ নকৰে। এসময়ত শোষণ, নিষ্পেষণৰ বিৰুদ্ধে বৰ বৰ কথা কোৱা বহু শিল্পীয়ে চৰকাৰৰ মোহিনী সেন্দুৰ পিন্ধি ভভুৱা কুকুৰৰ দৰে চৰকাৰ বাহাদুৰৰ ভৰি চেলেকে।

জ্যোতিপ্ৰসাদৰ বহু লেখাত সাম্যবাদৰ প্ৰতি সহানুভূতি বা সমৰ্থন প্ৰদৰ্শন কৰা হৈছে। কিন্তু ৰাজনৈতিক ক্ষেত্ৰত তেওঁ আছিল এজন কংগ্ৰেছী। প্ৰকৃততে সাম্যবাদৰ প্ৰতি তেওঁ সিমান আগ্ৰহী নাছিল নতুবা এই বিষয়ে সু-সংহত জ্ঞান আহৰণ কৰিবলৈ তেওঁ অধ্যয়ন আদিও কৰা নাছিল। তথাপি মাজে সময়ে যে সাম্যবাদৰ বিষয়ে পঢ়া-শুনা কৰা নাছিল, তেনে নহয়। এবাৰ ক্ৰিষ্টোফাৰ কডৱেলে লিখা—The Studies In A Dyeing Culture আৰু Illution and Reality নামৰ

> মানুহৰ শিল্পীসত্বাটো জাগ্ৰত কৰি তেওঁ মানুহৰ পশু বৃত্তিবোৰ ধ্বংস কৰিব বিচাৰিছিল। সেয়েহে নাৰী অপহৰণকাৰী মনি মুগ্ধ কোঁৱৰৰ মনতো সংস্কৃতিৰ প্ৰভাৱত সু-বোধৰ সৃষ্টি হৈছে। তেওঁ ভাবিছিল, সমাজলৈ শান্তি যুদ্ধৰে নহয়, সংস্কৃতিৰেহে আহিব। এই শান্তি আনয়নত শিল্পী সমাজৰ মহৎ ভূমিকা আছে।

পুথি দুখন পঢ়ি জ্যোতিয়ে মন্তব্য কৰিছিল—"কিতাপ দুখনে মোক একেবাৰে জোকাৰি পেলাইছে। মোৰ চিন্তা-ভাবনাক বৰকৈ প্ৰভাৱিত কৰিছে।" তেওঁ লক্ষ্য কৰিছিল যে কংগ্ৰেছীসকলৰ দুৰ্নীতিৰ বিপৰীতে সাম্যবাদীসকল আছিল দৰিদ্ৰৰ বন্ধু। সেয়েহে "ঐতিহাসিক অন্যায়ৰ বিৰুদ্ধে পৃথিৱী জোৰা প্ৰতিৰোধ জগাই তোলা" সাম্যবাদীসকলক পুলিচী আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ নিজৰ ঘৰত লুকুৱাই ৰাখিছিল। ফলত তেওঁ পুলিচৰ জুলুম খাবলগীয়া হ'ল। আনহাতে সাম্যবাদীসকলৰ ওপৰত প্ৰতিশোধ-পৰায়ণ হৈ চৰকাৰে সাধাৰণ নিৰ্দোষী নাগৰিকৰ ওপৰত গণতান্ত্ৰিক চৰকাৰে অত্যাচাৰ চলাবলৈ আৰম্ভ কৰিলে। জ্যোতিয়ে চকু মুদি বহি নাথাকিল। তেওঁ লিখিলে—"ল'ৰা-তিৰোতা থকা এটা

জনতাৰ ওপৰত, দোষী-নিৰ্দোষী নিৰ্বিচাৰে এটা প্ৰতিহিংসাৰ অভিযান কৰাটো এটা বিভৎস অভ্যাস।" উল্লেখনীয় যে এই বিভৎস অভ্যাসৰ পৰা বৰ্তমানৰ চৰকাৰো আঁতৰত নহয়। সাম্প্ৰতিক অপাৰেচন ৰাইন' আৰু বজৰঙ্গই তাৰ নিকৃষ্টতম উদাহৰণ। স্বাধীন দেশৰ শাসকবৰ্গৰ অসততাত ক্ষোভিত হৈ জ্যোতিয়ে পিছলৈ কিছু পৰিমানে উগ্ৰবাদকো সমৰ্থন কৰিবলৈ লৈছিল। "লভিতা'ত নেতাজী সুভাষ বসুৱে এক গুৰুত্বপূৰ্ণ ভূমিকা লাভ কৰিছে। নাটখনৰ কেন্দ্ৰীয় চৰিত্ৰ লভিতাই কৈছে—"মই গান্ধীৰ বহীত নাম লিখোৱা নাই বাপেকে।" তেওঁৰ বৈপ্লৱিক দৃষ্টিভঙ্গিৰ এনেকুৱা পৰিবৰ্তন বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত অতি চিন্তনীয় বিষয়। আজি উগ্ৰপন্থীৰ উত্থানে সমগ্ৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলকে উত্তাল কৰি ৰাখিছে। উগ্ৰপন্থীৰ জন্মৰ আঁৰত বহু বেদনাদায়ক কাহিনী থাকে। সাধাৰণ প্ৰাপ্যখিনিৰ বাবেও অসমৰ ৰাইজ ৰাজপথলৈ ওলাই আহিবলগীয়া হয়। ফলত এচাম যুৱকে ক্ষোভিত হৈ অস্ত্ৰ হাতত তুলি লৈছে। চৰকাৰে এই গুৰুত্বপূৰ্ণ সমস্যাটোক এটা সাধাৰণ চোৰ-ডকাইতৰ সমস্যাৰ দৃষ্টিৰে চাইছে। কোনোবা ৰাইজে যদি উগ্ৰবাদী যুৱকসকলক সহানুভূতি দেখুৱাইছে তেন্তে তেওঁলোকৰ আশা-আকাংক্ষাক মষিমূৰ কৰি দিবলৈ তেওঁলোকৰ ওপৰতো চৰকাৰী বাহিনী মেলি দিয়া হৈছে! চৰকাৰে উপসৰ্গৰ চিকিৎসা কৰিব বিচাৰিছে, ৰোগৰ নহয়। তুঁহ জুইৰ ওপৰত ছাইৰ আৱৰণ থাকিলেও ভিতৰি উমি উমি জ্বলি থাকে। "পোহৰলৈ" শীৰ্ষক ভাষণত জ্যোতিয়ে কৈছে—"পাত্ৰাপাত্ৰ চাই আমি সত্যাগ্ৰহৰ অস্ত্ৰাগাৰৰ পৰাও অস্ত্ৰ আনিব লাগিব আৰু আৱশ্যক হ'লে আমি খাৰ-বাৰুদৰ কুঠৰীলৈকো যাব লাগিব।" বৰ্তমানৰ এই দুঃসময়ৰ সময়ত চৰকাৰী পক্ষই মানৱতাবাদী অহিংস এই পুৰুষগৰাকীৰ আশাভঙ্গৰ মৰ্মবেদনা উপলব্ধি কৰিব নোৱাৰিলে পৰিস্থিতি অনিয়ন্ত্ৰিত হৈ পৰিব। তেতিয়া সমগ্ৰ ৰাইজেই খাৰ বাৰুদৰ কুঠৰীলৈ গতি কৰিলেও দোষৰ ভাগী তেওঁলোকহে হ'ব।

১৯৪৯ চনত গণনাট্য সংঘৰ দ্বিতীয় অধিবেশন আৰু অসম শান্তি সন্মিলনৰ প্ৰথম ৰাজ্যিক সন্মিলন ডিব্ৰুগড়ৰ নালীয়াপুলত অনুষ্ঠিত হৈছিল। সভাস্থলীত গোট খোৱা প্ৰতিনিধি দৰ্শকৰ ওপৰত পুলিচী আক্ৰমণ চলিছিল। পুলিচৰ হাতত দুগৰাকী নাৰী মৃত্যুবৰণ কৰিছিল। তাৰ পিছতে গোটেই দেশ জুৰি চলিল পুলিচৰ গ্ৰেপ্তাৰ আৰু অত্যাচাৰ। জ্যোতিপ্ৰসাদ আছিল গণনাট্য সংঘৰ অসম শাখাৰ সভাপতি। শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ নালীয়াপুলত উপস্থিত থাকিব পৰা নাছিল। কিন্তু এই নৃশংস হত্যাকাণ্ড আৰু অত্যাচাৰৰ কথা তেওঁৰ কৰ্ণগোচৰ হোৱাৰ লগে লগে তেওঁৰ বিদ্ৰোহী মন নিশ্চুপ হৈ থাকিব নোৱাৰিলে। তেতিয়াই "নালীয়াপুলৰ বিপদ সংকেত" শীৰ্ষক ঐতিহাসিক বিবৃতিটো লিখি তেওঁ কাকতলৈ পঠালে। কিন্তু কোনো কাকতেই এই বিবৃতিটো চপোৱাৰ সাহস নকৰিলে; আনকি আগৰৱালা পৰিয়ালৰ "নতুন অসমীয়া" কাকতেও। আনহাতে এচাম তথাকথিত মগজুৰ সাম্যবাদীয়ে "সৰ্বহাৰাৰ সংস্কৃতি গঢ়ি তোলাৰ নামত চাহ বাগিচাৰ মালিক জ্যোতিপ্ৰসাদক গণনাট্য সংঘৰ সভাপতি পদৰ পৰা আঁতৰোৱাৰ অপচেষ্টা চলালে। কিন্তু চাহ বনুৱাৰ সৈতে ইমান নিবিড় সম্পৰ্ক গঢ়ি তোলা মালিক জ্যোতিত বাদে বোধহয় দ্বিতীয়জন নোলাব।

জ্যোতিপ্ৰসাদ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শ ৰাজিৰ দ্বাৰা গভীৰ ভাৱে প্ৰভাৱিত হৈছিল। সেই "মহা প্ৰতিভা'ক তেওঁ বিলাতৰ পৰা উভতি আহিহে চিনিব পাৰি আক্ষেপ কৰি লিখিছে—"পশ্চিমীয়া শিক্ষা পাই অহংকাৰত অন্ধলা হৈ ঘৰৰে সেই মহাপ্ৰতিভাক চিনি নাপাই ফুৰা মোৰ মনটোৰ সকলো অহংকাৰ সেইদিনা ধুলিসাৎ হৈ গ'ল।" এইজনা মহাপুৰুষৰ পৰাই জ্যোতিয়ে এখন জাত-পাত বিহীন অসমীয়া সমাজ গঢ়াৰ প্ৰেৰণা পাইছিল। শঙ্কৰদেৱৰ দৰে তেৰোঁ সংস্কৃতিক সমাজ গঢ়াৰ হাতীয়াৰ স্বৰূপে লৈছিল। "শিল্পীৰ পৃথিৱী"ত তেওঁ শংকৰদেৱৰ বিষয়ে লিখিছিল—"পৰ্বতীয়া ভাইসকলৰ সৈতে আমি সাংস্কৃতিক ঐক্য সূত্ৰেৰে কেনেকৈ বান্ধ খাই আমাৰ বহল অসমীয়া জীৱন ৰচনা কৰিব লাগিব তাকো কৈ গৈছে। আমাৰ ভিতৰত অস্পৃশ্যতাই কেনেকৈ খুলি খুলি খাই ধ্বংস কৰিব খোজা ব্যাধিৰ নিৰাকৰণৰ বাবে কি ব্যৱস্থা তেওঁ লৈছিল তাক নজনা কোনো নাই।" আজি পাঁচশ বছৰ আগতে অসমৰ বাবে, অসমীয়াৰ বাবে শঙ্কৰদেৱে যি কৰি গৈছিল, তাকে কৰিলে জ্যোতিপ্ৰসাদে মাথোন বিয়াল্লিশ বছৰীয়া জীৱন কালত। কিন্তু আজি কুৰি শতিকাৰ বিদায় বেলিকা আমি দেখিছোঁ কি? চৌদিশে কেৱল বিক্ষোভ, কেৱল বিক্ষোভ। বড়োসকলে অসমৰ পৰা আঁতৰি যাব ওলাইছে; কাৰ্বিসকলক স্বায়ত্ব শাসিত ৰাজ্য লাগে; কোনো দিনে নোহোৱা নোপোজা সাম্প্ৰদায়িক সংঘৰ্ষয়ো অসমক উত্তাল কৰি তুলিছে। বাবৰি মছজিদ ক্ষতিসাধন কৰা সংক্ৰান্তত অলপতে হৈ যোৱা হিন্দু-মুছলমানৰ সংঘৰ্ষৰ ক্ষেত্ৰত যিবোৰ ৰাজ্য শীৰ্ষত আছিল, তাৰ ভিতৰত অসমো অন্যতম। আমাৰ বাবে ই অতি পৰিতাপৰ বিষয়।

আজি অসমীয়া সংস্কৃতি অপ-সংস্কৃতিয়ে গ্ৰাস কৰি আহিছে। বেছিভাগ অসমীয়া শিক্ষিত ব্যক্তিৰ ৰুচিবোধ প্ৰাশ্চ্যাতামুখী। অসমীয়া লোক সংস্কৃতি পৃষ্ঠপোষকতাৰ অভাৱত ধ্বংসৰ মুখলৈ আগ বাঢ়িছে। ধ্ৰুপদীয় সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰও নিমাওমাও। জ্যোতিয়ে অসমীয়া সংস্কৃতিক কেৱল অসমীয়াকে নহয়, সমগ্ৰ বিশ্ববাসীকে চিনাকি কৰাই দিব বিচাৰিছিল। বিহুগীত, বনগীত, গৰখীয়া গীত, বিয়াগীত আদি লোকসঙ্গীত সমূহক তেওঁ বিশিষ্ট মৰ্যদা দিবলৈ সক্ষম হৈছিল। তেওঁৰ নিজৰ গীতসমূহৰ প্ৰায়ভাগৰে অসমৰ লোকসঙ্গীত আৰু ধ্ৰুপদী সঙ্গীতৰ ভিত্তিত সুৰাৰোপন কৰিছিল। অতীতৰ প্ৰতি, পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল জ্যোতিয়ে অতীতৰ পৰা যথেষ্ট সাংস্কৃতিক সমল গ্ৰহণ কৰিছিল। সেইবাবেই জ্যোতিপ্ৰসাদ আছিল অনন্য।

আজি আমি সাংস্কৃতিক সংকটেই নহয় মানৱতাৰ সংকটতো ভুগিছোঁ। এই সংকট দূৰ কৰিবলৈ প্ৰতিজন অসমীয়াই জ্যোতি-দৰ্শন উপলব্ধি কৰিব লাগিব, সামাজিক জীৱনত তাৰ সু-প্ৰয়োগো কৰিব লাগিব। ৰূপকোঁৱৰ অসমীয়া সমাজৰ বাসুদেৱ পুত্ৰ শ্ৰীকৃষ্ণ—যিখন হাতেৰে স্বৰ্ণবংশী বাই বৃন্দাবনত সুৰৰ নিজৰা বোৱায়; সেইখন হাতেৰেই ধৰ্মযুদ্ধ কুৰুক্ষেত্ৰত ঘোঁৰাৰ লেকাম ধৰি অৰ্জুনক পথ নিৰ্দেশনা দিয়ে।

জ্যোতিপ্ৰসাদে ৰাইজৰ পৰা তেওঁৰ সৃষ্টিৰ স্বীকৃতি বিচাৰিছিল। এবাৰ তেওঁক গণশিল্পী উপাধি দিয়াৰ কথা কওঁতে তেওঁ বৰ সুখী হৈছিল। বহু সময়ত তেওঁৰ সৃষ্টিৰ সঠিক মূল্যায়ণ কৰা নহ'ল বুলি তেওঁ আক্ষেপো কৰিছিল। সঁচা কথা ক'বলৈ হ'লে জ্যোতিয়ে জীৱন কালত সমাজৰ মৰম পাইছিল যদিও তেওঁলৈ উপযুক্ত স্বীকৃতি আগবঢ়োৱা নহ'ল। সেয়েহে আজি তেওঁৰ সাংস্কৃতিক মনটোৰ আৱেগবোৰক, আকাংক্ষাবোৰক বাস্তৱ ৰূপ দিয়াৰ প্ৰয়োজন হৈ পৰিছে। অন্যথা বিশ্ব ইতিহাসত আমি অসমীয়াবোৰ "কৃতঘ্ন" ৰূপে চিহ্নিত হৈ ৰম। ●

সহায়ক ৰচনা : জ্যোতিপ্ৰসাদ ৰচনাৱলী; প্ৰকাশ (জানুৱাৰী '৮২); জ্যোতিপ্ৰসাদৰ বিভিন্ন জীৱনীগ্ৰন্থ আৰু জীৱনীমূলক প্ৰবন্ধ।

তুমি নকবা, আজিৰ দিনৰ ডেকা বুলি, তোমাক নিজকে সেই বুলি ভুৱা নিদিবা।
যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে।
ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশৰ চলি থকা অন্যায় নিয়ম-কানুণ, মূৰ্খ সমাজৰ, সংকীৰ্ণ মনৰ মানুহৰ নিৰপৰাধী নিমাখিতৰ ওপৰত অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে নিজৰ সুখ-সম্পদ, আনকি জীৱনকো দি যি ডেকাৰ থিয় হ'বলৈ মনত বল নাই, বুকুত শক্তি নাই, সি আজিৰ ডেকা হ'বই নোৱাৰে। বুঢ়া ককা? মোৰ এই ঠাইত আৰু ঠাই নাই। মই এতিয়া অস্পৃশ্য, মই এতিয়া যাওঁ। গোলাপ, মোৰ বাবে তুমি মূৰ ঘমাব নালাগে।

(লভিতা : জ্যোতিপ্ৰসাদ আগৰৱালা)

# কবিতা

ঋতুৰাজ কলিতা
প্ৰাক্তন ছাত্ৰ

তাৰ পিছত নদীয়ে ক'লে হতাশ নহ'বা
জোনৰ স'তে নিয়ণৰ বৰযুণৰ স'তে পথাৰৰ
আৰু শব্দৰ স'তে হোৱা পোহৰৰ সংঘাতে
প্ৰচুৰ সম্ভৱনা কঢ়িয়াই আনিব

মই বোলোঁ মন গ'লেই চোন থিয় দিওঁ তোমাৰ মোহনাত
পোত যাওঁ ক্ৰমাৎ ডিঙিলৈ' আনে গমেই নাপায়
মন গ'লেই চোন সুযোগ লওঁ তোমাৰ চকুত
য'ত মগজুৱে কবিতাৰে ভোক গুচায়

উচাৎ মাৰি নদীয়ে ক'লে পাগল কৰবাৰ
প্ৰেমৰ চহকী দিনবোৰৰ বালি চাপৰিত
উদং পতাৰে চাৰিখন ভৰি
দেও দি ফুৰিছিল মনত নাই তোমাৰ

মই বোলোঁ মৃত্যুও যায় সহানুভূতি বিচাৰি তোমাৰ কাষলৈ'
তুমিতো বিলাপ নকৰা বৈ যোৱা নিৰৱে
এনেও আজিকালি ৰতাহতো আহে বেদনা বোধ
আৰু এইবাৰ তোমাৰ চকুতে দেখোন
পানীৰ সলনি তেজৰ সোঁত

নদীয়ে ক'লে নাহিবা আৰু নামাতিবা মোক
যিকোনো উপায়ে চমুৱাই আনিম সন্মুখৰ বাট
মানুহৰ আঘাত খুবেই নিৰ্মম আৰু
আৰু তুমি না কৰিলেও কবিতায়ে মোৰ আকালৰ ভাত

মই বোলোঁ মন গ'লেই চোন .... .... .... ।

# নীলকণ্ঠ কবিতা

উমেশ বড়ো
প্ৰাক্তন ছাত্ৰ

কোম্পানীৰ ভদ্ৰলোকজন চিনাকি
সেয়ে সুধিলোঁ, "কবিতা ভাল পোৱা?"
ক'লে—"শূন্যতা মোৰ পছন্দ নহয়।"

শাকনিত, ৰেচনৰ দোকানত
অথবা মাছৰ বজাৰত লগপাই
সুধিলোঁ মানুহজনক,
"কবিতা লিখিছানে কেতিয়াবা?"
ক'লে, "সময় নাই।"

ৰেষ্টুৰাঁ, চিনেমা, পাৰ্কলৈ ব্যস্ত
আধুনিকাজনীক সুধিলোঁ,
"কবিতা ভাল পোৱানে?"
তপৰাই ক'লে, "ফুল, জোনৰ কবিতাহে।"

গাঁৱৰে পঢ়াশালিত ব্যস্ত এজনক সুধিলোঁ,
"কবিতা বুলিলে কি বুজা?"
ক'লে, "নীলকণ্ঠ হওঁক মানুহৰ কবিতা।"





# সংগ্ৰাম

খালেক উজ জামান
স্নাতক ( কলা ) ২য় বৰ্ষ

জীৱন মানে যদি সংগ্ৰাম
সেই সংগ্ৰামত যদি ভাহি যায়
কলিজাৰ কেঁচা তেজবোৰ
তেজবোৰ যদি বৈ যায়
ক'ৰবাৰ মহাসাগৰলৈ
সেই মহাসাগৰত যদি মিলি হয়
অন্ন বস্ত্ৰহীন শ্ৰমিকৰ মলিন দেহ
তেন্তে মোৰ জীৱন হওঁক
সংগ্ৰামেৰে ভৰা।

# মোৰ মৃত্যু হোৱা নাই

কমল নাৰায়ণ দাস
স্নাতক ( কলা ) ১ম বৰ্ষ

মোক স্মৰণ নকৰিলেই যে
মোৰ মৃত্যু হ'ল তুমি নেভাবিবা।
প্ৰতিটো ক্ষণতে মোৰ মনে তোমাকে বিচাৰে
মোৰ আত্মা সজাগ হৈ উঠে
তোমাক জগাবলৈ
নেভাবিবা যে মোৰ মৃত্যু হ'ল।

মই অনুভৱ কৰিছোঁ
তুমি যেন উল্লাসিত হৈছা!
কিহঁৰ বাবে এই আনন্দ?

তুমি আকৌ সেই একেটা ভুলেই কৰিলা
তথাপি মই যাওঁ তোমাৰ কাষলৈ
আৰু কবলৈ যে
মোৰ মৃত্যু হোৱা নাই।

# শিল্পীৰ বেদনা ভৰা কাহিনী

ৰমেশ ওৱাৰী
প্ৰাক্তন ছাত্ৰ

নিঃশেষৰ শেষ পোহৰকণ মুখত লাগিয়েই আছিল
কেনভাচখনত ক'লা ৰং তিৰবিৰাইছিল
মানুহজনৰ চকুত শূণ্যতা।
তুমি অন্ধ নেকি?
জীৱনৰ ৰং কেনেকুৱা?
ভীৰ ঠেলি ঠেলি শয্যাগত যৌৱন
নিঃশেষৰ শেষ পোহৰকণ?

বিজ্ঞাপনৰ দৰে কোনোবা মূক ছবি
মহাশূণ্যতানে বেদনা নে ভিক্ষাৰীৰ প্ৰমোচন
হৃদয়ৰ এক্সৰে
জীৱনৰ শেষৰখন চিত্ৰ পোহৰৰ নে এন্ধাৰৰ!

এজন পৃষ্ঠপোষকেও ভাল উত্তৰ নিদিয়ে
চিত্ৰৰ ৰং বিচিত্ৰ তেজ!
দুৰ্ভাগ্য কেৱল সেইসকলৰ
বিসকলে বুকু ডাঠ কৰি পৃষ্ঠপোষকতা কৰা নাই
শেষৰখন চিত্ৰৰ ৰং কেনেকুৱা হব।

পিঞ্জৰাত বন্দী মন যেতিয়া জাগৰিত
কেনভাচখনত এলানি পোহৰৰ স্বাগত
তেতিয়া মই মৃত্যু অৱশেষৰ
ধাৰাবাহিক স্বৰ্ণ আভা।

## হেৰোৱা ফাগুন

বিনীতা ডেকা
স্নাতক ( কলা ) ২য় বৰ্ষ

নিবিড় জোনাক ৰাতি
উমি উমি জ্বলে স্মৃতিৰ জুই
মলয়াৰ মৃদু গতিত
সি এক অলব্ধ প্ৰত্যয়
যৌৱন খোদিত দৃষ্টিত জীৱন জিলিকে
নীলাভ সাগৰত সপোন সাঁতোৰে।

সিপাৰতে শিলৰ ফাকত
লুকুৱাই থলোঁ চকুপানীবোৰ
আৰু তাতে লিখিম মোৰ জীৱনৰ এপিটাফ
"জীৱন এক কঠিন শিলালিপি।"

জোনাক ৰাতিৰ সপোনৰ স্নিগ্ধতাত
বিচাৰিছোঁ মোৰ সত্বাক
নিসঙ্গতাৰ স'তে।

মলয়াৰ গতিত অনুভৱ কৰিছোঁ
নিৰ্জন ৰাতিৰ নিৰৱতা
জীৱনৰ কোনোবাখিনিত
এৰি থৈ আহিলোঁ
হৃদয়ৰ ইকুল সিকুল
জীৱনৰ সোণোৱালী সপোন॥

## বুকুত এদোণ ধান বনাৰ শব্দ

ৰুহুল আমিন
স্নাতক ( কলা ) ২য় বৰ্ষ

বুকুত এদোণ ধান বনাৰ শব্দ
তথাপি মই থিৰেৰে আছোঁ
তোমাৰ ৰূপৰ জোৱাৰ দেখি
শব্দপুঞ্জ মোৰ বুকুৰ ধপধপনিত
তুঁহগুৰি হৈ উৰি যায় বসন্তত

বুকুত এদোণ ধান বনাৰ শব্দ
মৃত্যুৰ আগলৈ থাকক
অন্ততঃ এটা জীৱনৰ বাবে

কেতিয়াবা আকাশলৈ চাওঁ
সোধোঁ এয়া কিহঁৰ বাবে
শিলাস্তূপত মূৰ খুন্দিয়াই কওঁনে
মই থিৰেৰে আছোঁ

বুকুত এদোণ ধান বনাৰ শব্দ
ঘনাই উচপ খাই উঠোঁ
টোপনিতো শুনোঁ ঢেঁকীৰ মাত।

বুকুত এদোণ ধান বনাৰ শব্দ
তথাপিও সাগৰৰ, আকাশৰ
বিশালতাখিনি
উজাৰি দিবৰ মন

মই থিৰেৰে আছোঁ
মাথো তোমাৰ ৰূপৰ বাবে





## ছিৰঞ্জ'মায়েলিয়া

ভাস্কৰ কলিতা
প্ৰাক্তন ছাত্ৰ

বন্দী বিহঙ্গই আকাশখনক বহু বিশ্বাসেৰে
গুপুত কথা কোৱাৰ দিন ধৰি
টিউলিপ বাগিছাৰ কুঁহিপাতবোৰে
চকু মেলি পূৱালীৰ ৰ'দত আমনজিমনকৈ ৰৈ থাকে
সন্ধ্যা কোঁহাল লগোৱা চৰাইজাকে কুঁহিপাতবোৰক
দিনান্তৰ কথা কয়
বিশ্বাস-অবিশ্বাসৰ স'চা জীৱনৰ
বিধিলিপি লিখাৰ দিন ধৰি
ভেৰণীয়া শ্ৰমিকৰ মুখাৱয়ৱত কঠোৰ ভবিষ্যত
বুকু বান্ধত হৃদয় উদ্ভাসিত
মাজৰাতি টিউলিপ বাগিছাৰ পঁজাত
প্ৰেমভঙ্গুৰ দুপৰীয়াৰ আমেজ
বন্দী বিহঙ্গই আকাশখনক বহু বিশ্বাসেৰে
গুপুত কথা কোৱাৰ দিন ধৰি
প্ৰহৰীৰ জড়তাগ্ৰস্থ কণ্ঠ ৰিণিকি ৰিণিকি বাজে
সাৰে থাকে দালানৰ মাজৰাতি
ওভতা চাৰনীৰে টিটিকি পৰা
বেদনাক্লিষ্ট মন
ঘনচিৰিকাৰ আটোম টোকাৰি বাহৰ শান্তিত
শুই শুই ভাগৰি পৰে
উদয়াস্তৰ বুকুত ছিৰঞ্জ'মায়েলিয়া
শেষ সন্ধ্যাও কাউৰীয়ে ঠোঁট বুলায়
কৱৰস্থ মাংসপিণ্ডল জ্যামিতিক অতীতত
ভেৰণীয়া শ্ৰমিকৰ কৰ্মঠ হাতে
পূৱালীৰ ৰ'দত উদঙায় বুকু গৰ্ভৰ তেজোদীপ্ত কলিজা
বন্দী বিহঙ্গই আকাশখনক বহু বিশ্বাসেৰে
গুপুত কথা কোৱাৰ দিন ধৰি
টিউলিপ বাগিছাৰ কুঁহিপাতবোৰক
সন্ধ্যা চৰাইজাকে বেঢ়ি ধৰি
গভীৰ বিশ্বাসেৰে দিনান্তৰ সমস্ত কথা বিৰৰি কয়

( ছিৰঞ্জ'মায়েলিয়া-ৰাজহাড়ৰ মাজেৰে স্পৰ্শৰ অনুভূতি যাব নোৱাৰা মানুহৰ এবিধ মাৰাত্মক অসুখ )

## নিজৰ মাজত সি

হেমন্ত কুমাৰ নাথ
স্নাতক ( বিজ্ঞান ) ১ম বৰ্ষ

জীৱন গীটাৰত
ব্যৰ্থতাৰ সুৰ বাজিলে
দৰ্শক বিহীন ভুৱন মঞ্চত
নিজে নিজৰ শ্ৰোতা হয়
তথাপি সি সুৰবোৰ
শূন্যত বিলীন হব নিদিয়ে।

কলমৰ আগেৰে নিগৰি অহা
জীৱনৰ কবিতাবোৰ
উকা কাগজৰ এপিঠিত বান্ধি থয়
তথাপি সি কবিতাবোৰ
হিয়াতে জহিবলৈ নিদিয়ে।

নোপোৱাৰ মাজত আনন্দ বিচাৰিলে
হতাশাৰে ভৰা গানবোৰ ওলাই আহে
অকলশৰীয়া জীৱনে সেইবোৰে গায়
তথাপি সি গানবোৰ
মৰিবলৈ নিদিয়ে।

সি নিবিচাৰে
স্বাৰ্থান্বেষী সমাজৰ
আভুৱা ভৰা মৰম
কাৰণ সি জানে
নিজৰ মাজতে সি।

# মোৰ ঠিকনা

সুবোধ চন্দ্ৰ নাথ
স্নাতক ( কলা ), ১ম বৰ্ষ

খামটো খুলিলেই
মোৰ ঠিকনাটো পাবা
প্ৰাচীৰখন নেওচি
চৰাইজাক উৰি আহিলে
খামটো চাবা।

কাৰণ
মোৰ হাতৰ শিকলিতেই
আটক হয়
অশ্বমেধ যজ্ঞৰ ঘোঁৰা
আৰু চন্দ্ৰবীৰোৰ।

এতিয়া য'তেই মোৰ
বিপ্লৱী সত্তা
ত'তেই কুৰি শতিকাৰ
ৰজাৰ ভগ্ন সিংহাসন।

মোৰ খামটো
অকালৰ এটা ৰঙা পখিলা
য'ত আছে
মোৰ নামহীন ঠিকনা।

# ৰাতিৰ কবিতা

হেমন্ত কলিতা
স্নাতক ( কলা ), ১ম বৰ্ষ

বন্ধু, এই পাহ ফুল বাটতে শুকাল
আনিছিলোঁ তোমালৈ বুলি
নাম কি নাজানোঁ তাৰ, পাপৰিত যাৰ
অনেক ৰাতিৰ স্বপ্ন আছিল মিহলি।

মোৰ ফুলনিৰ পৰা তোমাৰ খিৰিকিলৈ
অনেক ৰেলৰ ষ্টেচন, অনেক পথাৰ
তোমাৰ স'তে ক্ষীণ যোগাযোগ, এমুঠি মাথো
বিজুলী তাঁৰ—অন্তহীন কল্পনাৰ।

বাটত আহোতে বন্ধু, মনত পৰিল আজি
বহুতো সন্ধ্যা:
সেইবোৰ যেন বহু সাধু নোকোৱা কথাৰ
অৰ্থহীন, জীৱনৰ স'তে নাই অকণো সম্বন্ধ তাৰ।

বন্ধুহীন বন্ধুৰ পথেৰে ঘৰমুৱা হৈ ভাবিছোঁ তাকেই
খৰস্ৰোতা কত নদী, উপনদী, কতনা বন্দৰ পাৰ হৈ
জীৱনৰ পানচৈ
বিচাৰি ফুৰিছে মাথো উপকূল।





# আত্মকথা

নুৰুল আমিন
স্নাতক ( কলা ), ৩য় বৰ্ষ

( এক )
ডুব মাৰি গভীৰতা জুখিলোঁ
হাতত লাগি আহিল শামুক
শামুক ভাঙি মাণিক উলিয়ায়
জীৱনটো ঠিক তেনেকুৱাই
( দুই )
বহাগেই হওঁক
ফাগুনেই হওঁক
সুগন্ধিয়েই হওঁক
দুৰ্গন্ধিয়েই হওঁক
হুচকুত ওলমি থকা ৰাতিবোৰ খুবেই স্বচ্ছ
তাৰ মাজেৰে ইটো-সিটো ৰঙৰ সংঘাত দেখি
কাচিং শেতেলীলৈ উভতি আহিলেই
ওচৰত লাখুটিৰ খুবেই প্ৰয়োজন
( তিনি )
পোতাশাল মোৰ তেজৰ তল
তাৰ তলত ভাস্কৰ্যই নে কংকাল
প্ৰতিবাৰেই সমাধিস্থ হয়
একোটি প্ৰিয় সম্বল
জীৱন জানো সুনীল সাগৰ
সেউজীয়া প্ৰশান্ত পথাৰ
গজে জানো তাত কেতিয়াবা
কংকালৰ পৰা ফচল কিবা
( চাৰি )
পাঁচ বছৰীয়া ভতিজাটিকহে ক'ব পাৰি
বাৰী পিছৰ বাঁহডাল বগাই তৰাটি পায়
নিজকে কৈ হাঁহিব পাৰি
আগটো পালেই বুঢ়া বোপাইৰ দৰে হালি যায়
সংগোপনে হাঁহিলেও যে চকুলো ওলায়
ক'বলৈ কথা নাই শাহু আইকে সুধিলোঁ
আপোনাৰ বিয়া হ'লনে আই
বৰলোকৰ কথাবোৰো ঠিক তেনেকুৱাই

# দুটি স্তবক

কবিন দাস
স্নাতক ( কলা ), ২য় বৰ্ষ



(এক)
অপ্ৰত্যাশিত সময়ৰ প্ৰতীক্ষাৰ
এটা সীমা আছে।
পৰিধি ভাগি
উদ্বেগৰ জোলোঙা পাতিলেই
পৃথিৱী প্ৰেমৰ
দুৱাৰ খোলে।
বেদনাৰ অস্ফুট ঝংকাৰত
জীৱনে পৃথিৱীৰ স'তে
প্ৰেম কৰে।
স্মৃতিবিহীন
ঋতুৰ মাধুৰ্যত
হৃদয়ৰ স্খলন ঘটে।
তেনেকৈয়ে
পৃথিৱী প্ৰেমৰ দুৱাৰত
কোমল জোনাকে
টোকৰ মাৰে।

(দুই)
নৈৰ পলসত সৰে
বাঁহীৰ জোলা-জুলি তেজ

গোটা মাৰি ৰয় দিনৰ আকাশ

ওভটনি পথত
পলসে পলসে কহুৱা নাচে

তেনেকৈয়ে
গভীৰতা মাৰ যায়
আৰু কহুৱাই ঢাকে নৈৰ বুকু।

ইয়াৰ মাজতে মোৰ বিপ্লৱৰ অৰ্থ বিচাৰি পালোঁ; মোৰ আত্মাৰ মুক্তি বিচাৰি পালোঁ।



# নৈসৰ্গৰ নিয়ৰে ধোৱা এটি জেউতি পাত

মনোৱাৰা ইয়াচমিন
স্নাতক ( কলা ), ২য় বৰ্ষ

দুপৰীয়া প্ৰেচক্লাবত অনুষ্ঠিত মিটিংখনৰ পৰা আহিয়ে মই বিচনাত পৰিলোঁ। বাহিৰৰ টংটঙীয়া ৰ'দ-জাকৰ পৰা আহি ৰুমত সোমোৱাৰ লগে লগে শীতল পৰা যেন লাগিল। প্ৰথমে এনেয়ে বাগৰি আছিলোঁ। কেতিয়া যে টোপনি আহিল ক'বই নোৱাৰিলোঁ। সাৰ পাই খিৰিকিখনেৰে বাহিৰলৈ জুমি চাই দেখোঁ—মাদ্ৰাজৰ পশ্চিম আকাশত সুৰুযটো ডুব যাব খুজিছে। জাপমাৰি বিচনাৰ পৰা নামি একেকোবেই বাথৰুম পালোঁগৈ। ততাতয়াকৈ হাত-মুখ ধুই, কাপোৰসাজ সলাই চুলিখিনি অলপ আঁচুৰি ৰাস্তাত ভৰি দিলোঁহি।

গ্ৰীষ্ম কালৰ সন্ধিয়া। গোটেই ৰাস্তাটো সান্ধ্য-ভ্ৰমণৰত মানুহেৰে ভৰি পৰিছে। ইফালৰ পৰা সিফাললৈ মানুহ, কেৱল মানুহ। সকলো ব্যস্ত। সকলো গৈ আছে কোনো ৰোৱা নাই ক'তো। সীমাহীন ব্যস্ততাৰে পৰিপূৰ্ণ চৌদিশ। সদায়ে ভাল লাগে মোৰ এই ব্যস্ততা চাই মানুহবোৰৰ উচ্ছল জাৱনবোৰ দেখি ভাল লাগে। ভাল লাগে এই জীৱনৰ গতিশীলতা দেখি য'ত অকণো জড়ত্ব নাই। দিনটোৰ নানা কৰ্মব্যস্ততাৰ অন্তত অকণমান সজীৱতাৰ বাবে মানুহবোৰ মুকলিলৈ ওলাই আহে। প্ৰায়ে দেখিছোঁ—ইয়াৰ মানুহবোৰ সাগৰ পাৰলৈ ওলাই আহে। প্ৰকৃতিৰ বিনন্দীয়া সজীৱতাৰ মাজত কোনো মানুহ যন্ত্ৰ হব নিবিচাৰে। যান্ত্ৰিক জীৱনৰ ব্যস্ততাৰ মাজতো অকণমান সুৰুঙা বিচাৰি জীৱনক উপলব্ধি কৰিব বিচাৰে। মাদ্ৰাজলৈ আহি ময়ো ইয়াৰ স'তে মিলি যাবলৈ চেষ্টা কৰিছোঁ। প্ৰথমতে সংকোচ লগা বহু কথাই মোৰ বাবে আজি-কালি সহজ হৈ পৰিছে। মানুহবোৰ এনেকুৱাই কিজানি। য'তেই যি পৰিবেশ নহওঁক, কিছুদিন অনভ্যস্ততা, সংকোচৰ মাজত থাকি লাহে লাহে সেই পৰিবেশৰ দাস হৈ পৰে। প্ৰথমতে নিজকে বৰ অকলশৰীয়া যেন লাগিছিল। আজি-কালি তেনেকুৱা নেলাগে। যদিও ইয়াত বন্ধু-বান্ধৱী এতিয়াও যথেষ্ট কম, তথাপি তেওঁ লোকৰ মাজত থাকি অসমৰ পৰা আঁতৰি থকাৰ দুখটো পাহৰি যাব পাৰিছোঁ। জয়ললিতা, তাইৰ স্বামী অৰিন্দম, শিৱৰাজন, বিশ্বাখা আদিৰ সৈতে মোৰ ভাল বন্ধুত্ব আছে। জয়ললিতাহঁত এসময়ত অসমত আছিল। তেতিয়াই আমাৰ মাজত চিনাকি। মই গুৱাহাটী বিশ্ববিদ্যালয়ত জাৰ্নেলিজিমৰ পাঠ্যক্ৰম পঢ়োতে তাইক লগ পাইছিলোঁ, পিছত মাদ্ৰাজলৈ উভতি আহি তাই ইংৰাজী সাপ্তাহিক এখন প্ৰকাশৰ ব্যৱস্থা কৰিলে আৰু এদিন তাইৰ আমন্ত্ৰণ ক্ৰমেই ময়ো আহি সাপ্তাহিকখনৰ সৈতে জড়িত হৈ পৰিলোঁ। এতিয়া মই মাদ্ৰাজবাসী। মাদ্ৰাজৰ সভ্যতা সংস্কৃতি মই অহা দিন ধৰি তন্ন-তন্নকৈ বিশ্লেষণ কৰি চাবলৈ চেষ্টা কৰি আহিছোঁ। কিন্তু সেইবোৰ বিচাৰি যাওঁতে কেতিয়াবা মন ৰিক্ততাৰে ভৰি যায়, যেতিয়া সমাজৰ বিভিন্নতাৰ মাজত দেখা দিয়া প্ৰভেদৰ ৰহস্যৰ ওৰ পায়ো সমাধানৰ উপায় পোৱা নাযায়। মই দেখা পোৱা সকলোবোৰেই জানো জীৱনৰ এই গতিৰ স'তে মিলি যাব পাৰে? ইয়াতে লগপোৱা বন্ধুবোৰৰ মাজত শিৱৰাজনক আটাইতকৈ ব্যতিক্ৰম যেন লাগে। ব্যতিক্ৰম যেন লাগে বাবেই তেওঁৰ মনটো বিশ্লেষণ কৰি চাবলৈ মোৰ বৰ মন যায়। আজি দুদিনমান শিৱৰাজনৰ কোনো খবৰ পোৱা নাই। তেৰোঁ ফোন কৰা নাই। মাজতে তেওঁৰ তালৈ এবাৰ যাম বুলি ভাবিছিলোঁ, কিন্তু তেওঁৰ ফালৰ পৰা প্ৰথমে কোনো আমন্ত্ৰণ নোপোৱা বাবে উপযাচি যাবলৈ মোৰ কিবা সংকোচ লাগিল। এনেয়েতো তেওঁ সম্পূৰ্ণ শ্ৰদ্ধা সহকাৰে বন্ধুত্ব বজাই ৰাখিব পৰা ব্যক্তি; মই নিজেই গ'লে তেওঁ নিশ্চয় বেয়া নেপাব। কিন্তু ভয় হয় কিজানি মোৰ উপস্থিতিয়ে তেওঁক অস্বস্তিত পেলায়; কিয়নো প্ৰথম পৰিচয়ৰ দিনাই তেওঁক ঘৰৰ কথা সোধোতে "থাকোঁ আৰু" বুলি কৈ লৰা-লৰিকৈ বেলেগ কথা উলিয়াইছিল। বুজিলোঁ, তেওঁৰ পাৰিবাৰিক কথা সোধাটো তেওঁ চাগৈ পছন্দ কৰা নাই। সেইবাবে পিছত তেওঁক আৰু সেই বিষয়ে মই কোনোদিন একো সোধাও নাই। সেয়ে হঠাতে কোনো খা-খবৰ নিদিয়াকৈ এনেকৈ যোৱাত মোৰ বাধা আছে। যোৱাটো ৰবিবাৰে জয়ললিতাৰ ঘৰত লগ পাওঁতে তেওঁ মোক মাজে সময়ে ফোন কৰিবলৈ কৈছিল। সেয়েহে তেওঁলৈ ফোন এটা কৰা-টোকে ভাল বুলি ভাবিলোঁ! টেলিফোন বুথ এটাৰ পৰা ষ্টুডিঅ'ৰ ঠিকনাত ফোন কৰি গম পালোঁ যে তেওঁ বাহিৰলৈ গৈছে। সহকৰ্মী এজনে ফোন ধৰি ক'লে—"তেওঁ কেতিয়া ষ্টুডিঅ'লৈ উভতি আহিব তাৰ কোনো নিশ্চয়তা নাই। আহিবও পাৰে, নাহিবও পাৰে।" ফোন কৰিবলৈ যাওঁতে যিটো উৎসাহ আছিল, সেয়া নাইকীয়া হৈ গ'ল। এটা অৱসাদগ্ৰস্থ মন লৈ মোৰ ফ্লেটলৈ উভতিলোঁ।

প্ৰথম পৰিচয়তে শিৱৰাজনৰ দৃষ্টিভঙ্গি দেখি মোৰ ভাল লাগিছিল। অজানিত ভাৱে তেওঁৰ প্ৰতি মোৰ মন শ্ৰদ্ধাৰে ভৰি গৈছিল। শান্ত-শিষ্ট মানুহজনৰ মাজত এক প্ৰশান্ত ব্যক্তিত্ব বিৰাজমান। কিন্তু তেওঁৰ মুখা-মুখি হৈ তেওঁৰ প্ৰতিটো মন্তব্য, আচৰণ, ধ্যান-ধাৰণা লক্ষ্য কৰোঁ, তেতিয়াই ভাব হয়, এই স্থিৰ প্ৰশান্ত মনটোৰ আঁৰত এক নিৰৱ বেদনা লুকাই আছে। সেয়েহে তেওঁক বহু প্ৰশ্ন কৰিবলৈ মন যায় তেওঁৰ নিজস্ব জগৎখনৰ বিষয়ে। কিন্তু এই বিষয়ে অকণমান আভাস পালেই তেওঁ ফালৰি কাটি যায় আৰু তেতিয়া মোৰো কিবা জানিবলৈ অকণো উৎসুক্য নাথাকে। বিভিন্ন সময়ত বিভিন্ন পৰিবেশত তেওঁক মই লগ পাইছোঁ। প্ৰথম দৃষ্টিত মনটো ধৰিব নোৱাৰি। সদায় প্ৰফুল্লিত। সকলোকে হাঁহিমুখে সম্ভাষণ জনায়। নিজৰ ভনীয়েকৰ দৰে তেওঁ মোক মৰমো কৰে। জয়ললিতাৰ পৰা শিৱৰাজনৰ বিষয়ে কিছু কথা জানিছিলোঁ। তেওঁ অকলশৰীয়া। অৱশ্যে পৰিয়াল বুলিবলৈ তেওঁৰ সৈতে বোবা গাভৰু এজনী থাকে। এই গাভৰুজনীৰ বিষয়ে তেওঁৰ বন্ধুমহলে একো নাজানে। দেখাও নাই। আজিলৈকে ইয়াকো গম নাপালে যে তাইৰ সৈতে শিবুৰ সম্পৰ্ক তেজৰ নে বিবাহৰ নে তাইৰ চৰম অসহায়তাৰ প্ৰতি শিবুৰ অন্তৰত থকা সহানুভূতিক কেন্দ্ৰ কৰি গঢ়ি উঠা বন্ধুত্বৰ সম্পৰ্ক। স্থানীয় মানুহে তেওঁৰ বিষয়ে বৰ বিশেষ নাজানে। সুদূৰ শ্ৰীলঙ্কাৰ পৰা আহি মাদ্ৰাজত থিতাপি লোৱা শিৱৰাজনৰ মাদ্ৰাজত পৰিচয় কেৱল বৰ্তমানটোক লৈহে, অতীতক লৈ নহয়। তেওঁৰ ওপৰত ইয়াৰ মানুহৰ, বিশেষকৈ সমাজৰ পৰিবৰ্তন কৰিব বিচৰা জয়ললিতাহঁতৰ গভীৰ আস্থা। দক্ষিণৰ সমাজখন বৰ ৰক্ষণশীল; যদিও শিক্ষা-দীক্ষা সকলোতে তেওঁলোক আগবঢ়া। ধৰ্মীয় সংকীৰ্ণতা এইবোৰ অঞ্চলত বৰ বেছি। শিৱৰাজনে এখন আশ্ৰম পৰিচালনা কৰে। সমাজৰ নিস্বঃ, অৱহেলিত মানুহবোৰক একগোট কৰি, সিহঁতৰ মুক্তিৰ বাবে তেওঁ অহৰহ সংগ্ৰাম কৰি আহিছে। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে তেওঁ সহায়ৰ হাত আগবঢ়াই আহিছে। সেইবাবে মাজে মাজে কিছুমান ৰক্ষণশীল ব্যক্তিয়ে তেওঁক সমালোচনা কৰে। কিন্তু এইবোৰৰ প্ৰতি তেওঁৰ ভ্ৰূক্ষেপ নাই।

শিৱৰাজনৰ এটা ফিল্ম প্ৰতিষ্ঠানো আছে। বহু-সময়ত তেওঁ ষ্টুডিঅ'টো লৈ ব্যস্ত থাকে। তেওঁৰ ষ্টুডিঅ'ৰ পৰা নিৰ্মিত বহুতো ছবিয়ে আন্তঃৰাষ্ট্ৰীয় সন্মানো লাভ কৰিছে। তাৰোপৰি তেওঁ এজন ভাল ভায়োলিন বাদক। তেওঁৰ বহু কেইখন সংগীতৰ অনুষ্ঠানত মই উপস্থিত আছোঁ। কেতিয়াবা কোনো সাংবাদিকে তেওঁৰ ব্যক্তিগত বিষয়

জানিবৰ বাবে সাক্ষাৎকাৰ ল'ব বিচাৰিলে তেওঁ একে আষাৰে নিৰাশ কৰি দিয়ে। সেইবাবেই তেওঁক প্ৰায়ে মন্তব্য কৰে ভীষণ অহংকাৰী আৰু আত্মাভিমানী বুলি। তেওঁৰ সন্মুখতে কোনোবাই এনেদৰে মন্তব্য কৰিলেও তেওঁৰ কোনো ভাবান্তৰ নহয়। এনে পৰিবেশ এটাত উপস্থিত থাকিলে মোৰ বৰ অস্বস্তি লাগে। তেওঁৰ প্ৰতি এটা অদ্ভুত খং উঠে। অকল খং উঠাই নহয় আজি-কালি ভীষণ জিদ ভাবো হয় তেওঁৰ এনে আচৰণত। আগতে তেওঁৰ এনে আচৰণ মোৰ বাবে কৌতুহলৰ কাৰণ আছিল। ভীষণ সহানুভূতি আছিল। এতিয়া বাৰে বাৰে ভাব হয়—তেওঁ এনেকুৱা কিয়? প্ৰথমৰ পৰাই মই অনুভৱ কৰিছোঁ—তেওঁৰ অন্তৰত কিবা বেদনা আছে; যাক তেওঁ প্ৰকাশ কৰিব নোখোজে। হয়তোবা টান পায়। তেওঁৰ সৈতে চিনাকি হোৱাৰ দুদিনমান পিছতে এদিন হঠাতে সন্ধিয়া সাগৰৰ পাৰলৈ ফুৰিবলৈ যাওঁতে তেওঁক লগ পাইছিলোঁ। দূৰ দিগন্তত তেতিয়া বেলিটো ডুবিবলৈ আৰম্ভ কৰিছে। তাৰ সোণালী পাখিবোৰে গোটেই পৃথিৱীখনকে মৰমেৰে সাৱটি ধৰিছেহি। নীলাৰ বোকোচাত উঠি কপাহ কপাহ লগা মেঘবোৰ অকণ অকণকৈ ধীৰে ধীৰে পূৱৰ পৰা পশ্চিমলৈ গৈ আছে। এজাক পক্ষী সাগৰৰ বহু ওপৰেদি উৰি উৰি ঘৰমুৱা হৈছে। শিৱৰাজনৰ দৃষ্টি তাত নিবদ্ধ হৈছে। মই আতঁৰৰ পৰা তেওঁক চিনি পাইছিলোঁ বাবে মনে মনে গৈ তেওঁৰ পিছফালে থিয় হলোঁ। তেতিয়াও দেখোঁ তেওঁৰ দৃষ্টি আকাশখনৰ বুকুতে নিবদ্ধ। এক বাঙ্ময় নিৰৱতা। এই নিৰৱতাৰ মাজতে তেওঁ পৰিবেশটোৰ মাধুৰ্যতা উপলব্ধি কৰিছে। মোৰ আৰু বেছি সময় মনে মনে থাকিবলৈ ভাল নালাগিল।

"বাঃ ইমান তন্ময় হৈ পৰিছা।"—লাহেকৈ কলোঁ। তথাপিও তেওঁৰ কোনো উত্তৰ নাই। এইবাৰ গাত ধৰি জোঁকাৰি কলোঁ—"ইমানকৈ মুগ্ধহৈ গৈছা ইয়াত, শিল্পী মানুহতো!" তেওঁ চক্ খাই উঠিল। মোৰ শেষৰ কথাষাৰ তেওঁৰ কাণত পৰিল। প্ৰাণখোলা হাঁহিৰে তেওঁ বহি পৰিল। মোকো বহিবলৈ ক'লে।

"আচলতে মোৰ বৰ ভাল লাগে এই মূহুৰ্তটো।"—আগৰ তন্ময়তাৰে তেওঁ কৈ গ'ল। —"জানা, এই ডুবিবলৈ আৰম্ভ কৰা সুৰুযটোৱে মোক এখন বেলেগ জগতৰ সন্ধান দিয়ে। ভাব হয়, এই সময়ত যেন সুৰুযটোৰ মাজত বহুত বেদনা লুকাই থাকে। বিদায় পৰত পৃথিৱীখনক আৰু বেছিকৈ চাবলৈ তাৰ যেন তীব্ৰ হাবিয়াস জন্মে। নিশাৰ বুকুত পৃথিৱীয়ে হয়তো উচুপিব সুৰুযটোৰ বাবে; কিন্তু মোৰ মৃত্যুৰ পিছত মোক সুঁৱৰিবলৈ কোনো নাথাকিব। হয়তো এই আকাশে, এই সন্ধ্যাই মোৰ কথা সোঁৱৰণ কৰিব।

অকেলা হুঁ পৰ আবাদ কৰ দেতা হুঁ বিৰহা
বহুত ৰোয়েগী মেৰে বাদ ইয়ে শাম, ইয়ে তন্হাই।"

কৈ কৈ শিবুৱে আৰু বেছি উদাসিন হৈ গৈছিল। সেইদিনা তেওঁক কোনোবা ৰহস্যময় অচিন গ্ৰহৰ প্ৰাণী যেন লাগিছিল।

পিছদিনা ৰাতিপুৱা শিৱৰাজনলৈ আকৌ ফোন কৰিলোঁ। এইবাৰ তেওঁ নিজে ফোন ধৰিলে। জনালোঁ যে সন্ধিয়া তেওঁৰ ঘৰলৈ ফুৰিবলৈ যাম। এক মূহূৰ্ত তেওঁ মনে মনে ৰ'ল। হয়তো তেওঁ আচৰিত হৈছে আৰু তাৰ পিছত হাঁহিমুখে সন্মতি জনালে।

গধুলি প্ৰেছৰ পৰা আহি মই তেওঁৰ তালৈ ওলালোঁ। আচলতে মোৰ উদ্দেশ্য ফুৰিবলৈ যোৱা নহয়, তেওঁৰ কিছু ব্যক্তিগত কথা জনাতোহে। কিন্তু তালৈ গৈ বিস্ময়ত হতবাক হলোঁ। মোৰ উদ্দেশ্য জনোৱা মাত্ৰকে তেওঁ তাৰ প্ৰতিবাদ কৰি উঠিল। অৱশ্যে মই আগতেই গম পাইছিলোঁ যে আজিলৈ কোনোৱে তেওঁৰ ব্যক্তিগত জীৱনৰ বিষয়ে কৰা প্ৰশ্নৰ উত্তৰ পোৱা নাই। কিন্তু মোৰ কথা হ'ল সুকীয়া। আমাৰ মাজত থকা বন্ধুত্বৰ দাবীত মই তেওঁৰ পৰা কিছু কথা জানিব বিচাৰিছিলোঁ। মোৰ লাজ লাগিল। তেওঁৰ ওপৰত অনন্তৰ খঙো উঠিল। একে কোবেই মই বাহিৰলৈ ওলাই আহিলোঁ। তেওঁ ব্যস্ত হৈ পৰিল। মোৰ পিছে পিছে ওলাই আহিল। ক'লে—"নহয়, নহয়, তুমি এনেকৈ খং কৰি যাব নোৱাৰা। মই ভীষণ দুখ পাম।"

বিচাই ডকা মানুহৰ দৰে মোৰ গাটো ইচাট-বিচাট লাগিল। তীব্ৰ বিতৃষ্ণাৰে তেওঁৰ ফালে ঘূৰি কলোঁ—"চোৱা শিবু তোমাৰ সুখ দুখৰ কথা ভাবিবলৈ মোৰ এতিয়া সময় নাই। তুমি নিজক লৈহে ব্যস্ত থাকা। আনৰ কথা ভাবিবলৈ চেষ্টা নকৰা। তোমাক মই শ্ৰদ্ধা কৰোঁ, বন্ধুত্ব আছে বাবেই নহয়, তোমাৰ দৃষ্টিভঙ্গি, আচৰণ, কাম-কাজ



এইবোৰে মোক তোমাক শ্ৰদ্ধা কৰিবলৈ, ভাল পাবলৈ শিকাইছে। সেয়েহে অইনে তোমাৰ বিপক্ষে কৰা ভুল মন্তব্যবোৰৰ মই প্ৰতিবাদ কৰোঁ। সেইখিনি বুজিবলৈ আজি তোমাৰ সামৰ্থ নহ'ল। কোনো কথা নাই, কেতিয়াও আৰু তোমাক আমনি কৰিবলৈ নাহোঁ।"—বহুপৰ এনেকৈ কিবাকিবি কৈ ওলাই আহিলোঁ। শিৱৰাজন সৰগ পৰা মানুহৰ দৰে একে ঠাইতে বহু সময় থিয় হৈ ৰ'ল। মোৰ সেইবোৰ আৰু চাই থাকিবলৈ সময় নহ'ল।

সেই ঘটনাৰ দুদিনমান পিছত এদিন প্ৰেছৰ পৰা ওলাই আহোতে চকুত পৰিল যে প্ৰেছৰ গেটৰ ওচৰত এখন বগা ফিয়েট ৰৈ আছে। গাড়ীৰ পৰা কোনো আৰোহী নমা নাই। মই আহি গাড়ীখনৰ ওচৰ পাওঁতেই সন্মুখৰ দুৱাৰখন মেল খাই গ'ল। কিন্তু ড্ৰাইভাৰৰ আসনত শিৱৰাজনক দেখাৰ লগে লগে মই উচাৎ মাৰি আঁতৰি যাব বিচাৰিলোঁ।

"ৰ'বা।"

শিৱৰাজনক উত্তৰ দিবলৈ মোৰ সমূলি মন নগ'ল। কাৰণ তেওঁ যি পৰিস্থিতিৰ সৃষ্টি কৰিছিল, সি এতিয়াও মোৰ মন আৰু মগজুত ক্ৰিয়া কৰি আছে। তেনেস্থলত এই মানুহজনৰ কিবা কথা শুনা মোৰ পক্ষে সম্ভৱ নহয়।

"আজি গধুলি তোমাক লগ কৰিম। তোমাৰ ফ্লেটৰ পৰাই তোমাক লৈ আহিম। তুমি বিচৰা প্ৰশ্নবোৰৰ সমিধান পাবা।" —কথাখিনি কৈ শিৱৰাজন আতঁৰি গ'ল।

সময়মতে শিৱৰাজন আহি পালে। মই তেওঁৰ বাবে কফি একাপৰ আয়োজন কৰিব খুজিলোঁ। তেওঁ বাধা দিলে। ক'লে—"কফি আজি বেলেগ এঠাইত খাম ব'লা। তোমাৰ যদি কোনো অসুবিধা নাই, এতিয়াই ওলাই যাওঁ।" আমি দুয়োজন ওলাই আহিলোঁ।

মাদ্ৰাজৰ দলিছা যেন ৰাজপথটোৰে বগা ফিয়েটখন ক্ষীডত গৈ আছে। দুকাষৰ ঘৰবোৰ, ধুনীয়া ধুনীয়া ফুলনিবোৰ চাই বৰ ভাল লাগিল। মনটো অলপ ফৰকাল হ'ল। সন্মুখৰ এজাক ছোৱালীলৈ আঙুলিয়াই শিৱৰাজনে ক'লে—"দেখিছা, শকুন্তলাহঁতৰ চুলিবোৰ, যেন ফুলৰ ভৰত মূৰবোৰ দো খাই যাব। কেতিয়াবা এই ফুলে ঢকা মূৰবোৰত ফুলৰ গছ বুলি মৌমাখি নপৰিলেই ৰক্ষা।"

মোৰ হাঁহি উঠি গ'ল, দক্ষিণৰ ছোৱালীহঁতৰ ফুলৰ প্ৰতি থকা হাবিয়াসৰ কথা ভাবি। সকলো ছোৱালীয়ে ফুল ভাল পায়। কিন্তু দক্ষিণৰ ছোৱালীবোৰ যেন তাহানিৰ ঋষি-মুনিৰ আশ্ৰমৰ কন্যাহে।

"তোমালোকৰ অসমত ছোৱালীহঁতে এনেকৈ ফুল লয়নে?" —শিবুৱে মোক সুধিলে।

"নাই, নলয়। দৈনন্দিন সাজোন-কাচোনত আমাৰ ছোৱালীয়ে এনেকৈ ফুল নিপিন্ধে। কিন্তু আমাৰো ফুলৰ এক মোহনীয় ঐতিহ্য আছে। বহাগ বিহুত আমাৰ ছোৱালীহঁতে খোপাত কপৌফুল গুজি লয়। কপৌ, তগৰ, কেতেকী, নাহৰ ইত্যাদি ফুলত ডেকা-গাভৰুৰ মৰম নিহিত হৈ থাকে। এই ফুলবোৰ মৰমৰ সুন্দৰ উপহাৰ।"—মই উত্তৰ দিলোঁ।

মনবোৰ মুকলি হৈ যোৱাৰ বাবে ভাল লাগিল। কথা পাতি গৈ আছোঁ বাবে কেতিয়া গৈ শিৱৰাজনৰ বাসভৱন পালো গমকে নাপালোঁ। তেওঁ মোক ভিতৰলৈ মাতি নি বহিবলৈ দিলে। এনেতে এগৰাকী ধুনীয়া গাভৰুৱে হাতত শিবু আৰু মোৰ বাবে দুকাপ কফি লৈ সোমাই আহিল। নিশব্দে হাঁহি নমস্কাৰ কৰি গাভৰুজনী গ'লগৈ। কোনো মাত-বোল নকৰিলে। ভাবিলোঁ, তাই হয়তো ইংৰাজী নাজানে। কিন্তু ইয়াততো সাধাৰণ দোকানী এজনেও ভঙা ভঙা ইংৰাজী ক'ব পাৰে। শিবু নিৰৱে কফিকাপ শেষ কৰাত ব্যস্ত। কফি পৰ্ব শেষ হোৱাৰ পিছত তেওঁ ক'লে—"ব'লা, বীচ্চৰ ফালে ফুৰিবলৈ যাওঁ।"

উঠিলোঁ। গাভৰুজনীও আগবাঢ়ি আহিল। পুনৰ নমস্কাৰ দিলে। মই সুধিলোঁ—"How do you do?"

উত্তৰত তাই হাঁহিলে। শিৱৰাজনে ক'লে-"এই জনীয়ে ভল্লা, যিয়ে কথা ক'ব নোৱাৰে।"

আচৰিত, মুখখন ইমান সজীৱ! তিৰবিৰাই থকা চকুকেইটা ইমান বাঙ্ময়! অথচ........। মোৰ ভাষা হেৰাই গ'ল। পুনৰ আহি গাড়ীত বহালে মোৰ মুখৰ মাত নোলাল। শিৱৰাজনে মোৰ মুখৰ পিনে চাই এবাৰ করুণ ভাৱে হাঁহিলে। সম্ভৱতঃ মোক অপ্ৰস্তুত যেন দেখি।

সাগৰৰ পাৰত গাড়ীখন ৰখাই তলৰ বালিলৈ নামি গৈ এঠাইত বহি ললোঁ। চাৰিওফালে চকু ফুৰাই দেখিলোঁ অসংখ্য মানুহ। তিৰোতা মানুহৰ সংখ্যাই সৰহ।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতাটোলৈ মনত পৰিল। আকাশত জোনটোৱে দেখা দিছে। হয়তো আজি পূৰ্ণিমা। জোনটোলৈ চাই শিবুৱে গাই দিলে—"খোয়া খোয়া ৰাত ৰ্‌মা আচমান।"

"বাৰু মিঠু, তুমি জোনটোৰ এই মোহনীয় সৌন্দৰ্য কেনেকৈ মনত ৰাখিবা?" —হঠাৎ শিবুৱে সুধিলে।

"উপলব্ধিৰ দ্বাৰা।" —মই কলোঁ।

"মই কিন্তু পাহৰি যাব বিচাৰোঁ।"

কিছু সময় নিৰৱতা।

"শিবু, তোমাৰ শৈশৱৰ কথাবোৰ মনত নপৰেনে? মোৰ কিন্তু এতিয়াও সৰু হৈ থাকিবৰ মন যায়।"—নিৰৱতা ভাঙি মই কলোঁ।

"নাই, মই মোৰ অতীতটোক পাহৰি যাব খোজোঁ। মোৰ বাবে কাহানিও সেইবোৰ মোহনীয় নাছিল। কুৰিটা বসন্ত অতিক্ৰম কৰি যেতিয়া মই নিজকে আবিষ্কাৰ কৰোঁ তেতিয়া মোৰ পৰিয়ালটো শ্ৰীলঙ্কাৰ ৰাজনৈতিক সংঘৰ্ষত চিৰদিনলৈ শেষ হৈ যায়। মই আছিলোঁ তামিল মুক্তি বাহিনীৰ এজন সদস্য। কিন্তু বাহিনীৰ দৃষ্টিত মই এজন বিশ্বাসঘাটক ৰূপে পৰিগণিত হৈছিলোঁ। নিৰ্দোষ পুলিচ পৰিয়াল এটাক বচাবলৈ গৈ মই হৈ পৰিলোঁ জাতিদ্ৰোহী, দেশদ্ৰোহী আৰু মোৰ জাতিদ্ৰোহিতাৰ ফলস্বৰূপে মোৰ পৰিয়ালটোক নিঃশেষ কৰি পেলোৱা হ'ল। মই সংগঠনৰ পৰা আঁতৰি আহিলোঁ। মোৰ উগ্ৰ ভাবাপন্ন মনটোৰ তেতিয়া বহু পৰিবৰ্তন ঘটে! আনহাতে পুলিচ পৰিয়ালটোৰ ছোৱালীজনী সৌভাগ্যবশতঃ ৰক্ষা পৰিল। সেই সময়ত তাই টোকিঅ'ত পঢ়ি আছিল। কিন্তু তাইৰ পৰিয়ালটোলৈ নামি অহা অভিশাপৰ কথা জানিব পাৰি তাই ভীষণ ভাৱে মানসিক আঘাত পালে। তাই চিৰজীৱনলৈ বোবা হৈ গ'ল। সেই দুৰ্ভগীয়া ছোৱালীজনীক মই আশ্ৰয় দিলোঁ। সংগঠনে সেইটোকে এটা অপৰাধ বুলি গণ্য কৰি মোৰ ওপৰত মৃত্যুৰ পৰোৱানা জাৰি কৰিলে। সেয়েহে গোপনে এদিন সেই ছোৱালীজনীক লৈ মাদ্ৰাজ পালোঁহি। ফাদাৰ থমাচৰ আশ্ৰমত আমি আশ্ৰয় ললোঁ। জয়ললিতা অৰিন্দমহঁতৰ বাবে আমি বাচি থাকিলোঁ। ফাদাৰৰ মৃত্যুৰ পিছত ময়ে আশ্ৰমখনৰ দায়িত্ব ললোঁ। অদ্ভুত ভাৱে ইয়াৰ মাজতে মই মোৰ বিপ্লৱৰ অৰ্থ বিচাৰি পালোঁ। মোৰ আত্মাৰ মুক্তি বিচাৰি পালোঁ। এতিয়া ইখন গাওঁৰ পৰা সিখন গাওঁলৈ, ইটো গলিৰ পৰা সিটো গলিলৈ যেতিয়া অৱহেলিত নিঃস্ব মানুহবোৰৰ মুক্তিৰ বাবে যাওঁ, তেতিয়া সেই মানুহবোৰৰ মাজত মই পৰম শান্তি পাওঁ। ইয়াৰ ৰক্ষণশীল সমাজখনে হেয়জ্ঞান কৰা মানুহবোৰে মোৰ পৰা জীৱনৰ অৰ্থ বুজিবলৈ চেষ্টা কৰে। কিন্তু জয়ললিতাহঁতৰ বাদে মোৰ সংস্কাৰকামী মনোভাৱ কোনেও পছন্দ নকৰে। বহুলোকেই এসময়ত মোক অতিষ্ঠ কৰি তুলিছিল। সেয়ে আজিও এইচাম মানুহৰ প্ৰতি মোৰ তীব্ৰ জিদ আছে। যিবোৰ মানুহে আজি মোৰ সফলতাত জয়মাল্য পিন্ধাব খোজে, সেইবোৰ মানুহে এদিন মোক তিলতিলকৈ নিঃশেষ হৈ যোৱাটো বিচাৰিছিল। মোৰ প্ৰতি দেখুওৱা তেওঁলোকৰ শ্ৰদ্ধা, সন্মান-পুতৌৰ নামান্তৰ মাত্ৰ। মানুহে সেইবাবে মোৰ কাহিনী জনাৰ কোনো প্ৰয়োজন নাই। যেতিয়ালৈ মই জীয়াই থাকোঁ, তেতিয়ালৈ মোক কোনেও চিনি পোৱাৰ প্ৰয়োজন নাই। মোৰ মৃত্যুৰ পিছত কোনোবাই যদি মোৰ কাহিনী লিখিব বিচাৰে, লিখিব পাৰে। কাৰণ তেতিয়া মই বহু দূৰলৈ আঁতৰি যাম, কৌটি যোজন দূৰলৈ....।"

প্ৰথমে ক্ষোভিত কণ্ঠেৰে আৰম্ভ কৰি শেষত সপোনত বিৰবিৰাই কোৱাৰ দৰে লাহে লাহে কৈ তেওঁ নিশ্চুপ হৈ ৰ'ল। তেওঁৰ মাজত ইমান কাহিনী লুকাই আছে, ইমান দিনে মই ধাৰণাই কৰিব পৰা নাছিলোঁ। দুখ মানুহৰ জীৱনত থাকেই। এটা সময়লৈকে সি মানুহৰ অন্তৰ দহি থাকে। ই সাধাৰণ মানুহৰ কথা। কিন্তু পৃথিৱীত এনে এচাম মানুহ আছে, যি আজীৱন দুখকেই পূজা কৰি থাকে আৰু তাৰ পৰাই নতুন জীৱনৰ স্থাপত্যৰ নিৰ্মাণ আৰম্ভ কৰে। এইচাম মানুহে জীৱনটো মহীয়ান কৰিব বিচাৰে চিৰ দুখৰ মাজত। শিবুৱে এতিয়া সকলো পাৰ্থিৱ যন্ত্ৰণাৰ উৰ্দ্ধত অৱস্থান কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাইছে। ইয়ে তেওঁৰ নিজস্ব বিপৱ। তেওঁক আৰু মোৰ একো একো সুধিবলৈ মন নগ'ল। নিঃশব্দে দুয়ো গাড়ীত উঠিলোঁ। গাড়ীত তেওঁ এটাও শব্দ নক'লে। হয়তো অতীত সোঁৱৰণীৰ ৰৰযুগজাকত তিতি-বুৰি মন তেওঁৰ জুৰুলি-জুপুৰি হৈ আছে। ময়ো তেওঁক আৰু



বেছি ভাৰাক্ৰান্ত কৰিব নিবিচাৰিলোঁ। মাথো খিৰিকিখনেৰে বাহিৰৰ জোনাকখিনিলৈ চাই থাকিলোঁ। শিবুৱে কেচেট এখন বজাই দিলে। —চলো একবাৰ ফিৰ্‌ চে আজনবী বন জায়ে হম দোনো। —মহেন্দ্ৰ কাপুৰৰ সেই বিখ্যাত গীতটি, যিটো মোৰো বৰ প্ৰিয়। মোৰ ফ্লেটৰ ওচৰত গাড়ীখন যেতিয়া ৰয়, তেতিয়া নিশা ন বাজিছে। মই নিঃশব্দে নামি তেওঁলৈ উভতি চালোঁ। তেৱোঁ নামিল। ওচৰৰ ক'ৰবাত কিবা এবিধ ৰাতি ফুলা ফুল ফুলিছে বোধহয়। তাৰ অনামী গোন্ধ এটা আহি মোৰ নাকত লাগিল। শিবুৱে হাতখন আগবঢ়াই দিলে। ময়ো। হঠাৎ তেওঁ মোৰ দুহাতত ধৰি হুকহুকাই কান্দি দিলে। মই বাধা দিব নুখুজিলোঁ, চকুপানীয়ে তেওঁৰ বেদনাখিনি ধুই নিয়ক। বহু সময় উচুপি থাকি এটা সময়ত থোকাথুকি মাতেৰে তেওঁ ক'লে—"মোৰ বন্ধু, মোক ক্ষমা কৰিবা। তোমাক অস্বস্তিৰ মাজত পেলাই মই এক মুহূৰ্তৰ কাৰণেও শান্তি পোৱা নাই। কিন্তু এটা কথা ঠিক, আনৰ ওচৰত অহংকাৰী হ'লেও, আত্মাভিমানী এক প্ৰৱল জেদী মানুহ হ'লেও তোমালোকৰ ওচৰত মই এজন সহজ মানুহ। তোমাক কথা দিছোঁ, মই লিখা আত্ম-জীৱনীখন মোৰ মৃত্যুৰ পিছত প্ৰকাশৰ অনুমতি দি যাম। যদি কোনোবা উত্তৰ পুৰুষে মোৰ কাহিনী জনাৰ প্ৰয়োজন আছে, তেওঁলোকৰ নামত সেয়া মই উচৰ্গা কৰি যাম। এতিয়া যাওঁ। ভন্নাই হয়তো মোলৈ বাট চাই আছে। এই দুৰ্বল অসহায় ছোৱালীজনীয়ে এতিয়া মোৰ বাবে সকলো। তাই মোৰ ভগৱান।

শিবুৰ গাড়ীখন সশব্দে আঁতৰি গল। শিবুৰ কথাবোৰ চৌদিশে প্ৰতিধ্বনিত হৈ মোৰ কাণত বাজিবলৈ ধৰিলে। ওপৰৰ ফ্লেটলৈ চিৰিৰে গৈ থাকোতে মোৰ অনুভৱ হ'ল যেন মই তললৈহে নামি গৈ আছোঁ। মোৰ বাবে ৰাতিটো নিৰ্জন আৰু বেছি নিৰ্জন হৈ আহিল। অদূৰত তেতিয়া ফেঁচা এটাই কুৰুলিয়াই দিছিল।

আজিকালি মহাবিদ্যালয়বোৰৰ পৰা বছৰি একোখনকৈ আলোচনী প্ৰকাশিত হয়। এই আলোচনীবোৰৰ মানদণ্ড একে নহয় কিয়নো কিছুমান আলোচনীত সন্নিবিষ্ট হোৱা কবিতা, গল্প, প্ৰবন্ধ আদিৰ মান আশানুৰূপ উন্নত হোৱা দেখা নাযায়। সচৰাচৰ আলোচনীৰ সম্পাদকসকলৰ চকুৰ আগত প্ৰবন্ধাদিৰ গুণগত উৎকৰ্ষতকৈ আকাৰগত চাক্ষুষ আকৰ্ষণৰ ওপৰত নজৰ বেছি বুলি অনুমান হয়। তাৰোপৰি বন্ধু বান্ধৱীৰ প্ৰতি ব্যক্তিগত দুৰ্ব্বলতাও নোহোৱা নহয়। ভাল আলোচনী সম্পাদনা কৰি উলিয়াব খুজিলে সম্পাদকজনৰ দায়িত্ব যথেষ্ট। প্ৰবন্ধবোৰ চালিজাৰি চোৱাৰ উপৰিও কোনটো প্ৰবন্ধ বা গল্প কোনখিনি ঠাইত সন্নিবিষ্ট কৰিলে পঢ়ুৱৈ সমাজ আকৃষ্ট হব তাৰ বিচাৰ নিতান্ত আৱশ্যক। প্ৰবন্ধবোৰৰ অপ্ৰয়োজনীয় অংশ বৰ্জন কৰাৰ কাৰণেও লাগে জ্ঞান; বিজ্ঞজনৰ নিৰ্দেশ আৰু বন্ধুত্বৰ বান্ধোন মুক্ত মন। আলোচনীৰ কলেবৰ বৃদ্ধি সচৰাচৰ মান নিৰ্ণয়ৰ সহায়ক নহয়, প্ৰবন্ধবোৰৰ গুণগত উৎকৰ্ষইহে আলোচনী পুষ্ট আৰু সমৃদ্ধ কৰিব পাৰে।

ত্ৰৈলোক্য নাথ গোস্বামী
ৰঙিয়া কলেজ আলোচনী
দ্বাদশ সংখ্যা

# প্ৰাচীৰ

ধনদা দাস
স্নাতক ( কলা ), ৩য় বৰ্ষ

চিনাকি অথচ অচিনাকি হৈ পৰা পথটোৱে ছায়াই অনিচ্ছা সত্বেও খোজ পেলালে। লগত মাক আৰু কণমানি চুল। চুলে খোজ কাঢ়িব পৰা হৈছে। সি মাজে মাজে মাক আৰু আইতাকৰ আঙুলিত ধৰি কেইখোজমান কাঢ়ে আৰু ভাগৰ লাগিলেই আইতাকৰ কোলাত জাপ মাৰি উঠে। তাৰ থুনুক-থানাক কথা বতৰাত ছায়াই বৰ কষ্ট পায়। কেৱল তায়ে নহয়, তাইৰ মাক-দেউতাকেও। আবেলি ষ্টেডিয়ামৰ পৰা প্ৰেক্‌টিচ সামৰি ল'ৰা-ছোৱালী-বোৰ উভতিছে। সন্মুখৰ ফালৰ পৰা বাইকেৰে অহা নৱ-দম্পতী এহাল ছায়াহঁতৰ ওচৰেৰে জোৰেৰে পাৰ হৈ গ'ল। তিনিআলি চ'কটোও বৰ ব্যস্ত হৈ উঠিছে। ৰামুৰ পান দোকানখনৰ সন্মুখত ডেকাল'ৰাৰ এটা চুচুৰীয়া ভিৰ। কিছু সংখ্যকক তাই চিনি পায়। হঠাৎ দোকানীজনৰ সৈতে কথা পাতি থকা ওখকৈ ল'ৰাজন চকুত পৰাত তাইৰ বুকুখন হমহমাই উঠিল! মৃদুলৰ সৈতে সেই একেই কাপোৰ পিন্ধাৰ ষ্টাইল, মূৰৰ কেঁকোৰা চুলিবোৰ, আনকি হাই পাৱাৰৰ চচমাযোৰো। তাইৰ দেহেৰে যেন অতি উচ্চ শক্তিসম্পন্ন বিদ্যুৎ প্ৰবাহ পাৰ হৈ গ'ল। মাংসপেশীবোৰো যেন শিথিল হৈ পৰিল। মাকে তাইৰ মুখমণ্ডলত এই আকস্মিক পৰিবৰ্তনৰ ৰেখা দেখা পালে। কিন্তু একো কৰিবলৈ নৌপাওঁতেই তাই ৰাষ্টাৰ মাজত বাগৰি পৰিল। পান দোকানৰ সন্মুখত ভিৰ কৰি থকা ল'ৰাকেইটা দৌৰি আহিল। সেই ওখকৈ ল'ৰাজনো। সিহঁতে ধৰি মেলি ওচৰৰে হাস্পাটাল-খনলৈ তাইক লৈ গ'ল।

মাজে মাজে ছায়াৰ তেনেকুৱা হয়েই। মৃদুলৰ চেহেৰাৰ সৈতে সাদৃশ্য থকা ল'ৰা দেখা পালেই তাই বৰ নাৰ্ভাচ হয়। তাই মনটোক ডাঠ কৰিব বিচাৰে, কিন্তু সফল নহয়। তাইৰ ভাব হয়, এই হাটে-বাটে যেন ক'ৰবাত মৃদুলক লগ পাই যাব।

মৃদুলক লগ পোৱাৰ সময়ত ছায়া এজনী ষোড়শী কিশোৰী। জীৱনটো ৰঙীন ৰঙীন যেন লগা সময়। এই সময়ত গভীৰ কথা চিন্তা কৰাৰ ইচ্ছা নকৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত মাক-দেউতাকে আশা কৰা ধৰণে তাই ফল দেখুৱাব নোৱাৰিলে। ফলত দেউতাকৰ অধিক আশা কমি আহিল আৰু ওচৰৰে মহাবিদ্যালয়-খনত নাম লগাই দিলে। নতুন নতুন পৰিৱেশ। কেতিয়াবা বৰ ভাল লাগে, কেতিয়াবা কি কৰোঁ, কি নকৰোঁ এনে ভাৱে আমনি কৰে। তাইৰ একে ক্লাচৰ ল'ৰাবোৰে তাইৰ লগত কথা পাতিবলৈ প্ৰতিযোগিতা চলোৱা জানিব পাৰি স্বাভাৱিক গৰ্বভাৱে তাইক আৱৰি ধৰে। ছায়াৰ মোহময়ী চেহেৰাটো তাইৰ প্ৰথম সৌন্দৰ্য। আচাৰ-ব্যৱহাৰতো তাইৰ সৌন্দৰ্য ফুটি উঠে। সিহঁতৰ ওচৰৰ ঘৰত পাপৰিক মৃদুলে পঢ়ুৱায়। পাপৰি নৱম মানৰ ছাত্ৰী। মৃদুলে সিহঁতৰ ঘৰৰ আগেৰে ভদ্ৰ আচৰণেৰে সদায় আহ-যাহ কৰা ছায়াৰ চকুত পৰে। পাপৰিয়ে হকে-নহকে মৃদুলৰ গুণ-কীৰ্তন কৰে। ছায়াৰ ভাল লাগে। নজনাকৈয়ে তাইৰ বুকুত এটা মোহৰ জন্ম হয়। এদিন তাই পাপৰিৰ সৈতে কথা পাতি থাকোতে সি আহি ওলাল। সাধাৰণ চিনাকি আৰু কথা-বতৰাতে ইজনে সিজনক আকৰ্ষণ কৰিলে। এদিন দুদিনকৈ সি ছায়াহঁতৰ ঘৰলৈ অহা হ'ল। ভাল বন্ধুত্ব বুলি তাইৰ মাক দেউতাকেও তাইক মৃদুলৰ সৈতে মুকলিকৈ মিলা-মিছা কৰাত বাধা নিদিলে। ক্ৰমে ক্ৰমে সিহঁতে মনৰ ভাব প্ৰকাশ কৰে। কিছু দিনৰ পিছত প্ৰেমৰ ভাব প্ৰকাশি সি এখন চিঠি লিখিলে। অন্ধৰ দৰে তাই লিপিত খাই গ'ল। ইজনে সিজনক এৰি থাকিব নোৱাৰা হ'ল। দুয়ো দুয়োকো ওচৰতে পোৱাৰ হেঁপাহ কৰিলে। ছায়াৰ মাকে কথাটোত কিছু নজৰ দিলে।

ছায়াই উচ্চতৰ মাধ্যমিকৰ ফাইনেল পৰীক্ষা দি উঠিল! এতিয়া সময় কটোৱাৰ এটাই পথ—মৃদুলৰ চিন্তা। কিছুদিন পাছত মাকৰ সন্দেহে সঁচাৰূপ পালে। দুয়ো নোহোৱা হ'ল। ছায়াহঁতৰ ঘৰখন মৰিশালীৰ নিৰৱতাই আৱৰি ধৰিলে। মাক-দেউতাকে বিচাৰ খোচাৰ কৰি ক'তো নাপালে। দেউতাকৰ কথা, 'যদি বিয়া হোৱাৰ ইচ্ছা আছিলেই তেনেহ'লে মোক ক'লেও হ'লহেঁতেন। মই মৃদুলক এটা পথ দেখুৱাই গটাই দিলোহেঁতেন।' মাকৰ কথা, 'সিহঁত গৈছে, গৈছে; কিন্তু যদি উভতি আহে অন্ততঃ আশ্ৰয় দিম। ভুল মানুহৰহে হয়।' মাকে জীয়েকক সৰু ছোৱালীৰ দৰে মৰম কৰে। এতিয়া বাৰু সিহঁতে কি কৰি জীয়াই থাকিব? কোনো অভাৱত নপৰা ছায়াই কি অৱস্থাত বা থাকে?

চহৰখনত মৃদুলে ঔষধ কোম্পানী এটাত লাগি মেলি সোমাই লৈছে। ভাৰা ঘৰত দুটা প্ৰাণী। দুয়োৰে দুয়োৰো প্ৰতি যিহে মৰম। সদায় নতুন নতুন লাগে। খেমালি, অভিমান এইবোৰৰ মাজেৰে দিনবোৰ কেনেকৈ পাৰ হৈ গ'ল গমকে নাপালে। ছায়াৰ মুখমণ্ডলত এটা ৰঙীন হাঁহি বিৰিঙিল। তাই এযোৰ সৰু উলৰ মোজা গুঠিলে। কেইখনমান টাৱেল আনিলে। 'গৰ্ভৱতী মাতৃৰ পৰিচৰ্যা' 'শিশু প্ৰতিপালন' শীৰ্ষক কেইখনমান কিতাপো মৃদুলে এদিন লৈ আহিল।

কিন্তু অত্যধিক পৰিশ্ৰম কৰিবলগীয়া হেতু মৃদুল লাহে লাহে কিছু নিৰস হৈ পৰিল। আগৰ মধুৰ হাঁহি-টোও নিস্প্ৰভ হ'ল। ছায়াৰ প্ৰতি আগ্ৰহ নেদেখুওৱা হ'ল। তাই মনে মনে কিছু আঘাত পালে। এই সময়ত প্ৰতি গৰাকী নাৰীয়ে গিৰিয়েকৰ নিবিড় সান্নিধ্য আৰু উমাল মৰম বিচাৰে। মৃদুল কামলৈ ওলাই যোৱাৰ পিছত কোনোবা এজন ডেকা ল'ৰা ছায়াৰ তালৈ দুদিন হেনো আহিছিল—ওচৰৰ দোকানীজনৰ কথা। ছায়াই এই বিষয়ে গিৰিয়েকক একো নক'লে। অভিমানী মৃদুলেও একো নুসুধিলে। সুধিলেও জানোচা তাইক অবিশ্বাস কৰা বুলি ভাবে। যাক অত্যধিক মৰম কৰা যায়, তাৰ পৰা পোৱা সাধাৰণ আঘাত এটায়ো গভীৰ ক্ষতৰ সৃষ্টি কৰে। ক্ৰমে ক্ৰমে মৃদুলৰ মনত তাইৰ প্ৰতি সন্দেহৰ পাতল তৰপ এটা পৰিল। তাইৰ কথাত সি জাঙুৰ খাই উঠা হ'ল। খং ভাবটো মুখত স্পষ্ট হৈ উঠিল। মাজে মাজে ছায়াই স্বাভাৱিকতে উচপ খাই উঠে। সন্দেহ, অবিশ্বাসৰ আতিশয্যই দুয়োকো আমনি কৰিবলৈ ধৰিলে। মৌন হৈ বেছিদিন থাকিব নোৱাৰিলে। কাজিয়া আৰম্ভ হ'ল। লাহে লাহে বাঢ়িল। এদিন মৃদুল নিশা ঘৰলৈ নাহিল। দুঃচিন্তা আৰু ভয়ে ছায়াক আৱৰি ধৰিলে। পিছদিনাখন সি আহিল। খোজৰ স্থিৰতা নাই। মুখত অসংলগ্ন ভাষা। সেইদিনা সি ছায়াৰ ওপৰত প্ৰথম বাৰৰ বাবে হাত তুলিলে। কোনো দিনে উগ্ৰতা নেদেখুওৱা শান্ত ছোৱালীজনীয়ে ৰণচণ্ডী মূৰ্ত্তি ধাৰণ কৰিলে। তাইৰ এইটো ৰূপ মৃদুলৰ অগোচৰ আছিল। সি চুপ কৰি ৰবলৈ বাধ্য হ'ল। তাৰ পিছৰে পৰা সি মাজে মাজে ঘৰত নথকা হ'ল। ছায়াই উচুপে। কেই-দিনমান পিছত সি সম্পূৰ্ণ ৰূপেই ঘৰৰপৰা নাইকীয়া হ'ল। জীৱনত প্ৰথমবাৰৰ বাবে তাই বৰ অকলশৰীয়া আৰু অসহায় অনুভৱ কৰিলে। সন্তানটিও হাতত ল'ব পৰা হোৱা হ'লে তাইৰ নিসংগতা হয়তো কিছু পৰিমাণে আঁতৰিলহেঁতেন। ছায়াৰ ওচৰলৈ ঘৰৰ ভাৰা, দোকানৰ বাকী আদায় কৰিবলৈ নিশাচৰ কিছুমান আহিল। তাই সন্তানটিৰ বাবে নিজকে প্ৰস্তুত কৰি ল'লে আৰু এদিন মাকৰ ওচৰলৈ উভতি আহিল।

ল'ৰা এটা জন্ম পালে। মৃদুলৰ চেহেৰাৰ লগত তাৰ তফাৎ মাত্ৰ চুলি কেইডালত। সেয়ে তাইৰ বেদনা আৰু বাঢ়ে। শিৱৰ সেন্দুৰকণে তাইক বৰকৈ আমনি কৰে। আয়নাৰ ওচৰলৈ গ'লেই তাইৰ চকু চলচলীয়া হৈ উঠে। ক্ৰমে ক্ৰোধ আৰু অভিমানে তাইক বেঢ়ি ধৰিলে। সংকল্প ল'লে তাই জীয়াই থাকিব।

তাইলৈ চাই মাকে হুমুনিয়াহ পেলায়। তাই ভাবে—তাইৰ নিজৰ ভুলৰ বাবে এতিয়া আইনেও কষ্ট খাব-লগীয়া হৈছে। মাজে মাজে ভাবে—তাই কি ভুল কৰিছে? ভুলবোৰ তাইৰ চকুত ধৰা নিদিয়ে। তথাপি তাইৰ ভুল বুলিয়েই তাই ধাৰণা কৰে। ভাববোৰে তাইক বহু দূৰলৈ লৈ যায়। দেহ দুৰ্বল হৈ আহিল। মাকে ভাবিছে অন্ততঃ কিবা এটা কামত ব্যস্ত ৰখাব পাৰিলে তাই মান-সিকভাৱে কিছু সকাহ পাব। ওচৰৰ ঘৰলৈ তাই বেছি আহ যাহ নকৰে। প্ৰয়োজনতহে কাৰোবাৰ তালৈ যায়। গলেই মৃদুলৰ কথা সোধে। তাই সেইবোৰ পচন্দ নকৰে। কিয় কাজিয়া লাগিছে তাই নিজেই নাজানে—সিহঁতক কি কব? কাজিয়া কাজিয়াই। তাই মৃদুলক কোনো দোষ দিব নিবিচাৰিলে। আইন আদালতৰ আশ্ৰয় তাইক হেনো নালাগে। সন্তানটিক বুকুত সুমুৱাই লৈ তাই মাথো উচুপি থাকে।

কমল কান্তি ধ্ৰুৱ
স্নাতক (কলা)
২য় বৰ্ষ

# মানুহৰ মাত

প্ৰকাণ্ড গেটখনৰ তলেদি, সোঁহাতেৰে চাইকেল-খন চোঁচৰাই চোঁচৰাই সি আগবাঢ়িল। যিমানেই আগবাঢ়িল তাৰ বাওঁহাতখনে নাচিবলৈ ধৰিলে। অৰ্থাৎ সেইখন হাতে এবাৰ চুলিলৈ, এবাৰ চাৰ্টৰ জেপলৈ, নহ'লে এবাৰ লং পেণ্টৰ বেল্টডাললৈকে উঠা নমা কৰি থাকিল। সি দেখিলে, কলেজ চৌহদৰ মাজভাগতে এই সৰু বাটটো দুফাল হৈছে। এতিয়া কোনফালে গ'লেনো সি গন্তব্য স্থান পাব ধৰিব পৰা নাই।

বাওঁফালৰ বাটটোৰে গ'লেই সি এজাকমান ছাত্ৰ-ছাত্ৰীক লগ পাব। সিহঁতৰ হয়তো ক্লাচ হোৱা নাই। দীঘলীয়া বাৰাণ্ডাখনতে সিহঁত সিঁচৰতি হৈ আছে। কিছুমানে দল বান্ধি পুখুৰীৰ পাৰত বহি আছে। সিহঁত-কেই কথাটো সোধা ভাল হব—সি ভাবিলে আৰু সেই পিনেই আগ বাঢ়ি গ'ল। নাচাওঁ নাচাওঁ বুলিও মনে মনে সিহঁতলৈ চালে। প্ৰায় বেছি ভাগ ল'ৰা ছোৱালীৰ দৃষ্টি এতিয়া তাৰ ওপৰত। তাৰ এনে লাগিল যেন সি খোজবোৰো ভালকৈ দিব পৰা নাই। ঘনে ঘনে ওঁঠ চেলেকি গৈ থাকিল সি।

"হেৰি মহাশয়, চাওঁ চাওঁ, এবাৰ এই পিনে চাওঁকচোন।" —হঠাতে পুখুৰীৰ পাৰত বহা এটা দলৰ কোনোবা এজনে চিঞৰি উঠিল। সি তলমূৰ কৰি বাৰান্দাৰে গৈ আছিল। সি চালে। ল'ৰাটো ওচৰ পালেহি আৰু তাৰ লগে লগে আৰু এজাক ল'ৰা-ছোৱালী। সি পুনৰ তলমূৰ কৰিলে।

"হেৰি, ইমানটো লাজ কিহৰ?" এইবাৰ তাক এসোপা ল'ৰা-ছোৱালীয়ে ঘেৰি ধৰিলে আৰু তাৰেই মাজৰ কোনোবা এজনীয়ে লেনিয়াই লেনিয়াই ক'লে—"ইমান লাজ কৰি লাভ নাই। বুজিছে, কাইলৈ বা পৰহিলৈ আমাৰ মিছ কলেজৰ লগত হোটেলত চাহ খাবলৈ যাবই লাগিব। দেখিম নহয় তেতিয়া।" সি লাজতে মৰি যোৱা যেন পালে। কিবা এটা কব খোজো-তেই গলগলীয়া মাতেৰে ল'ৰা এটাই ক'লে—"এইপিনে আহক।"

তাৰ সমস্ত শৰীৰ ঘামেৰে তিতি গৈছে। তাৰ এটোপা পানী খাবলৈহে মন গ'ল। কিন্তু কোনে দিব পানী। নিশ্চুপ হৈ সি ল'ৰাটোৰ পাছে পাছে গৈ এটা ক্লাচৰুমত সোমাল। তাৰ চাৰিওফালে অজস্ৰ অচিনাকি মুখ। শেষলৈ কিছুমান ল'ৰা ছোৱালী বেঞ্চৰ ওপৰত উঠি লৈছে আৰু ডিঙি মেলি মেলি তালৈকে চাই আছে।

"এইয়া মিছ হাজৰিকা। পছন্দ হৈছে?"—এজনী ছোৱালীয়ে আন এজনীক দেখুৱাই সুধিলে। তাৰ চাবলৈকে সাহস নহ'ল। সি মাত্ৰ ল'ৰা ছোৱালীবোৰৰ কথাবোৰহে নুশুনোঁ বুলিও শুনি থাকিল। "মোক নেলাগে দে, তইহে ছিংগল। তয়ে পাতিলে। গৰু গাড়ীত উঠি খুব ফুৰিবি।"

"গৰু গাড়ী নহয় অ', ঢকুৱা চিনি পাৱ নহয়? ঢকুৱাৰ গাড়ীত আৰু'।"

"আমাৰ মিষ্টাৰেচোন মুখেৰেই নামাতে।" ছোৱালী কেইজনীৰ কথাৰ মাজতে এইবাৰ দাঢ়ি থকা ল'ৰা এটাই তাক ধমকি দি ক'লে—"ঐ কিয় আহিলি ছোৱালী-বিলাকৰ মাজলৈ? লাজ নাই?"

সি ভাবিলে যেনেতেনে বাহিৰলৈ ওলাই যোৱাই ভাল। অথনিৰে পৰা সি অযথা ইয়াতে বন্দী হৈ আছে। এনেকৈ থাকিলে নহব, আগবেলাৰ ভিতৰতে কলেজত ভৰ্তি হৈ লব নোৱাৰিলে লেঠাবোৰ বাঢ়িহে যাব। আজি পুৱা ইফালে ঘৰলৈ বহুদূৰ বাট যাব লাগিব। আজি পুৱা ছয় বজাতে সি ওলাই আহিছে। নতুন কলেজ এখনত ভৰ্তি হোৱাৰ হেঁপাহে তাৰ ভোক পিয়াহ সকলো হৰি নিলে। কিন্তু এইখিনি পাই যদি সি আচল কামটোকে কৰিব নোৱাৰে—।

"মই যাওঁ।" বহুত সাহস গোটাই লৈ সি মাতষাৰ মাতিলে। লগে লগে গোটেইজাক ল'ৰা ছোৱালীয়ে কিৰিলিয়াই উঠিল। এজনীয়ে তাক বিশেষ সুৰ এটাৰে প্ৰশ্ন কৰিলে—

"যায়? ক'লৈ যায়?"

"অফিচলৈ।" সি ক'লে।

"অফিচ জানো আপুনি চিনি পায়?"

"পাওঁ।" সি ক'লে।

"কোনফালে কওঁকচোন, অফিচ কোনফালে?"

"সেই যে মানুহৰ মাত শুনা যেন পাইছোঁ।" সি ক'লে।

"সেয়াতো মানুহৰ, মানুহৰ মাত নহয়।"

"হয়।" সি আকৌ ক'লে। লগেলগে ল'ৰা-ছোৱালীবোৰৰ মাজত সি যেন হাঁহিৰ বোমা এটাহে ফুটালে। হাঁহি হাঁহি সিহঁত এবাৰ বৈ গ'ল আৰু বেচ গহীন সুৰেৰেই এজন ল'ৰাই ক'লে—"তাৰ মানে আপুনি মানুহৰ মাত চিনি পায়? মানে আপুনি মানুহৰে নহয়, পৃথিৱীৰ সমস্ত জীৱ-জন্তুৰ মাতৰ বিষয়ে পঢ়ি নিশ্চয় ডিগ্ৰী লাভ কৰি আহিছে। আচ্ছা, কওঁকচোন বাৰু কুলি চৰাইৰ মাত কেনেকুৱা?"

> হঠাতে হিংস্ৰ হৈ পৰা ল'ৰাটোৰ চেহেৰাই আৰু হিংস্ৰ কৰি তুলিলে ল'ৰা-ছোৱালীজাকক। সিহঁতৰ সহ্য নহ'ল। ওপৰা ওপৰিকৈ সিহঁতে তাক চৰ—গোৰ সোধাবলৈ ধৰিলে।

"কু-উ।" সি জীৱনৰ প্ৰাৰম্ভণিৰে পৰাই শুনি আহিছে বসন্ত-পখীৰ মাত। তাৰ বাবে কুলিৰ মাত তেনেই চিনাকি।

"বান্দৰৰ মাত?"

"খেক্—খেক্ ।" সি বান্দৰৰ মাতো চিনি পায়।

"শিয়ালৰ মাত?"

"হোৱা—হো-ৱা ।"

"কুকুৰৰ মাত?"

"ভুক্—ভুক্ ।"

"মানুহৰ মাত?"

হঠাতে তাৰ সেমেকা দুচকু ৰঙা হৈ জ্বলি উঠিল। পৃথিৱীৰ সমস্ত খং আৰু হিংসাহে যেন থুপ খাই আছে সেই চকুযোৰত। সি উন্মাদৰ দৰে চিঞৰি উঠিল—

"চালা, চুৰবৰ বাচ্ছা। বহিবলৈ পালে তহঁতক শুবলৈ লাগে। কলেজত পঢ়ি বৰ মানুহ হব? মোক চিনি পোৱা নাই কুকুৰ? একে চৰে—।"

হঠাতে হিংস্ৰ হৈ পৰা ল'ৰাটোৰ চেহেৰাই আৰু হিংস্ৰ কৰি তুলিলে ল'ৰা-ছোৱালীজাকক। সিহঁতৰ সহ্য নহ'ল। ওপৰা-উপৰিকৈ সিহঁতে তাক চৰ-গোৰ সোধাবলৈ ধৰিলে। তাৰ পিছত কি হ'ল সি আৰু নাজানে। যেতিয়া গম পায় তেতিয়া সেই কলেজৰে অধ্যক্ষৰ কোঠাত দণ্ডায়মান সি। এফালে সি, আনফালে কলেজৰ দহজনমান ল'ৰা। বোধহয় যিখিনি ল'ৰাক বাৰাণ্ডা আৰু ক্লাচৰুমটোৰ ভিতৰত লগ পাইছিল সেইখিনি ল'ৰাই। সিহঁত শান্ত-শিষ্ট ভাৱে থিয় হৈ আছে। সিহঁতৰ মাজতে টেবুল এখন আগত লৈ চকীত বহি আছে মহামান্য অধ্যক্ষ।

"গণতান্ত্ৰিক দেশত ব্যক্তি স্বাধীনতা সকলোৰে বাবেই দিয়া হৈছে। কিন্তু সেই স্বাধীনতাক অপব্যৱহাৰ কৰিবলৈ মানৱতাই আমাক দিয়া নাই। বুজিলানে ডেকাল'ৰা?"

সি তলমূৰ কৰি থাকিল। দাঢ়ি থকা ল'ৰাটোৱে ক'লে—"চাৰ, দোষীক শাস্তি দিয়া উচিত।"

"হয় চাৰ।" বাকী কেইজনে সমস্বৰে ক'লে। অধ্যক্ষই পুনৰ ক'লে—"বাৰু ডেকা ল'ৰা, তুমি এনে অশোভনীয় পৰিবেশৰ সৃষ্টি কৰিলা কিয়? তুমি উচ্চ বাক্য প্ৰয়োগ কৰিলাইবা কিয়?" এইবাৰ সি অকণমান ওপৰলৈ চালে আৰু সৰু সৰুকৈ কৈ গ'ল—"চাৰ, মোক তেওঁলোকে মানুহৰ মাত মাতিবলৈ কৈছিল। মানুহৰ মিঠা মাত জীৱনত মই শুনাই নাই। আজি ৰাতিপুৱা কলেজত ভৰ্তি হ'বলৈ মহাজনক মই টকা কেইটামান খুজিছিলোঁ। মহাজনে মোক সৰুতেই কিনি ৰাখিছে। পিছে চাৰ, টকা খোজোতে মহাজনে মোক বৰকৈ গালি পাৰিলে। চাৰ, মানুহৰ মাত মাতিবলৈ গৈ মোৰ মাথো আজি পুৱাতে শুনা মহাজনৰ মাতষাৰহে মনত পৰিল আৰু মই তাকে শুনালোঁ।" —সি ৰৈ গ'ল।

তাৰ পিছত কি কোৱা উচিত কোনেও একো ভাবি নাপালে। ●

জাতীয়তাবাদো আজি দুবিধ। প্ৰথমবিধ প্ৰকৃত জাতীয়তাবাদ; এইবিধৰ যি কোনো সাম্ৰাজ্যবাদীৰ সৈতে অহি-নকুল সম্বন্ধ। এইবিধ জাতীয়তাবাদ এটা জাতিৰ সংখ্যা গৰিষ্ঠ সৰ্ব্বহাৰাৰ মুক্তিৰ পক্ষপাতী। এই জাতীয়তাবাদৰ শত্ৰু কোনো এটা বিশেষ জাতি নহয়। ইয়াৰ শত্ৰু হ'ল এটা শ্ৰেণী যিটো শ্ৰেণীৰ কলাগুৰু ৰাভাৰ ভাষাত কোনো জাত-কুল নাই, যিয়ে সদায় মাত্ৰ মুনাফা আৰু বিলাসিতাৰ চিন্তাতে মগ্ন।

আনবিধ জাতীয়তাবাদ হ'ল অনুন্নত পুঁজিবাদৰ বীৰ্যৰে, সাম্ৰাজ্যবাদৰ নলত জন্ম লোৱা নলজাতক জাতীয়তাবাদ (Test Tube Nationalism)। যেতিয়া এটা জাতিৰ অনুন্নত পুঁজিপতি, সদাগৰবোৰে আন এটা জাতিৰ উন্নত পুঁজিপতিৰ সৈতে চলোৱা প্ৰতিযোগিতাত মুখেৰে ফেন বাহিৰ হয়, তেতিয়া ই শিয়ালৰ দৰে আহি নিজেই শোষণ কৰা মানুহৰ লগত মিতিৰালি পাতে।

কন্দৰ্প কুমাৰ কলিতা
সম্পাদক, ৰঃ কঃ আঃ
দশম সংখ্যা





# প্ৰতিশ্ৰুতি আৰু পৰিণতি



জগদীশ শৰ্মা
স্নাতক (কলা) ২য় বৰ্ষ

ৰমেন অফিচৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰত বহি থকা শকত মিঠা বৰণৰ মানুহজনে ৰমেনক চিনি পোৱা নাই। সি নিজৰ পৰিচয়টো সংক্ষেপতে দিলে।

শকত মানুহজনে ৰমেনক বহিবলৈ দি আগমনৰ কাৰণ সুধিলে। সি ভয়ে ভয়ে ক'লে—আপোনাৰ বিভাগত খালি হোৱা পোষ্ট কেইটামানৰ বাবে ইন্টাৰভিউ দিছিলোঁ। ইন্টাৰভিউ ভালেই হৈছে। জীৱন নিৰ্বাহৰ বাবে চাকৰি এটা মোৰ বৰ প্ৰয়োজন। সেয়েহে যদি চাকৰি এটা পালোঁহেঁতেন।

—চাকৰি। —শকত মানুহজনে হাঁহি মাৰি ক'লে—চাকৰি পোৱা আজি-কালি বৰ টান হৈছে। পিছে তুমি আহিছা যেতিয়া চাকৰি এটা দিব পাৰোঁ; কিন্তু—।

—কিন্তু কি চাৰ? কওঁক মই সকলো কৰিব প্যাৰিম, মাথো মোক চাকৰি এটা দিয়ক।

—তেন্তে তুমি টকা পাঁচ হাজাৰ লৈ এই সপ্তাহৰ ভিতৰতে মোক লগ ধৰিবা।

ৰমেনৰ মূৰত তেতিয়াহে টাঙোনৰ কোব পৰিল। সি ক'লে—ইমান টকা মই ক'ত পাম চাৰ? দুই এটা টিউচন কৰি কিবাকৈ চলি আছোঁ।

—টকা দিব নোৱাৰিলে উপায় নাই। এজন ল'ৰাই টকা দিয়ে থৈছে। তুমি অলপ বেছিহে দিব লাগে। তথাপি তোমাৰ ফালে চাই পাঁচ হাজাৰৰ বেছি বিচৰা নাই। পাৰা যদি আহিবা। এতিয়া যোৱা।

ৰমেনৰ খং উঠিল। সি কেতিয়াও টকাৰে চাকৰি নিকিনে। নিজৰ ব্যক্তিত্বক সি বিক্ৰী নকৰে। সি আমন-জিমনকৈ ঘৰলৈ উভতিল।

ৰমেনে দিনৰ পিছত দিন ঘূৰিলে চাকৰি এটাৰ বাবে। সি প্ৰতিশ্ৰুতি দি থৈছে তাৰ মৰমৰ উমাজনীক। যিদিনাই তাৰ চাকৰি এটা হব ঠিক তাৰ পিছতে মৰমৰ উমাক বিয়া কৰাই নিজৰ ঘৰলৈ আনিব। ইফালে উমাই অপেক্ষা কৰি কৰি ভাগৰি পৰিছে। তাহানিৰ কথাবোৰ তাইৰ মনত পৰে। তেতিয়া তাই আছিল

হায়াৰ চেকেণ্ডৰী প্ৰথম বৰ্ষৰ ছাত্ৰী আৰু ৰমেন স্নাতক মহলা, বিজ্ঞানৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ। সি পঢ়াত ভাল আছিল বাবে তাক সকৰে পৰা সকলোৱে মৰম কৰিছিল। এদিন এটা ঘটনা ঘটিছিল। কলেজত প্ৰথম বৰ্ষৰ নাম ভৰ্তি চলি আছে। এনেতে কোনোবা ফালে হোৱা এটা গণ্ডগোল ৰমেনৰ কাণত পৰিল। সি গৈ দেখিলে— এটা কোঠাত কেইজনমান ল'ৰাই পৰিচয় সোধাৰ চলেৰে মাতি নি ছোৱালী এজনীৰ লগত টনা আজোৰা কৰি আছে। ঘটনাই চৰম সীমা নৌপাওঁতেই সি ল'ৰাকেইজনক ককৰ্থনা কৰি ছোৱালীজনীক উলিয়াই লৈ আহিল। সেই ছোৱালীৰ নামেই আছিল উমা।

এয়ে আছিল ৰমেন আৰু উমাৰ চাৰি চকুৰ প্ৰথম চিনাকি। দিন বাগৰে। প্ৰথমে কলেজত দুয়ো দুয়োকে নজনাকৈ লগ পাবলৈ ধৰিলে। তাৰ পিছত দুয়োৰো যেন লগ নহলে নচলে এনে হ'ল। কেতিয়াবা ক্লাচ অফ থাকিলে দুয়ো বাহিৰলৈ ফুৰিবলৈ ওলাই যায়। এদিন কলেজলৈ যোৱাৰ বাটত ৰমেনৰ সৈতে কথা পাতি যাওঁতে তাই বৰ আত্মীয়তাৰে কোৱাদি ক'লে—ৰমেন দা, আমাৰ এই পৰিচয় জানো দুয়োৰো মাজত সীমাবদ্ধ হৈ থকাটো কামনা কৰে? মোৰ মা দেউতাহঁতৰ লগতো আপোনাৰ পৰিচয় হোৱা উচিত।

ৰমেনে যেন এনে এটা সুযোগৰ বাবেই বাট চাই আছিল। লাহে লাহে উমাৰ ঘৰলৈ তাৰ অহা-যাহ চলিল। ঘৰখনৰ লগত কেইদিনমানৰ ভিতৰতে তাৰ সম্বন্ধ নিবিড় হৈ পৰিল। উমাৰ কথাৰ পৰা বুজিলে যে সিহঁতৰ এই সম্পৰ্কত তাইৰ মাক দেউতাকে বেয়া পোৱা নাই।

ৰমেনে চাকৰি বিচাৰি ভাগৰি পৰিছে। আজি ইমান দিনে কিমান অফিচ ঘূৰিলে, কিন্তু ক'তো চাকৰি এটা নোলাল। তাৰ বৰ দুখ লাগিল। দুখীয়াৰ দুখ খণ্ডন নেযায়। কেৱল টিউচনেৰে আৰু কিমান দিন চলিব? তাতে আকৌ তাক এটা বেমাৰে লাগি ধৰিলে।

জ্বৰ আৰু কাহ। কেইবা দিনো হ'ল কমা নাই। ক্ৰমাৎ অসুখটো বেছি হৈ আহিছে। সি কাহি কাহি ভাগৰি পৰে। বুকু বিষাই যায়। ইমান দিন হ'ল— ডাক্তৰক দেখুওৱা উচিত আছিল। কিন্তু কমিব বুলি দেখুওৱা নাই। পইচাও ভালেখিনি লাগিব। অসুখৰ কথা শুনি উমাই তাৰ খবৰ লবলৈ আহে। হাড় গণিব পৰা হোৱা বুকুখন মালিচ কৰি পানী এঢোক খাবলৈ দি উমাই তাৰ অশান্তিকৰ কাহটো বন্ধ কৰিবলৈ চেষ্টা কৰে। কিন্তু সেইদিনা তাৰ কাহৰ স্বৰূপ দেখি তাই স্তব্ধ হৈ গ'ল। আবেলি পাকঘৰত ৰমেনৰ ভনীয়েকৰ সৈতে চাহ খাই থাকোতে উমাই সি কাহি থকাৰ শব্দ শুনি আছিল। অধৈৰ্য ভাৱে তাই ৰৈ আছিল কাহটো কেতিয়া বন্ধ হয় তাকে ভাবি। কিন্তু আজি যে কাহটো বন্ধ হবলৈ আৰম্ভ হোৱা নাই। অৱশেষত 'অ' মা' বুলি চিঞৰা শুনি দুয়ো পাকঘৰৰ পৰা লৰ মাৰি ওলাই গৈ যিটো দৃশ্য দেখিলে উমাৰ মূৰটো আচন্দ্ৰাই কৰি উঠিল। কাহি কাহি অৱশ হৈ পৰা ৰমেনৰ মুখেৰে তেজ আহিছে। খুটা এটাত ধৰি তাই কোনোমতে নপৰাকৈ থাকিল। কাহত নিৰ্গত হোৱা তেজবোৰ ভনীয়েকে ধুই দিলে। ৰঙা বৰণীয়া পানীবোৰ

সি কেতিয়াও টকাৰে চাকৰি নিকিনে। নিজৰ ব্যক্তিত্বক সি বিক্ৰী নকৰে।

চোতালত বিয়পি গ'ল। তাৰে স্মৃতি এটা বৈ আহি তাইৰ ভৰি চুলেহি। তাইৰ গোটেই গাটো জিকাৰ খাই উঠিল। ৰমেনে কঁপা কঁপা মাতেৰে ক'লে মই আৰু বাচি নেথাকিম উমা। মই যক্ষ্মা ৰোগত আক্ৰান্ত হৈছোঁ।

পিছদিনা ৰাতিপুৱা। এচাটি বতাহ বৈ বৈ বৈছিল। পুৱাৰ বেলিটো হঠাতে ক'ৰবাৰ ডাৱৰ এচপৰাই ঢাকি ধৰিছিল। সেইদিনা আটাইৰে মনবোৰ বিষাদৰ ডাৱৰে যেন আৱৰি আছে। আনদিনা ৰমেনে দুৱাৰখন খুলি বিচনাত শুই থাকে। কিন্তু সেইদিনা দুৱাৰখন আঠ বজালৈ বন্ধ হৈ থকা দেখি মাক আৰু ভনীয়েক দুয়ো চিন্তিত হ'ল। দুয়ো দুৱাৰত টুকিয়াই মাতিলে, কিন্তু কোনো সঁহাৰি নেপালে। অৱশেষত দুৱাৰখন ভাঙি ভিতৰত সোমাই দেখিলে—তেজেৰে লুতুৰি-পুতুৰি হৈ থকা ৰমেনৰ মৃতদেহটো। ●





## অভিযাত্ৰী

আপুনি মোৰ বৃত্তিটোক ঘৃণা কৰে বুলি আগতেই জনোঁ। তেনে ক্ষেত্ৰত আপোনাক মই সেইবোৰ কামলৈ আমন্ত্ৰণ জনাব নোৱাৰোঁ। বৰঞ্চ আপোনাক মই শ্ৰদ্ধা কৰোঁ।

ৰূপক দাস
স্নাতক ( কলা ) ১ম বৰ্ষ

( এক )

ৰেলষ্টেচনৰ প্লেটফৰ্মৰ উত্তৰ ফালে, প্লেটফৰ্ম শেষ হোৱাৰ পৰা আৰম্ভ হৈছে এলানি কৃষ্ণচূড়া গছ। কোনোবাই গছবোৰ ৰুইছে, তাৰ তলত কোনোবাই পকাৰে বেঞ্চ সজাই দিছে আৰু কোনোবাই ভাগৰত ঘণ্টাৰ পিছত ঘণ্টা তাত বহি ভাগৰ পলুৱাইছে। অতনু আহি তাৰেই এখন বেঞ্চত বহিলহি। সি অৱশ্যে ভাগৰ পলুৱাবলৈ তাত বহা নাই, বহিছে সন্ধিয়াৰ সময়খিনি কটাবলৈহে। ষ্টেচনৰ চিঞৰ-বাখৰৰ মাজতো অতনুৱে এই ঠাইখিনিত বহি ভাল পায়। তাৰ মনত পুলিচ, মিলিটাৰীৰ ভয়টোও নথকা নহয়। কোন সময়ত গ্ৰেপ্তাৰ হবলগীয়া হয় তাৰ ঠিকনা নাই। ষ্টেচনৰ প্ৰতিজন মানুহেই ব্যস্ত, কেৱল তাৰ বাহিৰে।

সময়বোৰ আগ বাঢ়িছিল। বিজুলী চাকিবোৰ জ্বলি উঠিল। হেলোজেন লাইটৰ হালধীয়া পোহৰে মানুহবোৰক বেমাৰী যেন দেখা কৰিছে। কৃষ্ণচূড়া গছবোৰত ফুলি থকা ফুলবোৰৰ এতিয়া নিজা ৰংটো নাই। লাইটৰ পোহৰ পৰি সেইবোৰ কিবা নাম নজনা ৰঙৰ ফুল হৈ পৰিছে।

দূৰৰ পৰাই অতনুৰ চকুত পৰিল তাৰ সেই চিনাকী গাভৰুজনী। এইফালে আহিলেই সি তাইক দেখা পায়। সুস্বাস্থ্যৰ এজনী গাভৰু। তাইৰ লগত অতনুৰ কথাৰ বিনিময় হোৱা নাই যদিও তাক দেখিলেই তাই হাঁহি এটা মাৰে। সেই হাঁহিত ফুটি উঠে বহু বেদনা। সি শুনিছে, তাইৰ নাম হেনো অমৃতা। নামটো ধুনীয়া। ছোৱালীজনীৰো অৱশ্যে এটা আকৰ্ষণীয় চেহেৰা আছে। তাইক অতনুৰ ভাল লাগে। কিন্তু তাইৰ ব্যৱসায়ৰ বিষয়ে জনাৰ পিছত তাইৰ প্ৰতি অতনুৰ পুতৌ জন্মিছিল। তাইৰ বিষয়ে চিন্তা কৰিবলৈ সি বাধ্য হৈ পৰিছিল। ষ্টেচনৰ বজাৰত অমৃতাৰ দেহৰ মূল্য পঞ্চাচৰ পৰা এশ টকা। তাই আহি অতনুৰ কায পালে। কোনো ব্যতিক্ৰম নাই।

অইন দিনাৰ দৰে হাঁহি এটা মাৰি তাই আঁতৰি গ'ল। অতনুৱেও প্ৰত্যুত্তৰ দিলে।

দুটামান উকি মাৰি উজনীমুৱা কামৰূপ এক্সপ্ৰেছ ৰেলগাড়ীখন ষ্টেচনত ৰৈ গ'ল। এই গাড়ীখন ষ্টেচনত পাঁচ মিনিট সময়ৰ বাবে ৰয়। গণ্ডগোল বাঢ়িল। গাড়ীৰ পৰা নমাবোৰ নামিছে, উঠাবোৰ উঠিছে। পান-তামোল বিক্ৰী কৰা ল'ৰাবোৰে পান, তামোল, বিড়ি, চিগাৰেট বুলি ডবাই ডবাই ঘূৰি ফুৰিছে। কুলীবোৰৰতো কথাই নাই। পৃথিৱীখনত যেন সিহঁতহে আছে, জীয়াই থকাৰ সংগ্ৰাম কৰিবলৈ। অতনুৰ ভাল লাগি গ'ল।

এহাল ডেকা গাভৰু অতনুৰ সন্মুখেৰে হাতত ধৰা-ধৰিকৈ আগবাঢ়ি গ'ল। সিহঁতে হয়তো দুয়ো দুয়োকে ভাল পায়। সন্ধিয়া মাক-বাপেকক ফাঁকি মাৰি ষ্টেচনলৈ ফুৰিবলৈ আহিছে। অতনুৰ অনুজালৈ মনত পৰিল। সি নিজৰ প্ৰাণতকৈও অনুজাক বেছি ভাল পায়। কিন্তু সি বহুদিন তাইক দেখা কৰিব পৰা নাই। পুলিচ মিলিটাৰীৰ ভয়ত পলাই ফুৰিবলগীয়া হৈছে। আৰু কেতিয়াকৈ দেখা কৰিব পাৰিব তাৰ কোনো ঠিকনা নাই। লাহে লাহে অতনু থিয় হ'ল আৰু ওভাৰ ব্ৰীজখনৰ তলেৰে ৰেল লাইনবোৰ অতিক্ৰম কৰি আগবাঢ়িব ধৰিলে। কিছু সময় পিছত সি আন্ধাৰ গলি এটাৰ ভিতৰত সোমাই পৰিল।

( দুই )

বেচৰকাৰী বাছ এখনৰ দুজনীয়া আসন এখনত সিহঁতে বহি ললে। প্ৰায় দুবছৰৰ মূৰকত অতনুৱে আজি ঘৰলৈ যাব। বাতৰি কাকত এখন লৈ অশান্তই চকু ফুৰাবলৈ ধৰিলে। অতনুৱে ঘৰলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰোতে সহকৰ্মী অশান্তই তাক অকলে পঠাব'ল নিবিচাৰি সিও তাৰ লগত আহিছে। নৈশ বাছত সিহঁত পুনৰ উভতি আহিব। সিহঁতে জানেই দেশৰ এই পৰিস্থিতিত সিহঁত ঘৰত থকাটো সিমান নিৰাপদ নহব। অতনুৱে শুনিছে—তাক বিচাৰি সামৰিক বাহিনীয়ে কেইবাদিনো সিহঁতৰ ঘৰত তালাচী চলাইছে আৰু তাক নাপাই ককায়েক অতুলক মাৰধৰ কৰিছে। নবৌয়েক অঞ্জলিলৈ তাৰ মনত পৰিল। নবৌয়েকে অতনুক অসীম মৰম কৰে। সি প্ৰশিক্ষণলৈ যোৱাৰ সময়ত নবৌয়েকে চকুলো টুকিছিল। সেৱা এটা জনাই সি নবৌয়েকক কৈছিল—তুমি কিয় কান্দিছা নবৌ? মইতো একো বেয়া কামত ওলোৱা নাই। মই দেশৰ মানুহৰ কাৰণেহে ওলাইছোঁ।

নবৌৱেকে অতনুৰ কথা শুনি ডাঙৰকৈ কান্দি দিছিল, মাকে আশীৰ্ব্বাদ দিছিল আৰু ককায়েকে গৌৰৱ কৰি কৈছিল—মোৰ সৰু ভায়ে আজি মানুহৰ মঙ্গলৰ বাবে ওলাইছে। অতনু তই যাগৈ যা। ঈশ্বৰে তোৰ মঙ্গল কৰিব।

তাৰ পিছত ওলাই আহিব ধৰা চকুলো দুটোপাল চকুতে মোহাৰি ককায়েক আঁতৰি গৈছিল। অতনু পহুলি মুখ পাইছিল। ক'ৰবাৰ পৰা ককায়েকৰ তিনি বছৰীয়া ল'ৰা অঞ্জন আহি ওলালহি। সি ক'লে—খুৰা, তুমি যোৱা নেকি? আহোতে কিন্তু মোলৈ চকলেট আনিব নাপাহৰিবা।

—চকলেট, তোমালৈ চকলেট আনিবলৈ কিয় পাহৰিম আকৌ? অঞ্জনক কোলাত তুলি চুমা এটা খাই অতনুৱে কৈছিল। এইবাৰ তোমালৈ পূৰা দহটা চকলেট লৈ আহিম।

—মিছা কৈছা দিয়া। মায়ে কৈছে এইবাৰ হেনো তুমি বহুদিন আহিব নোৱাৰা। তুমি বহু দূৰলৈ যাবা নহয়নে খুৰা? আধা ফুটা মাতেৰে অঞ্জনে সুধিছিল।

—অ', বহুত দূৰলৈ। প্ৰথমে বাছেৰে আৰু তাৰ পিছত ৰেলগাড়ীৰে যাব লাগিব।

—তোমাৰ লগত মোকো নিবানে খুৰা?

—তুমি এতিয়া যাব নালাগে। ডাঙৰ হ'লে মই তোমাক লৈ যাম নহয়।

—তুমি বেয়া যোৱা। নাথাকোঁ মই তোমাৰ লগত। অভিমান কৰি সি অতনুৰ কোলাৰ পৰা নামি আঁতৰি গৈছিল। অতনুৱে খোজ পেলাইছিল। নবৌৱেকে চাই আছিল দৃষ্টিৰ আঁৰ নোহোৱালৈ।

গাড়ীখন ৰৈ গৈছিল। আবেলিৰ আকাশত তেতিয়া হেঙুলীয়া বেলি। ৰঙা আকাশখন নৈৰ পানীত জিলিকি আছে। এজাক সৰু চৰায়ে আনন্দ মনে ঘৰমুৱা হৈছে। পৰিবেশটো অতনুৱে ভাল পালে। পিছ মুহূৰ্তত অতনুৱে দেখিলে, কেইজন মান মানুহে নৈৰ পাৰত ঘূৰনীয়াকৈ বহি তাচ খেলিছে। তাৰ এনে লাগিল সি যেন এই জুৱাৰী কেইজনক নৈৰ পানীত জুবুৰিয়াই মাৰিব। সৃষ্টিৰ অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্য্যখিনিকো এই মানুহবোৰে আজি হত্যা কৰিব ধৰিছে।

গাড়ীখনে পুনৰ গতি কৰিছিল। তাৰ মনলৈ আহিল অমৃতাৰ কথা। কেৱল জীয়াই থকাৰ বাবে তাই সাৱতি লব লগা হৈছে বেশ্যা বৃত্তিৰ দৰে এক জঘন্য বৃত্তি। এইবোৰ কথা ভাবিলে তাৰ মগজুটো উত্তপ্ত হৈ উঠে। তাৰ উশাহবোৰ ক্ৰমাৎ ঘন ঘন হৈ আহিছিল।

—তোৰ কি হৈছে অতনু?—অতনুৰ কপালত বিৰিঙি উঠা ঘামৰ কণিকাবোৰলৈ চাই অশান্তই সুধিলে।

—নাইতো কি হোৱা দেখিলি?—অতনুৱে ওলোটাই প্ৰশ্ন কৰিলে।

—তই মিছা কৈছ। তোৰ নিশ্চয় কিবা এটা হৈছে।

—একো হোৱা নাই। মাত্ৰ ভাবিছোঁ...।

—কি ভাবিছ?

—কিছুমান এনে কথা ভাবিছোঁ, যিবোৰ মোৰ মনত সদায় সাঁথৰ হৈ ৰব।

—তোৰ মনত কোনো কথাকে সাঁথৰ হৈ থাকিবলৈ নিদিওঁ। ক, কি ভাবিছ।

—নোৱাৰ অশান্ত, সেইখিনি তই কৰিব নোৱাৰিবি।

—মই তোক কথা দিছোঁ, তই মাত্ৰ কচোন।

—হয় নেকি? তেনেহ'লে ক, তই পৃথিৱীখন ধ্বংস কৰি পেলাব পাৰিবি?

অতনুৰ কথা শুনি সিহঁতৰ আসনৰ ওচৰত বহি থকা যাত্ৰীবোৰে এক বিশেষ দৃষ্টিৰে সিহঁতৰ পিনে চালে।

—যিকোনো কথা ভাবি মানুহ ইমান চেণ্টিমেণ্টেল হব নালাগে, বুজিছ।—অশান্তই ক'লে।

অতনুৱে সহযাত্ৰীবোৰলৈ চালে। তেতিয়াহে সি ক'ত আছে বুজিব পাৰিলে। তাৰ লাজ লাগি গ'ল। মানুহবোৰে তাক কি বুলি ভাবিব এতিয়া? সি মনে মনে বহি থাকিল। অশান্তই বাতৰি কাকতখনত মনোনিবেশ কৰিলে।

কিছু সময় পাৰ হৈ গৈছিল। অশান্তই কাকতখন সামৰি সুধিলে—অনুজাহঁতৰ ঘৰলৈও যাবি নেকি?

—যাওঁ বুলি ভাবিছোঁ। —অতনুৱে উত্তৰ দিলে।

সিহঁত আকৌ নীৰৱ হৈ পৰিল। তেতিয়া পৃথিৱীত এন্ধাৰে ক'লা পাখি দুখন মেলি দিছিল। চাৰিওফালে এন্ধাৰ। মাজে মাজে মাথো বিজুলী চাকিবোৰে অলপ-অচৰপ এন্ধাৰক খেদিব পাৰি বুক ফিন্দাই পকী খুটাবোৰত ওলমি আছিল। সিহঁতেই যেন এতিয়া পৃথিৱীত পোহৰৰ ৰজা। শেষৰটো বাচ ষ্টপেজত সৰ্বশক্তিৰে চিএৰ এটা মাৰি বাছখন ৰৈ গ'ল। অতনুহঁত গাড়ীৰ পৰা নামিল। বাচ ষ্টপেজৰ পৰা অতনুহঁতৰ ঘৰলৈ প্ৰায় এক কিলোমিটাৰ। অনুজাহঁতৰ ঘৰ সিহঁতৰ ওচৰতে। অশান্তই ৰিক্সা এখন লোৱাৰ কথা কৈছিল; অতনুৱে বাধা কৰিলে। সেইখিনি পথ সিহঁতে খোজ কাঢ়িয়েই যাব পাৰিব। দুয়ো আগবাঢ়িল। পুহ মহীয়া শীতৰ ৰাতি। বাটে-ঘাটে মানুহ-দুনুহ বেছি নাই। তাতে দেশৰ পৰিস্থিতি বিপজ্জনক; কাক, কেতিয়া, ক'ৰ পৰা পুলিচ-মিলিটাৰীয়ে ধৰি নিয়ে কোনে জানে? সন্ধিয়া ছয় বজাৰ পিছৰে পৰা মানুহ, যান-বাহন ইত্যাদিৰ সংখ্যা কমি আহে। অশান্তই সৰু টৰ্চটোৰ পোহৰ পেলাই সময় চালে। প্ৰায় সাত বাজিছে।

—পৃথিৱীখন কিয় ধ্বংস কৰিব লাগে? —হঠাৎ অশান্তই সুধিলে!

—দুৰ্নীতি, অন্যায়, অবিচাৰ, ব্যভিচাৰেৰে গোটেই পৃথিৱীখন কুৎসিৎ হৈ পৰিছে। পৃথিৱীত মাথো পাপ আৰু হত্যাৰ গোন্ধ। —অতনুৱে ক'লে।

—সেয়া জানো নতুনকৈ কব লগা কথা? গাড়ীত তই ইমানবোৰ মানুহৰ মাজত সেইবোৰ কথা কব নালাগিছিল

—ময়ো জানোঁ।

—তেতিয়া হ'লে কিয় কৈছিলি?

—নাজানোঁ। এজনী দেহ বিক্ৰী কৰি খোৱা ছোৱালীৰ কথা ভাবিছিলোঁ।

—দেহ বিক্ৰী কৰি খোৱা ছোৱালী? কোন?

—অমৃতাক চিনি পাৱ?

—কোন অমৃতা?

—ষ্টেচনত থাকে তাই। সেইফালে গ'লেই তাইক লগ পাওঁ।

—সেইটো আকৌ কি ডাঙৰ কথা? ষ্টেচনত তই বহু তেনেকুৱা ছোৱালী লগ পাবি। সেয়াই সিহঁতৰ ধান্দা।

—মিছা কথা। উপায় থাকোতে কোনেও এনে জঘন্য বৃত্তি লব নোৱাৰে। বিশেষকৈ অমৃতাই।

—অমৃতাৰ বিষয়ে ইমানকৈ চিন্তা কৰিছ কিয়? অমৃতাতো তোৰ একো নহয়?

—কি কৈছ তই? মুক্তিকামী সংগঠন এটাৰ এজন উচ্চ পৰ্যায়ৰ নেতা হৈ আজি তোৰ মুখত এনে কথা? অমৃতা মোৰ তেজৰ সম্পৰ্কীয় একো নহয় সঁচা, কিন্তু তাই জানো এজনী মানুহ নহয়। তাইৰ প্ৰতি জানো আমাৰ কৰ্ত্তব্য থাকিব নোৱাৰে? মই তাইক সহায় কৰিম অশান্ত, যেনেকৈ নহওঁক মই তাইক সহায় কৰিম। এটা সৎ পথলৈ তাইক লৈ আহিম।

—বাৰু তই যি ভাল দেখ কৰিবি।

(তিনি)

অনুজাহঁতৰ বাটত কিছু সময়ৰ বাবে সিহঁত ৰৈ গ'ল। কিবা চিন্তা কৰি অতনুৱে ক'লে—তই অলপ আগ বাঢ়ি থাক। মই অলপ পিছত গৈছোঁ।

—কিয়? —অশান্তই সুধিলে।

—অনুজাক দেখা কৰি যাওঁ বুলি ভাবিছোঁ।

—বাৰু, তেতিয়া হ'লে তই আহিবি। মই গৈ থাকোঁ।

—শুন, মই ইয়াত সোমোৱা বুলি নবৌহঁতৰ আগত নকবি।

—নকওঁ দে।

অশান্ত গুচি গ'ল। অতনু নিঃশব্দে অনুজাহঁতৰ বাৰান্দাত থিয় হ'ল। কলিং বেলৰ বুটামত হেচি ধৰিলে। তাৰ অন্তৰখনে ঢপঢপাবলৈ ধৰিলে। দুৱাৰখন খোলা গ'ল।

—অনু। অস্ফুট স্বৰেৰে অতনুৱে কোনোমতে মাত দিলে। সি বুকুখনত এটা মিঠা বিষ অনুভৱ কৰিলে।

—তুমি?—জোনাকৰ পোহৰত দুয়ো দুয়োৰে ফালে কিছু সময় চাই থাকিল।

—ঘৰলৈ নামাতা?—অতনুৱে সুধিলে।

—আহা।

দুয়ো সোমাই গ'ল। অতনুক বহিবলৈ কৈ অনুজা ভিতৰৰ কোঠাত সোমাল। অতনু বহিল। ঘৰখনত সি এক গভীৰ নীৰৱতা অনুভৱ কৰিলে।

অলপ পিছতে অনুজা আকৌ আহিল। চকী এখনত তাই বহিল। কিছু মুহূৰ্তৰ কাৰণে দুয়োৰো মাজত মৌনতা বিৰাজ কৰিলে। অতনুৱে মন কৰিলে অনুজাৰ মুখমণ্ডলত করুণ আভা। মাজে মাজে তাই অতনুৰ মুখৰ ফালে চাইছে যদিও মুখেৰে কিন্তু একো কব পৰা নাই। হয়তো বহু কিবা-কিবি তাই তাক কব বিচাৰিছে।

—অনু!—মৌনতা ভঙ্গ কৰি অতনুৱে মাত লগালে।

—হো। —অনুজাই সহাৰি জনালে।

—তোমাৰ গা ভাল নহয় নেকি?

—বেমাৰৰ খবৰ লবলৈ তোমাৰ চাগৈ আজিহে মনত পৰিছে।

—নহয় অনু, তুমি....।

—হৈছে, হৈছে, তোমাৰ অসুবিধাবোৰ শুনাৰ ধৈৰ্য মোৰ নাই। দেশৰ সেৱা কৰিবলৈ গৈ ঘৰখনক পাহৰি যাব লাগেনে? মোৰ কথা নকওঁৱেই, মইতো তোমাৰ একো নহওঁ। কিন্তু নিজৰ ককায়েৰা, নবৌৱেৰাৰ কথাও মনত নপৰেনে? যোৱা মাহত সামৰিক বাহিনীয়ে...।

—কি হ'ল অনু, ৰৈ গ'লা যে?

—নবৌৱেৰাই জানো কোৱা নাই?

—ঘৰ গৈ পোৱাই নাই। গাড়ীৰ পৰা নামিয়ে ইয়ালৈ আহিছোঁ।

—যোৱা মাহত সামৰিক বাহিনীয়ে গোটেই গাওঁখন লণ্ডভণ্ড কৰিলে তোমাক আৰু আমাৰ দাদাক বিচাৰি।

—তাৰ পিছত?— অতনুৱে সুধিলে। অনুজাৰ চকু-কেইটা চলচলীয়া হ'ল।

—তোমাক নাপাই ককায়েৰাক লৈ গ'ল সিহঁতে। অতিপাত শাস্তি দিলে তোমাৰ কথা সুধি। আৰু আমাৰ দাদাক নাপাই দেউতাক ধৰি নিলে।

অনুজাৰ চকুৰ পৰা দুটোপাল চকুপানী সৰি পৰিল।

—সামৰিক বাহিনীৰ চাউনিত দেউতাক অতিপাত শাৰীৰিক যন্ত্ৰণা দিলে। ইলেক্‌ট্ৰিক শ্বক্ পৰ্যন্ত। বয়সস্থ দেউতাই সেইবোৰ সহ্য কৰিব নোৱাৰিলে আৰু আমাক এৰি আঁতৰি গ'ল। —তাই হুকহুকাই কান্দি দিলে।

শিল পৰা কপৌৰ দৰে অতনু বহি ৰ'ল। নিজকে তাৰ অপৰাধী অপৰাধী বোধ হ'ল। তাৰ কাৰণে তাৰ ককায়েকে শাস্তি ভুগিলে। অনুজাৰ দেউতাকে মৃত্যুক আঁকোৱালী লব লগা হ'ল। অনুজাৰ ককায়েক অমল এজন শীৰ্ষ স্থানীয় নেতা, গতিকে তাক বিচাৰিবই। কিন্তু তাক নাপাই ককায়েকক হত্যা কৰাৰ যুক্তিযুক্ততা ক'ত? অতনু



অনুজাৰ ওচৰলৈ উঠি আহিল। তাইৰ কপালত সিচঁৰতি হৈ থকা চুলিবোৰ সযত্নে আঁতৰাই চকুপানীখিনি মচি দি ক'লে—নাপায় অনু, কান্দিলে জানো কিবা লাভ হ'ব? যেতিয়ালৈকে আমি শোষক গোষ্ঠীৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকিম তেতিয়ালৈকে সহ্য কৰাৰ বাহিৰে অইন উপায় নাই। চাওঁ, মোলৈ চোৱাচোন। তুমি মাথো কান্দিছাহে। —দ্বিতীয় বাৰৰ বাবে অতনুৱে অনুজাৰ চকুপানীবোৰ মচি দি হাত দুখনত সাৱতি ধৰিলে।

অনুজাই এজনী সৰু ছোৱালীৰ দৰে কুচিমুচি অতনুৰ বুকুৰ মাজত সোমাই উচুপিব ধৰিলে। অতনুৰ বাহিৰে তাইৰ আশ্ৰয় স্থল যেন এতিয়া একো নাই। সেই শৈশৱৰ পৰা তাই তাৰ অন্তৰখন বুজি পাইছে। তাইৰ অন্তৰৰ সমস্ত ভাল পোৱা, মৰম তাই অতনুক দিছে। সি তাইৰ প্ৰাণৰ দেৱতা।

সময়বোৰ পাৰ হৈ গৈছিল।

—এটা কথা কম, ৰাখিবানে?—অলপ প্ৰকৃতিস্থ হৈ অনুজাই সুধিলে।

—কি কথা কোৱাচোন?

—এইবোৰৰ পৰা তুমি আঁতৰি আহিব নোৱাৰানে?

—কিয়?

—আনৰ বাবে নহ'লেও তোমাৰ জীৱনটোৰ বাবে। কেতিয়াবা দাদা ঘৰলৈ আহিলে তাকো কম এইবোৰ এৰি দিবলৈ। জানা, তোমালোক দুয়োৰে চিন্তাত মই শান্তিৰে থাকিব নোৱাৰা হৈছোঁ। অথচ তোমালোকে নিজৰ জীৱন-বোৰক ইমান তুচ্ছ জ্ঞান কৰা।

—তুমি এইবোৰ কি কৈছা অনু? আমি এটা মহান উদ্দেশ্য লৈ আগুৱাইছোঁ। কিবা এটা পাব লাগিলে কিবা এটা হেৰুৱাব লাগিব আৰু দেশখনৰ তুলনাত আমাৰ জীৱনবোৰৰ মূল্য তেনেই নগণ্য।

অতনুৱে অনুজাৰ পৰা বিদায় ললে। তাই পদূলি মুখলৈ ওলাই আহি সি যোৱাৰ পিনে চাই থাকিল। তাইৰ অজ্ঞাতে ওলাই অহা চকুলো দুটোপাল বাগৰি আহি গালত পৰাতহে তাইৰ সম্বিত ফিৰি আহিল। চকুলো মচি তাই আকৌ এবাৰ সন্মুখৰ ফালে চালে। নাই, কেতিয়াবাই সি এন্ধাৰৰ সৈতে মিলি গ'ল।

—দাদা।—দোষী দোষী মনোভাবেৰে অতনুৱে ককায়েকক মাত দিলে।

অতনুৰ মাত শুনি ৰান্ধনীশালৰ পৰা নবৌয়েক দৌৰি আহিল; লগে লগে অঞ্জনো। নবৌৱেকলৈ তাৰ দুখ লাগি গ'ল। তাৰ কাৰণে ককায়েকে কিমান বা সামৰিক নিৰ্যাতন ভুগিব লগা হ'ল।

—তই আহি পাইছ?—ককায়েকে সুধিলে।

—আহিলোঁ দাদা।

—ইয়াত তই বেছি পলম কৰি থকাৰ প্ৰয়োজন নাই। ততাতৈয়াকৈ কিবা এগাল খাই আঁতৰি যোৱাই তোৰ বাবে মঙ্গল হব অতনু।—ককায়েকে ক'লে।

—কিয় দাদা?

—সেইবোৰো আকৌ তইঁতক বুজাই কব লাগিব নেকি?

—নৱৌ, কি হৈছে মোক ভাঙি-পাতি নোকোৱা কিয়? অশান্ত কলৈ গ'ল?

—অশান্ত আহি বহিছিল মাত্ৰ। মিলিটাৰীয়ে চাৰিওফালৰ পৰা আমাৰ ঘৰ আগুৰি ধৰিলে। বেচেৰা অশান্তই পলাই যোৱাৰ সুবিধাকণো নাপালে। তাক সিহঁতে হাতে ভৰিয়ে বান্ধি ধৰি লৈ গ'ল। নবৌৱেকে কৈ চকুলো মচিলে।

—কি? —অতনু আচৰিত হ'ল।

—সেই কাৰণে কৈছোঁ। তাক সিহঁতে শাস্তি দি তই অহাৰ খবৰটো উলিয়াই লব। তয়ো সাৰি যাব নোৱাৰিবি। গতিকে সোনকালে ইয়াৰ পৰা আঁতৰ হ।

ককায়েকৰ ভৰি দুখনত ধৰি সি সেৱা জনালে।

—মই যাওঁ দাদা।

—যাগৈ, সাৱধানে চলিবি।

—নবৌ, নবৌ।—অতনুৱে চিঞৰি মাতিলে। ওচৰত নেদেখি দৌৰি সি ৰান্ধনীশাল পালেগৈ।

—মই যাওঁ নবৌ। —সি নবৌয়েকৰ ভৰি চুলে। নবৌৱেকে মনে মনে চকুলো টুকিলে।

—এই গাখীৰখিনি খাই যোৱা। গাখীৰ গিলাচ আগবঢ়াই নবৌৱেকে ক'লে। অতনুৱে গাখীৰ গিলাচ খাই পেলালে।

—খুৰা। —পিছফালৰ পৰা অঞ্জনে মাত দিলে।

—অঞ্জন, তুমি মনে মনে ইয়াত কি কৰিছা?—লেতেৰা

কাপোৰ বিছুমানেৰে অঞ্জনে তৈয়াৰ কৰা বলটোৰ পিনে চাই অতনুৱে সুধিলে।

—বোমা সাজিছোঁ। এইটোৰে মই দেউতা আৰু অশান্ত খুৰাক ধৰি নিয়া মিলিটাৰীবোৰক মাৰি পেলাম। এইবাৰ যেতিয়া সিহঁতে তোমাক বিচাৰি আমাৰ ঘৰলৈ আহিব, মই এইটোত জুই লগাই দিম। তেতিয়া মিলিটাৰীবোৰ মৰি থাকিব, নহয়নে খুৰা?

—অ', বাৰু তুমি এইবোৰ সাজি থাকা। মই যাওঁ।

অতনু গুচি গ'ল। অঞ্জনে হাত জোকাৰি খুৰাকক বিদায় দিলে।

( চাৰি )

পুৱতী নিশা অতনু নৈশ বাছৰ পৰা নামিল। পোনে পোনে সি ষ্টেচনৰ ফাললৈ খোজ দিলে। অতনু গৈ তাৰ চিনাকী ভাল লগা ঠাই টুকুৰা পালে। কৃষ্ণচূড়াৰ ফুলবোৰ ওলমি আছে। তলৰ পকী বেঞ্চবোৰত বহা মানুহ কোনো নাই। ষ্টেচনটোও জনশূন্য প্ৰায়। প্লেটফৰ্ম পাৰ হৈ ওভাৰ ব্ৰীজখনৰ তলেৰে ৰেললাইনবোৰ পাৰ হব ধৰোঁতেই পিছফালৰ পৰা কাৰোবাৰ মাত শুনি অতনু ক্ষন্তেক ৰৈ দিলে। মানুহজন তাৰ ওচৰ পালে। এখন ডাঙৰ কাপোৰেৰে মানুহজনৰ গা মূৰ আবৃত।

—কোন? —অতনুৱে সুধিলে।

—মই? —আগন্তুকে মূৰৰ পৰা কাপোৰখন নমাই দিলে।

—তুমি? —অতনু আচৰিত হ'ল। এইজনী চোন অমৃতা।

পুৱতী নিশালৈ তোমাৰ ব্যৱসায় চলিয়েই থাকে নেকি বুলি কব খুজি অতনু ৰৈ গ'ল। তাইতো আগতে কাহানিও তাক মতা নাছিল। আজি এই মুহূৰ্তত তাই তাক মতাৰ অন্তৰালত কি উদ্দেশ্য থাকিব পাৰে, সি ভাবি নাপালে।

—আপুনি চাগে' আচৰিত হৈছে। ভুল নুবুজিব। আপোনাক মই মোৰ ব্যৱসায় চলোৱাৰ বাবে মাত দিয়া নাই। —অমৃতাই ক'লে।

—মোৰ সৈতে তোমাৰ ব্যৱসায় চলাবলৈ চেষ্টা কৰিলেও তুমি বিফলহে হবা।

—আমি মানুহ চিনি পাওঁ ককাইদেউ। আপুনি মোৰ বৃত্তিটোক ঘৃণা কৰে বুলি আগতেই জানো। তেনে ক্ষেত্ৰত আপোনাক মই সেইবোৰ কামলৈ আমন্ত্ৰণ জনাব নোৱাৰোঁ। বৰঞ্চ আপোনাক মই শ্ৰদ্ধা কৰোঁ, ভক্তি কৰোঁ।

অতনু এইবাৰ আৰু বেছি আচৰিত হ'ল, এজনী দেহ বিক্ৰী কৰি খোৱা ছোৱালীৰ তাৰ প্ৰতি থকা ভক্তিৰ কথা শুনি।

—তেতিয়া হ'লে এই শেষ নিশা মোক দেখা কৰাৰ উদ্দেশ্য? —অতনুৱে সুধিলে।

—এই ঠাইখিনি আপোনাৰ বাবে নিৰাপদ হৈ থকা নাই। আপুনি এই মুহূৰ্তত ইয়াৰ পৰা দূৰলৈ গুচি যাওঁক।

—কিয়?

—আপুনি যিজন বন্ধুৰ সৈতে সেই ঘৰটোত আছিল, আজি কিছু বেলি আগতে সেই বন্ধুজনক লৈ আহি দুগাড়ী মিলিটাৰীয়ে ঘৰটো ঘেৰি ধৰি সকলোবোৰ লণ্ডভণ্ড কৰি পেলাইছে।

—কি? —অতনু জিকাৰ খাই উঠিল।

—মই বুজিছোঁ, আপুনি ইয়াত নিৰাপদ নহয় ককাইদেউ। আপুনি তৎক্ষণাত ইয়াৰ পৰা আঁতৰি যাওঁক।

—অমৃতা। —আৱেগত তাৰ মাতটো থোকা-থুকি হৈ ওলাল। মই আঁতৰি যাম ভনীটি। আৰু তোমাক দেখা পাওঁ নে নাপাওঁ কব নোৱাৰোঁ। কিন্তু যোৱাৰ বেলিকা তোমাক মই এটা অনুৰোধ কৰিম তুমি মোৰ অনুৰোধ ৰাখিবা নে?

—কওঁক। মই যথা সম্ভৱ চেষ্টা কৰিম।

—তুমি পাৰিলে তোমাৰ জীৱিকাৰ পথটো সলনি কৰিবা। মই আজি তোমাক একোৰে সহায় কৰিব নোৱাৰিলো। কিন্তু ...।

দুয়ো কিছু সময় মৌন হৈ ৰ'ল। ইতিমধ্যে পুৱে ধলফাট দিছে।

—আপুনি যাওঁক গৈ ককাইদেউ। ট্ৰেইন এখন আহি পাবৰ হৈছে। মই আপোনাৰ কথা ৰাখিম।

—সঁচা? —অতনুৱে অমৃতাৰ হাতদুখন সাৱতি ধৰিলে।

অতনুৱে লাহে লাহে খোজ পেলালে। অমৃতাই সি যোৱাৰ ফালে চাই ৰ'ল। পূব দিশৰ পাহাৰ ফালি ওলাই অহা অৰ্দ্ধ উদিত সূৰ্যটোৰ ৰঙা ৰঙা ৰশ্মিবোৰ তাৰ দেহত পৰি জিলিকি উঠিল।





# অপেক্ষা

প্ৰিয়ঙ্কা শৰ্মা
স্নাতক ( কলা ) ২য় বৰ্ষ

এতিয়াই কলিং বেলত চিনাকী শব্দ বাজিব
আৰু মই দৌৰি গৈ দুৱাৰ খুলি দিম।
লগে লগে প্লাৱনে আওৰাব হীৰেণ
ভট্টাচাৰ্যৰ সেই চিনাকী কবিতাটো
—"অপেক্ষাৰ আহত দিন,
শূন্যেৰ জপিয়ায় কোন
মায়াবী হৰিণ"। যিদি-
নাই আহি পোৱাত
অলপ দেৰি
হয়, সেই-
দিনাই তেওঁ
তেনেকুৱা
কৰে।

যিমানেই সময়ৰ সূতাডাল দীঘল হৈ গৈ আছে, সিমানেই ভয়, উৎকণ্ঠা বাঢ়ি গৈ আছে। আজিৰ নিচিনা বিশেষ দিন এটাত ইমান দেৰিলৈকে আহি নোপোৱাৰ কোনো কাৰণ কি হব পাৰে মই ভাবি পোৱা নাই। কোনো দিনেতো এনেকুৱা নহয়, অগত্যা কেতিয়াবা কিবা কাৰণত যদি আহিম বুলি কৈও আহিব নোৱাৰে, আগতীয়াকৈ খবৰ পঠিয়ায়। "বৰষা, এবাৰ নোৱাৰা কাম এটাত মই এঠাইলৈ যাবলগীয়া হ'ল, তুমি যেন মোলৈ ৰৈ নাথাকা।" আজিতো তাকো নাই। সন্ধিয়া পাঁচ বজাতেই আহিম বোলা মানুহজন। নিশা ন বাজিবৰ হ'ল। নহাৰতো কথা নাই। আজি মোৰ জন্মদিন, তাতে আকৌ আজিৰ দিনটোৰ নিচিনা এটা দিনতেই প্লাৱনৰ স'তে মোৰ দেখাদেখি হৈছিল—আজিৰ পৰা সম্পূৰ্ণ পাঁচ বছৰৰ আগতে।

তেতিয়া মই মেট্ৰিক দি উঠিছোঁ। পৰীক্ষাৰ ৰিজাল্ট ওলাবলৈ বেছিদিন নাই। সিদিনা আছিল মোৰ জন্মদিন। শৈশৱৰ পৰা মোৰ জন্মদিনত মা-দেউতাই মোক লগত লৈ গৈ মই বিচৰা বস্তুবোৰ কিনি দিয়ে। ই এক প্ৰকাৰ মোৰ জেদ আছিল। ঘৰৰ একমাত্ৰ ছোৱালী, গতিকে আদৰো বেছি! সেইদিনাও দেউতাৰ লগত ওলাই গ'লোঁ—বজাৰ কৰাৰ মনেৰে। এখন কাপোৰৰ দোকানত কিবা-কিবি কাপোৰ ল'ম বুলি পছন্দ কৰাত লাগিলোঁ। দেউতাই ওচৰত থকা এজন ল'ৰাৰ লগত কাপোৰ ইত্যাদি লৈ কিবা-কিবি কথা পাতি আছিল। মই সেইবোৰত মনোযোগ নিদি একান্ত মনে কাপোৰ পছন্দ কৰি দোকানত থকা মানুহজনক পেক্ কৰি দিবলৈ ক'লোঁ। বাছ-ষ্টপেজত ৰৈ আছোঁ। হঠাৎ ফিয়েট এখন আহি আমাৰ ওচৰত ৰৈ দিলে। দেখিলোঁ, এবাৰ চালেই ভাল লাগি যোৱা ধুনীয়া ল'ৰা এজন নামি আহিছে। গাড়ীৰ পৰা নামি ল'ৰাজন মোৰ ওচৰলৈ আহি মোক উদ্দেশি ক'লে—"এক্সকিউজ মি, বোধহয় আপোনাৰ লগত মোৰ পেকেট্‌টো চেঞ্জ হৈছে, এইমাত্ৰ জানো আপোলোক সেই দোকানখনৰ পৰা ওলোৱা নাই?" কথাখিনি শুনি মই থত্‌মত্‌ খালোঁ। ভাগ্যে দেউতা ওচৰতে আছিল আৰু মোক ক'লে—"মা, চাই পেলাই দি নিদিয়া কিয়?" মই যেন তেতিয়াহে সম্বিত ঘূৰাই পালোঁ। 'চৰী' বুলি ওভোতাই দিলোঁ। তাৰ উত্তৰত ল'ৰাজনে ধুনীয়াকৈ হাঁহিলে। তাৰ পিছত দেউতাক সুধিলে "খুড়া, আপোনালোকে চাগে' চিটি বাছলৈ ৰৈ আছে, কোনফালে যাবনো?" দেউতাই কোৱাত তেওঁৰ লগতে যাব পাৰিব বুলি ক'লে। দেউতাই মোক 'ব'লা' বুলি কৈ গাড়ীত উঠিল। ময়ো যন্ত্ৰৰ দৰে গাড়ীত বহিলোঁগৈ। গাড়ী চলাৰ লগে লগেই দেউতাহঁতৰ কথা আৰম্ভ হ'ল আৰু মই শ্ৰোতা-দৰ্শক হিচাপে চুপ চাপ বহি গ'লোঁ। ল'ৰাজনৰ কথাবোৰৰ পৰা জানিব পাৰিলোঁ যে তেওঁৰ নাম প্লাৱন বৰুৱা। ঘৰ

গোলাঘাটৰ ফালে যদিও চাকৰিৰ খাতিৰত গুৱাহাটীত থাকিব লগা হৈছে। ব্যৱসায়ী দেউতাকৰ একমাত্ৰ ল'ৰা। চাকৰি কৰি ঘৰৰ পৰা আঁতৰত থাকিব দিয়াৰ ইচ্ছা নাছিল হেনো। কিন্তু ল'ৰাৰ আকোৰ-গোজালিত দিবলৈ বাধ্য হ'ল। তাৰ মাজতে দেউতাইয়ো নিজৰ কথা ক'লে। মোৰ লগত চিনাকিও কৰি দিলে। এনেকৈয়ে গৈ গৈ ঘৰ পালোঁ। দেউতাই তেওঁক ঘৰলৈ বৰকৈ মাতিলে, কিন্তু পিছত কেতিয়াবা আহিব বুলি কৈ গুছি গ'ল। ল'ৰা-জনৰ ব্যক্তিত্ব ভাল লাগিছিল—প্ৰথম লগ পায়েই।

এনেকৈ কিছুদিন পিছত মোৰ পৰীক্ষাৰ ৰিজাল্ট ওলাল। কলেজত এড্‌মিশ্বন হৈ ক্লাছ আৰম্ভ হ'ল। ইয়াৰ মাজতে হঠাৎ কেতিয়াবা সেই ল'ৰাজনৰ মানে প্লাৱনৰ কথা মনত পৰিছিল যদিও ভাবি একো লাভ নহব বুলিয়েই বেছিকৈ মনত পেলোৱা নাছিলোঁ। এনেতে হঠাৎ কলেজৰ পৰা মোৰ বান্ধৱী পূজাৰ লগত আহি থাকোতে গাড়ী এখন ওচৰতে ৰৈ পূজাক ক'লে, "অই পূজা, আহ ঘৰলৈ যাব যদি ময়েই নমাই দি যাম।" দুয়ো গৈ গাড়ীৰ পিছৰ চিটত বহিলোঁগৈ। গাড়ীত উঠিয়েই পূজাই চালকৰ চিটত বহি থকা মানুহজনক ক'লে, "দাদা, চাহ খাওঁ বল"। তেতিয়ালৈ মই মূৰ তুলি চোৱা নাছিলোঁ গাড়ীখনৰ আগৰ চিটত বহি থকা মানুহজন কেনেকুৱা। গাড়ী গৈ দোকান এখনৰ সন্মুখত ৰোৱাত পূজা আৰু মই ভিতৰলৈ গৈ চকীত বহিলোঁগৈ। হঠাৎ মানুহজনৰ চকুৱে চকুৱে পৰাত আঁচৰিত হলোঁ। আৰে এইজনেই দেখোন প্লাৱন। প্লাৱনক মই আমাৰ ঘৰলৈ আহিবলৈ জোৰ কৰিলোঁ। কিন্তু সেইদিনাও অইন এদিনাহে আহিব বুলি কৈ গুচি গ'ল।

তাৰ পিছত প্লাৱন আমাৰ ঘৰলৈ আহিল, মাৰ লগত চিনাকি হ'ল—কথা পাতিলে। মোৰ লগতো বহুত কথা পাতিলে। এনেকৈ মাহ গুচি বছৰত ভৰি দিলে। লাহে লাহে প্লাৱনৰ প্ৰতি মোৰ ভাল লগাবোৰ ভাল-পোৱাত পৰি প্ৰেমৰ জন্ম হ'ল। মোৰো সম্বোধন আপুনিৰ পৰা তুমিলৈ আহিল। এনেকৈয়ে দিনবোৰ গৈ থাকিল। এদিন মায়ে মোক সুধিলে—"বৰষা, প্লাৱনক তোৰ কেনে লাগে?" মই একো নভবাকৈয়ে কৈ দিলো—"ভাল লাগে। কিয় সুধিলা?" মায়ে "এনেয়ে দে" বুলি প্ৰসঙ্গটো তাতেই শেষ কৰি থ'লে। ময়ো বিশেষ একো নাভাবিলোঁ। সেইদিনা ৰাতি দেউতাই মাক সোধা শুনিলো—"বৰষাক তুমি কথাটো সুধিছিলা? তাই কি ক'লে?" মায়ে ক'লে—"ভাল লাগে বুলিয়েই ক'লে।" "হেৰাহে—ল'ৰাটোক ইমান দিনে দেখি ভাল ল'ৰা বুলি বিশ্বাস এটা হৈ গৈছে। বৰ ভদ্ৰ আৰু শিক্ষিতও। আৰু চোৱাচোন ইমান ধনী দেউতাকৰ ল'ৰা, তথাপিও চাকৰি কৰিবলৈ আহিছে। হেৰা, আমাৰ বৰ্ষাৰ বিয়াখন প্লাৱনৰ লগত পাতোঁ দিয়া।"

হঠাৎ দুৱাৰমুখত গাড়ী এখন ৰোৱাৰ শব্দ শুনি উচপ্‌খাই উঠিলোঁ। ইমান পৰে তেনেহ'লে মই ...। ভাবি বহি থাকিম নে ওলাই যাম তেনেকুৱা লাগিল। এতিয়াই কলিং বেলত চিনাকী শব্দ বাজিব আৰু মই দৌৰি গৈ দুৱাৰ খুলি দিম। লগে লগে প্লাৱনে আওৰাব হীৰেণ ভট্টাচাৰ্যৰ সেই চিনাকী কবিতাটো—"অপেক্ষাৰ আহত দিন শূন্যেৰে জপিয়ায় কোন মায়াৱী হৰিণ।" যিদিনাই আহি পোৱাত অলপ দেৰি হয়, সেইদিনাই তেওঁ তেনেকুৱা কৰে। গেট খোলাৰ শব্দ শুনিয়েই মই দুৱাৰ খুলিবলৈ গ'লো। বেল বজালৈ নৰলোঁ। দুৱাৰ খুলি দেখোঁ—প্লাৱন নহয়, অন্য এজন ল'ৰাহে। মুখখন গহীন। বুকুখন চিৰিংকৈ গ'ল। ল'ৰাজন মনে মনে থকা দেখি সুধিলোঁ—"ক ক বিচাৰিছে?"

"আপুনিয়ে মিচ বৰষা নিশ্চয়?" ল'ৰাজনে সুধিলে।

"হয়। কি হ'ল?"

'আজি আপোনাৰ জন্ম দিন উপলক্ষে প্লাৱন অহাৰ কথা আছিল নহয়নে? কিন্তু তেওঁ আহিব নোৱাৰে। কাৰণ অলপ আগেয়ে তেওঁক মিলিটাৰীয়ে গ্ৰেপ্তাৰ কৰিলে। তেওঁ হেনো এটা উগ্ৰপন্থী সংগঠনৰ সৈতে জড়িত। পিছে তেওঁ আপোনাক উপহাৰ দিবলৈ বুলি এটা পাৰফিউম আৰু এটা সোণৰ আঙুঠি আনি থৈছিল। মই সেইখিনি লৈ আহিছোঁ। লওঁক।"

ল'ৰাজন গুচি গ'ল। মোৰ কঁপনি উঠিছে। গোটেই পৃথিৱীখন যেন ঘূৰিছে আৰু কেন্দ্ৰত মই থিয় হৈ আছোঁ। দেউতা আহি কেতিয়া মোৰ ওচৰত থিয় দিছিল ক'ব নোৱাৰোঁ। মা—বুলি মতাতহে গম পালোঁ। দেউতাৰ বুকুত মূৰ থৈ হুকহুকাই কান্দিলোঁ। দেউতাই সান্ত্বনাৰ ভাষা বিচাৰি নাপালে। মাথো মোৰ মূৰত তেওঁৰ মৰমিয়াল হাতখন বুলাই দিলে।





**শুভেচ্ছা-** ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত নীলকান্ত মহন্তদেৱে প্ৰাচ্যতত্ত্ববিদ পণ্ডিত ড: মহেশ্বৰ নেওগদেৱৰ তত্ত্বাৱধানত "The Influence of the Neo Vaisnavism on the Bodo-Kacharis of Kamrup with special reference to socio cultural aspects" শীৰ্ষক বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। ড: নেওগৰ মতে তেখেতৰ গৱেষণা পত্ৰখন উচ্চমান বিশিষ্ট গৱেষণা পত্ৰ। ড: মহন্তদেৱৰ কৃতিত্বত আমি নথৈ সুখী আৰু গৌৰৱান্বিত। আমি তেখেতলৈ শুভেচ্ছা আৰু শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ। তেখেতে সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন লাভ কৰক। এয়ে আমাৰ হাৰ্দিকী প্ৰাৰ্থনা।



**বিদায়-** ৰঙিয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত যোগেন্দ্ৰ নাথ পাঠকদেৱে ৩১/৭/৯২ ইং তাৰিখে অবসৰ গ্ৰহণ কৰে। তেখেতে সুদীৰ্ঘ কাল মহাবিদ্যালয়লৈ সেৱা আগবঢ়াইছিল। ৩/৮/৬৪ ইং তাৰিখে অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰা পাঠক চাৰে পাছলৈ ক্ৰমে অসমীয়া বিভাগৰ মুৰব্বী আৰু উপাধ্যক্ষ পদ অলংকৃত কৰিছিল। তেখেত এজন সুদক্ষ খেলুৱৈ। ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈ তেখেতে পাঁচবাৰ All India P & T Meet (সৰ্বভাৰতীয় ডাক-তাঁৰ সমাৰোহ) লৈ দলপতি হিচাপে অসম ডাক-তাঁৰ বিভাগৰ ভলীবল দলটোক প্ৰতিনিধিত্ব কৰিছিল। ১৯৮৩ চনত ৰঙিয়াৰ ভলীবল খেলুৱৈ সকলক প্ৰশিক্ষণ দিছিল। ইয়াৰ উপৰি তেখেতে ৰঙিয়া অঞ্চলৰ খেলা-ধূলাকে আদি কৰি বিভিন্ন সামাজিক কাম কাজৰ সৈতেও জড়িত। বৰপেটা জিলাৰ ভালুকী গাৱঁত জন্ম গ্ৰহণ কৰা পাঠক চাৰ ছাত্ৰ হিচাপেও এজন মেধাবী ছাত্ৰ আছিল। তেখেতৰ বিদায় বেলাত আমি তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰিলো

**জয়তু পাঠক চাৰ।**



**কৃতিত্ব-** আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী প্ৰবক্তা সাৰঙ্গ পাণি শইকীয়া দেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক উদ্ভিদ বিজ্ঞান আৰু জীৱ প্ৰযুক্তি বিদ্যা বিভাগৰ পৰা কৃষি উদ্ভিদ বিজ্ঞান বিষয়ত এম, ফিল, ডিগ্ৰী লাভ কৰে। তেখেতৰ গৱেষণা পত্ৰৰ শিৰোনামা আছিল "ৰেডিয়েচন চেন্‌চিটিভিটি ইন ৰিলেচন টু ক্ৰমেটিন লেন্‌থ।" তেখেত ৰঙিয়া মহকুমাৰ অন্তৰ্গত সুন্দৰীশাল গাওঁ নিবাসী ৺গজেন্দ্ৰ নাথ শইকীয়া আৰু শ্ৰী বসুমতী শইকীয়াৰ পুত্ৰ। তেখেতলৈ আমাৰ আন্তৰিক শুভেচ্ছা যাচিছোঁ।

## শ্ৰেণী প্ৰতিনিধি



খাইৰুল ইছলাম
স্নাতক (কলা) ৩য় বৰ্ষ



তৰিকুল ইছলাম
স্নাতক (কলা) ২য় বৰ্ষ



দিলীপ ডেকা
স্নাতক (বিজ্ঞান) ১ম বৰ্ষ



অশোক দত্ত
স্নাতক (কলা) ১ম বৰ্ষ
দিবা শাখা



দেৱান জিয়াউদ্দিন আহমেদ
স্নাতক (কলা) ১ বৰ্ষ
আবেলি শাখা



বুবুল শালৈ
উ: মা: (বিজ্ঞান) ২য় বৰ্ষ

[পৰমেশ্বৰ বড়ো- স্নাতক (বিজ্ঞান) ২য় বৰ্ষ, খীৰেণ চন্দ্ৰ বড়ো- উ: মা: (কলা) ২য় বৰ্ষ, বলেন বড়ো- উ: মা: (বিজ্ঞান) ১ম বৰ্ষ, হেমেন শৰ্মা - উ: মা: (কলা) ১ম বৰ্ষ, আবেলি শাখা আৰু ৰঞ্জিত বড়ো - উ: মা: (কলা) ১ম বৰ্ষ দিবা শাখা— এইসকল শ্ৰেণী প্ৰতিনিধিৰ আলোকচিত্ৰ পোৱা নগ'ল।]

## মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়-ববীয়াসকল



দিলীপ ডেকা
উপসভাপতি



কবিন দাস
সাধাৰণ সম্পাদক



দিব্যজ্যোতি কলিতা
সহ: সাধাৰণ সম্পাদক



বাবুল বৈশ্য
আলোচনী সম্পাদক



লতিফুৰ ৰহমান
সম্পাদক, গুৰুখেল



আছহাবুদ্দিন আহমেদ
সম্পাদক, লঘুখেল



মঞ্জু বড়ো
সাংস্কৃতিক সম্পাদিকা



মুকুতা মোহন দাস
সম্পাদক, তৰ্ক আৰু সাহিত্য



কমল কান্তি ধৰ
সম্পাদক, সমাজ সেৱা



জগদীশ শৰ্মা
সম্পাদক, ছাত্ৰ জিৱনী কোঠা



মঞ্জুলা ডেকা
সম্পাদিকা, ছাত্ৰী জিৱনী কোঠা



*যাৰ গানে বং সানে প্ৰাণে প্ৰাণে*
নন্দিতা ৰায় চৌধুৰী
বছৰৰ শ্ৰেষ্ঠা গায়িকা



*'জীৱন্ত কবৰ'ত জীৱন্ত অভিনয়েৰে বছৰৰ শ্ৰেষ্ঠ অভিনেতাৰ খ্যাতি লাভ কৰা*
হিতেশ ডেকা



*যাৰ অভিনয়ে দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে'*
আবতি দেবী
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী



*সুক্ষ্ম চিন্তা যাৰ বৈশিষ্ট্য*
ৰুহুল আমিন
শ্ৰেষ্ঠ নাট পৰিচালক
আৰু ডবা চেম্পিয়ন



*যুক্তিৰ মাজেৰে সত্য বিচাৰি..*
গণদেৱ পাটোৱাৰী
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক তথা আকস্মিক বক্তৃতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী



*হাঁহিৰেই কোৱা জীৱনৰ কথা- চকুপানীনো কেলেই*
নলিনী দাস
বছৰৰ শ্ৰেষ্ঠ কৌতুক শিল্পী



জয়ন্ত শৰ্মা
ইংৰাজী কবিতা আবৃত্তিৰ শ্ৰেষ্ঠ প্ৰতিযোগী



*ঝাৰুদাৰ মহিলাৰ ভাওত নিখুত ৰূপসজ্জা কৰি শ্ৰেষ্ঠ ভেশচন প্ৰতিযোগীৰ সন্মান লাভ কৰা* - বিউটি বেগম



*এক উদীয়মান প্ৰতিভা*
নুৰুল আমিন
মূক অভিনয়, কৌতুক অভিনয়, অসমীয়া কবিতা আবৃত্তি আৰু হিন্দী কবিতা আবৃত্তিৰ শ্ৰেষ্ঠ প্ৰতিযোগী।

উল্লেখযোগ্য যে শ্ৰীআমিনে তেজপুৰৰ অগ্নিগড় যুৱ পৰিষদৰ দ্বাৰা সদৌ অসম ভিত্তিত আয়োজিত কবিতা প্ৰতিযোগিতাত ২য় স্থান লাভ কৰে।





ধনেশ চন্দ্ৰ বড়ো
শ্ৰেষ্ঠ এথলেট



দিব্যজ্যোতি কলিতা, ধীৰেন পাঠক
বেডমিণ্টন চেম্পিয়ন (ডাবলচ্)



অনুৰাধা বৰুৱা
শ্ৰেষ্ঠা এথলেট



ভবেন শৰ্মা
শ্ৰেষ্ঠ ভলীবল খেলুৱৈ



কমল নাৰায়ণ দাস,
আচহাবুদ্দিন আহমেদ শ্ৰেষ্ঠ সমাজকৰ্মী
(আন এজন শ্ৰেষ্ঠ সমাজকৰ্মী অশোক দত্তক ফটোত দেখা নগ'ল)



কনক কলিতা
কেৰম চেম্পিয়ন (চিংগলচ্)



নাজমা বেগম
বেডমিণ্টন চেম্পিয়ন
(ছোৱালীৰ চিংগলচ্)



অতুল কলিতা
প্ৰদৰ্শনী মূলক ক্ৰিকেট খেলৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ



আন্তঃশ্ৰেণী ভিত্তিক কাবাডী প্ৰতিযোগীতাৰ চেম্পিয়নশ্বিপ অৰ্জন কৰা স্নাতক (কলা) ১ম বৰ্ষৰ দলটো।

(ফটো লতিফৰ সৌজন্যত প্ৰাপ্ত)

শ্ৰেষ্ঠ কুইজটিম
(বাওঁফালৰ পৰা) খাইকল আনম, তৰিকুল ইছলাম, ইনামূল হক।







মহাবিদ্যালয় সপ্তাহ '৯১ উপলক্ষে আয়োজিত প্ৰদৰ্শনীমূলক ক্ৰিকেট খেলৰ চেম্পিয়ন- স্নাতক (কলা) ১ম বৰ্ষৰ দলটো।

(ফটো লতিফৰ সৌজন্যত প্ৰাপ্ত)



বঙিয়া মহাবিদ্যালয়ৰ নৱনিৰ্মিত বিজ্ঞান ভৱন উন্মোচন কৰিছে মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই।

(ফটো অপূৰ্ব গোস্বামীৰ সৌজন্যত প্ৰাপ্ত)

স্বাধীনতা দিৱসত বঙিয়া মহাবিদ্যালয়ৰ এন চি চি কেডেট সকলৰ মাৰ্চপাষ্টৰ এটি মুহূৰ্ত।





মহাবিদ্যালয় ছাত্ৰ সন্থাৰ শপত গ্ৰহণৰ এটি দৃশ্য।

## সম্পাদনা সমিতি



ডঃ নীলকান্ত মহন্ত
সভাপতি



উমেশ গোস্বামী
উপদেষ্টা



প্ৰদীপ ঠাকুৰীয়া
উপদেষ্টা



দক্ষেশ্বৰ ডেকা
তত্ত্বাৱধায়ক



বাবুল বৈশ্য
সম্পাদক



নুৰুল আমিন
সদস্য



কবিন দাস
সদস্য

# প্ৰিয় সম্পাদক

( মতামতৰ বাবে সম্পাদক দায়ী নহয় )

### ড্ৰাগচ্ ঃ এক মাৰাত্মক ব্যাধি

সাধাৰণ অৰ্থত ড্ৰাগচ্ মানে হ'ল নিচাযুক্ত মাৰাত্মক দ্ৰব্য। ইয়াৰ ভিতৰত হিৰ'ইন, ককেইন, ব্ৰাউন চুগাৰ, হেচিচ, আফিং আদিয়েই প্ৰধান। এইবোৰ মূলতঃ কৃষিজাত সামগ্ৰী। দুই এবিধ ড্ৰাগচত ৰাসায়নিক পদাৰ্থও মিহলি কৰা হয়। এইবোৰৰ মূল্য আন্তৰ্জাতিক বজাৰত লক্ষাধিক। বিশ্বৰ প্ৰায়বোৰ দেশৰে যুৱক-যুৱতী ইয়াৰ কবলত পৰিছে। তুলনামূলক ভাৱে আমেৰিকা, ইংলেণ্ড, কানাডা, আৰ্জেণ্টিনা, জাৰ্মান আদি দেশত ড্ৰাগচ্ সেৱনকাৰী অধিক দেখা যায়। ভাৰতবৰ্ষৰ বোম্বাই, কলিকতা, দিল্লী, মাদ্ৰাজ আদি মহানগৰী, মণিপুৰ, মিজোৰাম আদি ৰাজ্য ইয়াৰ ঘাটি হৈ পৰিছে। গুৱাহাটী মহানগৰীতো ইয়াৰ অবাধ প্ৰচলন দেখা গৈছে।

ব্ৰহ্মদেশত যথেষ্ট পৰিমাণে হিৰ'ইন আৰু ককেইন উৎপন্ন কৰে। এইবোৰ ম্যানমাৰৰ পৰা মিজোৰামত প্ৰৱেশ কৰে। তাৰ পৰা মেঘালয়ৰ সীমাৰে ডাউকি হৈ বাংলাদেশলৈ যায় আৰু বাংলাদেশৰ পৰাই বিভিন্ন দেশলৈ সৰবৰাহ কৰা হয়। পাকিস্তানত বুজন পৰিমাণৰ ব্ৰাউন চুগাৰ আৰু হিৰ'ইন উৎপন্ন হয়।

ভাৰতবৰ্ষত বহু মালবাহী ট্ৰাক ড্ৰাগচ্ সৰবৰাহৰ সৈতে জড়িত। ক'ৰবাত আকৌ পুলিচ, আবকাৰী কৰ্মী এই ব্যৱসায়ত জড়িত। অলপতে ডিমাপুৰত ভুৱা সৈনিকৰ সাজত ড্ৰাগচৰ এজেণ্ট ধৰা পৰিছে।

অসমৰ, বিশেষকৈ গুৱাহাটীৰ বহু কেইখন কলেজ হোষ্টেলত ড্ৰাগচ্ৰ প্ৰভাৱ পৰিছে। ইয়াৰ ভিতৰত ছোৱালী হোষ্টেলো আছে। বহু সময়ত বিভিন্ন কফ চিৰাপ, যেনে ফেন্সিডাইল, কোৰেক্স আদিও ইয়াৰ বিকল্প হিচাবে ব্যৱহাৰ কৰা হয়। বহুতো কলেজীয়া যুৱক-যুৱতীয়ে ইয়াৰ ব্যৱসায়ৰ সৈতে জড়িত। গুৱাহাটী গীতা নগৰ আৰক্ষীয়ে জনৈক ব্যক্তিৰ পৰা তিনিশ গ্ৰাম হিৰ'ইন জব্দ কৰিছে। তেওঁক এৰেষ্ট কৰাৰ পিছত তেওঁৰ নিজা ঘৰ টংলাৰ পৰাও দুশ পঞ্চাচ গ্ৰাম হিৰ'ইন জব্দ কৰা হয়। উল্লেখযোগ্য যে এই ব্যক্তিগৰাকী কেইবাখনো বাছৰ গৰাকী।

অদূৰ ভৱিষ্যতে ড্ৰাগচে সমাজত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিব। ইয়াৰ প্ৰভাৱ উত্তৰ পুৰুষসকলৰ গাতো দকৈ পৰিব। গতিকে, ইয়াক তৃণমূল পৰ্যায়তে নিবাৰণ কৰা উচিত। আজিৰ বোলছবি তাৰাকা সঞ্জয় দত্তও এসময়ত ড্ৰাগচ্ আসক্ত হৈ পৰিছিল। পিছত তেওঁৰ পিতৃয়ে তেওঁক আমেৰিকালৈ নি চিকিৎসা কৰাই সুস্থ কৰি তোলে।

আহক, আজি আমি ড্ৰাগচৰ বিৰুদ্ধে এক প্ৰবল জনমত গঢ়ি তোলোঁ।

দিলোৱাৰ হুচেইন
প্ৰাক্তন ছাত্ৰ

### ধন্যবাদ

প্ৰথমবাৰৰ বাবে ৰঙিয়া মহাবিদ্যালয়ৰ আলোচনীত আপোনাৰ প্ৰচেষ্টাত 'অভিমত' শিতানটি প্ৰকাশ কৰাত আপোনালৈ আমাৰ অশেষ ধন্যবাদ। আশা কৰোঁ, এই শিতানটিয়ে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন অভাৱ-অভিযোগৰ বিষয়ে কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰাব পাৰিব।

সুবোধ নাথ
টঙ্কেশ্বৰ নাথ
স্নাতক ( কলা ), ১ম বৰ্ষ

### উচ্ছৃংখল পৰিৱেশ

মহাবিদ্যালয়ত এক সু-পৰিৱেশ সৃষ্টি কৰিবলৈ কৰ্তৃপক্ষই চকু দিয়াটো নিত্যান্তই প্ৰয়োজন। অতি গুৰুত্বপূৰ্ণ কথা নহ'লেও, দুই এটা সৰু-সুৰা কাৰ্যই আমাৰ মহাবিদ্যালয়ৰ পৰিৱেশ বিনষ্ট কৰা পৰিলক্ষিত হৈছে। আজিকালি বহু ছাত্ৰই স্কুটাৰ, মটৰ চাইকেল আদি তীব্ৰ বেগত মহাবিদ্যালয়ৰ একেবাৰে শ্ৰেণীকোঠাৰ সন্মুখলৈ চলাই অহা দেখা যায়। স্কুটাৰ, মটৰ চাইকেলৰ তীব্ৰ শব্দই আমাৰ পাঠদানৰ সময়ত বৰকৈ অসুবিধা দিয়ে আৰু ছাত্ৰ-ছাত্ৰীৰ মনোযোগ পাঠৰ পৰা আঁতৰাই আনে। তাৰোপৰি এইবোৰ বাহন চলাই শিক্ষাগুৰুৰ আগেদি অতিক্ৰম কৰি যোৱাতো শিক্ষাগুৰুৰ প্ৰতি অসন্মানজনক নহয়নে? কেতি-

য়াবা হয়তো এই তীব্ৰ গতিবেগে দূৰ্ঘটনাৰ সৃষ্টি কৰিব। গতিকে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই এই সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰি মহাবিদ্যালৰ চৌহদৰ ভিতৰলৈ সকলো ধৰণৰ বাহন চলাই অহাতো নিষিদ্ধ বুলি জাননী দিব লাগে।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মূল্যৱান সময়ৰ মধে-মধে অপব্যৱহাৰ কৰে। বিশেষকৈ off period ত ছাত্ৰ-ছাত্ৰীয়ে গছৰ তলত বহি হওঁক, বাৰান্দাত থিয় হৈ হওঁক সময়বোৰ অতিক্ৰম কৰিব লগাত পৰিছে। সেয়েহে কৰ্তৃপক্ষই পুথিভঁৰালৰ লগত এটা পঢ়া কোঠালী তৈয়াৰ কৰি দি সময়ৰ অপব্যৱহাৰৰ পৰা বিৰত ৰখাৰ লগতে পৰিবেশটোৰ উন্নতি ঘটাবলৈ চেষ্টা কৰে যেন।

দীপ কুমাৰ ডেকা
স্নাতক (কলা), ১ম বৰ্ষ

## আলোচনী সম্পৰ্কে

নকলেও হব যে ৰঙিয়া মহকুমাৰ ভিতৰত উচ্চ শিক্ষা লাভ কৰাৰ একমাত্ৰ সুবিধাজনক শিক্ষানুষ্ঠানখনেই হ'ল ৰঙিয়া মহাবিদ্যালয়। এনে এটি অনুষ্ঠানৰ বাৰ্ষিক মুখপত্ৰখন নিয়মীয়া নোহোৱাতো অতিকৈ দুৰ্ভাগ্যজনক। আশা কৰোঁ, এই জড়তা শীঘ্ৰেই দূৰ হব।

পুথিভঁৰালত অধ্যয়নৰ সুবিধাজনক ঠাই নোহোৱাত ছাত্ৰ-ছাত্ৰীসকল ভীষণ অসুবিধাৰ সন্মুখীন হৈছে। ইয়াৰোপৰি লেট্ৰিন, চাইকেল ষ্টেণ্ড আদি নিতান্তই দৰকাৰী।

জয়ন্ত কুমাৰ শৰ্মা
স্নাতক ( কলা ), ১ম বৰ্ষ

## আলোচনী সম্পৰ্কে

মহাবিদ্যালয় আলোচনীখন ছাত্ৰ ছাত্ৰীৰ বৰ প্ৰিয়, অইন মহাবিদ্যালয়ৰ দৰে প্ৰতি বছৰে আমাৰ মহাবিদ্যালয়ৰ পৰা আলোচনী এখন প্ৰকাশিত হৈছিল। কিন্তু দুখৰ বিষয় যে আজি তিনি বছৰ একেৰাহে আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ আছে। ইয়াৰ কাৰণ ছাত্ৰ ছাত্ৰীৰ উপযুক্ত লেখাৰ অভাৱ নে আৰ্থিক পুঁজিৰ অভাৱ বুজিব পৰা নাই। তেনেস্থলত কিছুমান সুন্দৰ বক্তব্যৰে ছাত্ৰ-ছাত্ৰীৰ মন মোহিত কৰি নিৰ্ব্বাচনত জয়ী হৈ আলোচনী সম্পাদকৰ পদ দখল কৰাৰ অৰ্থ থাকিব নোৱাৰে। আলোচনীৰ মাচুল লৈ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক শোষণ কৰাৰ চক্ৰান্ত কিয় কৰিব লাগিছে? মোৰ বোধেৰে আলোচনী প্ৰকাশ কৰাটো সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে।

চন্দ্ৰকমল ডেকা
স্নাতক ( কলা ), ১ম বৰ্ষ

## ভেকোভাওনা

২০।৪।৯২ ইং তাৰিখৰ পৰা আৰম্ভ হোৱা বছৰেকীয়া পৰীক্ষা বহু ছাত্ৰ-ছাত্ৰীয়ে দিয়া নাছিল। পৰীক্ষা নিদিয়া সকলৰ বাবে পুনৰ পৰীক্ষা লোৱা হ'ল। কিন্তু আচৰিত হলোঁ এইবাবে যে আগৰটো পৰীক্ষাৰ প্ৰশ্ন কাকতৰ দৈতে এইটো পৰীক্ষাৰ প্ৰশ্নকাকত হুবহু একে। অৰ্থাৎ আগৰ হৈ যোৱা প্ৰশ্ন কাকতবোৰেই পিছৰ পৰীক্ষাটোত বিতৰণ কৰা হৈছে। ই কেনে ধৰণৰ কথা? পৰীক্ষাৰ নামত সেইবোৰ ভেকোভাওনা এত নহ'ল নে? এই ক্ষেত্ৰত মই কব খোজোঁ, ভৱিষ্যতে যেন এনেকুৱা নহয়। কাৰণ এনে পৰীক্ষা ব্যৱস্থাৰ দ্বাৰা আমাৰ কোনো লাভ নহব : বৰং আমি দিনে দিনে এলেহুৱাহে হৈ যাম।

পৰমানন্দ নাথ
স্নাতক (কলা) ১ম বৰ্ষ

## এনেকৈ উন্নতি সম্ভৱনে ?

নিৰ্বাচনৰ আগেয়ে ছাত্ৰ প্ৰতিনিধিসকলে যি প্ৰতিশ্ৰুতি ছাত্ৰ-ছাত্ৰীসকলক দিয়ে নিৰ্বাচনৰ পিছত সেই প্ৰতিশ্ৰুতি পালন কৰা দেখা নাযায়। তেওঁলোকৰ একমাত্ৰ কৰ্তব্য হৈ পৰে কিবাকৈ কলেজ সপ্তাহটো চলাই দিয়া আৰু নিজৰ বিভাগলৈ আবন্তিত পুঁজিৰ এটা অংশ হাতচাৰা কৰা। সেয়েহে ৰঙিয়া মহাবিদ্যালয়ৰ সমস্যা সদায় সমস্যা হৈয়ে ৰৈ যায়। ন্যূনতম কৰণীয়খিনিও প্ৰতিনিধিসকলে কৰা দেখা নাযায়। আনকি আজি বহু বছৰ ধৰি মহাবিদ্যালয় আলোচনীখন প্ৰকাশ হোৱা নাই। বহু ক্ষেত্ৰত দেখা যায়, ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলৰ মাজত যি সু-সম্পৰ্ক থকা প্ৰয়োজন সেয়া নাই। সাধাৰণ সম্পাদক গৰাকীৰ ভূমিকাও নিষ্ক্ৰিয়। এনেকৈ বাৰু মহাবিদ্যালয়ৰ উন্নতি সম্ভৱ নে?

হিৰকজ্যোতি ডেকা
উঃ মাঃ (কলা), ২য় বৰ্ষ

## গ্ৰন্থাগাৰিকলৈ অভিনন্দন

আজি কালি চৰকাৰী বিষয়া কৰ্মচাৰীসকলৰ মুখত সহানুভূতিসূচক মাত বৰ বিৰল। আমাৰ মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু, সং, অমায়িক আৰু সহানুভূতিশীল বিষয়া-কৰ্মচাৰী একেবাৰে নোহোৱা হৈ যোৱা নাই। এনে এক বিৰল ব্যক্তিৰ উদাহৰণ ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থাগাৰিক শ্ৰীযুত বীৰেণ শৰ্মা। তেখেতলৈ আমাৰ অভিনন্দন থাকিল।

প্ৰকাশ বৈশ্য
স্নাতক (কলা), ১ম বৰ্ষ





Phone : 284

# RANGIA COLLEGE STUDENTS' UNION

# ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

P. O.—RANGIA : : DIST—KAMRUP ( ASSAM )

SESSION—1991-92

## উপ-সভাপতিৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ আৰম্ভণিতে মোক ১৯৯১-৯২ চনৰ বাবে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উপ-সভাপতি হিচাবে নিৰ্বাচিত কৰা বাবে আপোনালোকৰ ওচৰত মই কৃতজ্ঞ হৈ ৰলোঁ। বিগত বছৰটোত কি কৰিলোঁ, কি নকৰিলোঁ তাৰ বিচাৰ আপোনালোকে কৰিব। উপ-সভাপতিৰ কাম কিমান সেইটো আপোনালোকৰ জ্ঞাত। এই পদটোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে বৈদ্যগড় আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হিচাবে কাম কৰিবলগীয়া হোৱাত মহাবিদ্যালয়ৰ কামত সিমান সক্ৰিয় হব পৰা নাছিলোঁ। ১৯৮৫ চনতে মুকলি কৰা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই অধ্যক্ষৰ একান্ত চেষ্টা আৰু শিক্ষকসকলৰ অপৰিসীম কষ্টৰ ফলত আৰু অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ অনুগ্ৰহত মোৰ কাৰ্যকালতে ঘাটি মঞ্জুৰী লাভ কৰে। এইটো মহাবিদ্যালয়ৰ বাবে সৌভাগ্যৰ কথা।

মোৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শেৰে সহায়-সহযোগিতা কৰা অধ্যক্ষ মাননীয় নীলকান্ত মহন্ত, পূজনীয় শিক্ষাগুৰু গোলোক চন্দ্ৰ ভূঞা, নীলিমা ডেকা, জ্যোতিষ চৌধুৰী, প্ৰদীপ ঠাকুৰীয়া, ভবেন ডেকা আৰু ৰাণু চৌধুৰীৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলোঁ। মোৰ কাৰ্যকালত সহায়-সহযোগ কৰা ছাত্ৰ-ছাত্ৰীসকললৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ৰঙিয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ প্ৰগতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয় আই অসম।
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

দিলীপ চন্দ্ৰ দাস
উপ-সভাপতি, ৰঃ মঃ ছাঃ সঃ

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ কাপ ধৰিয়েই অসম আৰু অসমবাসীৰ হকে দেশৰ জটিল সন্ধিক্ষণত প্ৰাণ বিসৰ্জন দিয়া প্ৰতিজন বীৰ-বীৰঙ্গণাকে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে এই মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। ১৯৯১-৯২ চনৰ বাবে সাধাৰণ সম্পাদক ৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ সেৱা কৰাৰ সুবিধাকণ দিয়া বাবে মই ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীসকলৰ ওচৰত চিৰ কৃতজ্ঞ। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কিমানখিনি কৰিব পাৰিছোঁ অথবা পৰা নাই, সেয়া ছাত্ৰ-ছাত্ৰীসকলৰ বিচাৰ্য। কাৰব নোৱাৰাখিনিৰ বাবে ক্ষমা বিচাৰিছোঁ।

উত্তৰ কামৰূপৰ সৰ্ববৃহৎ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাবে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যিমান অসুবিধাৰ সন্মুখীন হৈছে, দৰাচলতে সেয়া হব নালাগিছিল। অৱশ্যে আটাইখিনি অভাৱ তৎকালেই পূৰণ কৰা সম্ভৱ নহয়। কিন্তু ন্যূনতম প্ৰয়োজনীয়তাখিনিও পূৰণ কৰাৰ ক্ষেত্ৰত কৰ্তৃপক্ষৰ আগ্ৰহৰ অভাৱ দেখা যায়। ছাত্ৰ-ছাত্ৰী অনুপাতে মহাবিদ্যালয়ত শ্ৰেণী কোঠা নাই বুলি আমি দাবী কৰিব নোৱাৰোঁ আৰু এই ক্ষেত্ৰত অভাৱ থাকিলেও নিৰ্মাণৰত শ্ৰেণী কোঠাসমূহে সেয়া পূৰণ কৰিব বুলি আশা কৰিব পাৰোঁ। মহাবিদ্যালয়ৰ পুৰণি শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ কেইটা জহি-খহি গ'ল।

নতুনকৈ স্থায়ী শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ নিৰ্মাণ নকৰাটো দুৰ্ভাগ্যজনক।

১৯৮৫ চনতে মুকলি কৰা বিজ্ঞান শাখাটো কৰ্তৃপক্ষ আৰু ছাত্ৰ সন্থাৰ চেষ্টাত এইবেলি ঘাটি মঞ্জুৰী লাভ কৰিবলৈ সক্ষম হয়। ২৫ জানুৱাৰী '৯২ৰ দিনা মহাবিদ্যালয় ছাত্ৰ সন্থাই আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য মন্ত্ৰী মাননীয় হিতেশ্বৰ শইকীয়াই মহাবিদ্যালয়ৰ নৱনিৰ্মিত বিজ্ঞান ভৱনটোৰ দ্বাৰ উন্মোচন কৰে। এই কাৰ্যসূচীৰ পিছতেই ভুৱনেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী মাননীয় ড্য ভূমিধৰ বৰ্মনে বক্তব্য প্ৰদান কৰে। মুখ্য মন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক ঘনে-ঘনে আন্দোলন নকৰি শৈক্ষিক দিশত মনোযোগ দিবলৈ আহ্বান জনায়।

আমাৰ কাৰ্যকালত ৰঙিয়া মহাবিদ্যালয়ত অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণী খোলা হয়। এয়া আমাৰ বাবে আনন্দৰ কথা।

আমাৰ মহাবিদ্যালয় গ্ৰন্থাগাৰত যে পৰ্যাপ্ত পৰিমাণৰ কিতাপ আছে তাক নকলেও হ'ব। কিন্তু ছাত্ৰ-ছাত্ৰীসকলে পুথিভঁৰালৰ অনুশাসন মানি নচলাৰ ফলত পাঠ্যপুথিৰ কৃত্ৰিম নাটনি দেখা যায়। মোৰ বিচাৰেৰে এই নাটনিৰ ক্ষেত্ৰত কৰ্তৃপক্ষৰ কোনো দোষ নাই। ছাত্ৰ ছাত্ৰীৰ পুথিভঁৰালৰ ক্ষেত্ৰত যিখিনি দায়িত্ব বা কৰ্তব্য সেইখিনি পালন কৰা উচিত। এটা আচুতীয়া পঢ়া কোঠাৰ অভাৱত ছাত্ৰ-ছাত্ৰীসকল সমস্যাৰ সন্মুখীন হৈছে।

আমাৰ কাৰ্যকালৰ ভিতৰতে মহাবিদ্যালয়ৰ বোটানিকেল গাৰ্ডেনখন স্নাতক ৩য় বৰ্ষ, বিজ্ঞান শাখাৰ ছাত্ৰ শ্ৰীসতেন্দ্ৰ কুমাৰ শৰ্মাৰ চেষ্টা আৰু কৰ্মনিষ্ঠাৰ বাবে প্ৰতিষ্ঠিত হোৱাত তেওঁ ধন্যবাদৰ পাত্ৰ। এই ক্ষেত্ৰত শ্ৰীশৰ্মাক বিভিন্ন দিশ পৰামৰ্শেৰে সহায় কৰা বাবে মাননীয় শিক্ষক-শিক্ষয়ত্ৰী সকলো সমানেই ধন্যবাদৰ পাত্ৰ। তাৰোপৰি Rangia Range Office ( Social Forestry ) ৰ Range Officer শ্ৰীযুত ৰমণী মোহন সূত্ৰধৰৰ ওচৰতো চিৰ কৃতজ্ঞ।

অসমৰ স্বাৰ্থৰ হকে প্ৰাণ বিসৰ্জন দিয়া ছহিদসকলৰ স্মৃতিত সদৌ অসম ছাত্ৰ সন্থা, ৰঙিয়া মহাবিদ্যালয় গোটৰ দ্বাৰা নিৰ্মাণ কৰা বহু বছৰ ধৰি অসম্পূৰ্ণ হৈ থকা ছহিদ বেদীটো এইবেলি সম্পূৰ্ণ কৰা হয়। এই ক্ষেত্ৰত বিজয় শালৈ, প্ৰদীপ ডেকা, কুশল তালুকদাৰ, প্ৰমোদ চক্ৰৱৰ্তী, প্ৰশান্ত শ্বাহ আৰু মুকুল বৰাৰ নাম নললে অকৃতজ্ঞতাৰ দোষে চুব।

অনুশাসনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ যিমান দায়িত্বশীল হব লাগিছিল, সিমানখিনি হোৱা নাই বুলি আমি দাবী কৰিব পাৰোঁ। উচ্ছৃংখল যুৱ-ছাত্ৰসকলে বিভিন্ন ধৰণে শৈক্ষিক পৰিবেশ বিনষ্ট কৰা কাৰ্যৰ বিৰোধিতা ছাত্ৰ সন্থাই কৰি আহিছে আৰু ইয়াক নিৰ্মূল কৰিবলৈ কৰ্তৃপক্ষক হেঁচা প্ৰয়োগ কৰা হৈছে। কিন্তু তাৰ সুফল আজিলৈকে পোৱা নাই। মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত, বিদ্যালয় সপ্তাহত, নাম ভৰ্তিৰ সময়ত, সভা সমিতি আৰু উৎসৱ পাৰ্বনৰ সময়ত এচাম ছাত্ৰই কৰি অহা উচ্ছৃংখল কাৰ্যৰ আমি নিন্দা কৰিলেই নহব, তেনে কাৰ্য কৰা ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে কৰ্তৃপক্ষই কঠোৰ ব্যৱস্থা লব লাগিব। আশা ৰাখিছোঁ, এটা সুস্থ শৈক্ষিক পৰিবেশ গঢ়াত ছাত্ৰ সমাজ আৰু কৰ্তৃপক্ষই সমানে অংশ লব।

প্ৰতিবেদনৰ শেষত আমাক বিশেষ ভাৱে সহায় কৰা বিভাগীয় সম্পাদকসকলৰ লগতে দিলীপ, অশোক, বিজয়, বিনোদ, জ্ঞানদা, বশিষ্ঠ, জেহেৰুল, প্ৰমোদ, কমল, সতেন্দ্ৰ, টংকেশ্বৰ, ৰমেন আৰু শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতা জনালোঁ। এই ছেগতে প্ৰাক্তন ছাত্ৰ শ্ৰীপ্ৰতুল ভট্টাচাৰ্য, শ্ৰীদিনমনি ডেকা আৰু প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীদীনেশ কলিতাকো মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

জয় আই অসম
জয়তু ৰঙিয়া মহাবিদ্যালয়
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থা
শ্ৰীকবিন দাস
সাধাৰণ সম্পাদক, ৰং মঃ ছাঃ সঃ



## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ জটিল সন্ধিক্ষণত প্ৰাণ উৎসৰ্গা কৰা প্ৰতিজন বীৰ-বীৰঙ্গনাকে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু আৰু কৰ্মচাৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

সহকাৰী সাধাৰণ সম্পাদক হিচাবে কাৰ্য-নিৰ্বাহ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যা আৰু শিক্ষানুষ্ঠানবোৰত বাঢ়ি অহা ৰাজনৈতিক দলসমূহৰ প্ৰভাৱ প্ৰত্যক্ষ কৰোঁ। ৰাজনৈতিক প্ৰভাৱে ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক জীৱনত প্ৰচণ্ড আঘাত হানিছে। সেয়েহে ছাত্ৰ সমাজে ৰাজনৈতিক চক্ৰৰ পৰা নিজকে মুক্ত কৰি ভৱিষ্যতে সম্পূৰ্ণৰূপে অৰাজনৈতিক ভূমিকা পালন কৰিব বুলি আশা কৰিছোঁ।

মোৰ কাৰ্যকালত সহঃ সাধাৰণ সম্পাদক হিচাবে সাধাৰণ সম্পাদকক পাৰ্যমানে সহায়-সহযোগ কৰিছোঁ। '৯২ চনৰ ফেব্ৰুৱাৰী মাহত পোন্ধৰ দিনৰ বাবে সাধাৰণ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰোঁ। তাৰোপৰি সৰস্বতী পূজা উদ্‌যাপন কমিটিৰ সম্পাদকৰ ভাৰো মোক প্ৰদান কৰা হয়। পূজাখন চলাই নিয়াত শিক্ষাগুৰু মুকুল কলিতা আৰু বন্ধুবৰ অশোক দত্তই যি সহায়ৰ হাত আগবঢ়ালে, তাৰবাবে মই উক্ত ব্যক্তি দুজনৰ ওচৰত পৰম কৃতজ্ঞ হৈ ৰলোঁ।

শেষত মোৰ অজানিত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয় আই অসম
জয়তু ৰঙিয়া মহাবিদ্যালয়
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা
দিব্যজ্যোতি কলিতা
সহঃ সাধাৰণ সম্পাদক, ৰং মঃ ছাঃ সঃ

## গুৰু খেল সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯১-৯২ ইংৰাজী চনৰ বাবে ৰঙিয়া মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মোক গুৰু খেল বিভাগৰ সম্পাদক পদত নিৰ্বাচিত কৰি ছাত্ৰসকলৰ সেৱা কৰিবলৈ সুযোগ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই গুৰু দায়িত্ব বহন কৰি মই কি কৰিলোঁ, সেয়া আপোনালোকৰ বিদিত। সমস্যাৰ বিশাল পথাৰে আগুৰা আমাৰ মহাবিদ্যালয়ৰ খেল বিভাগ। তথাপি প্ৰতিটো মুহূৰ্ততে সকলো সমস্যা আওকান কৰি মোৰ কৰ্তব্য কৰি যোৱাৰ চেষ্টা কৰিছোঁ।

বৰ্তমান সমাজৰ প্ৰতিটো খোজতেই আমি বিজ্ঞানৰ প্ৰয়োগ দেখিবলৈ পাওঁ। কেৱল শিক্ষাই নহয়, খেলৰ লগতো বিজ্ঞানে সমানে তাল মিলাইছে। দেশ এখনৰ প্ৰগতিৰ সৈতে খেলা-ধুলাৰো ওতঃপ্ৰোত সম্পৰ্ক আছে। বিজ্ঞানৰ প্ৰভাৱে খেলৰ প্ৰক্ৰিয়া আৰু পদ্ধতিক স্তৰে স্তৰে উন্নত কৰি আহিছে। এনে ক্ষেত্ৰত আমি প্ৰতিযোগিতাৰ মনোভাৱলৈ বিজ্ঞান সন্মত আহিলা পাতিৰে অনুশীলন নকৰিলে কেতিয়াও খেলৰ মান বঢ়াব নোৱাৰোঁ, কিন্তু পৰিতাপৰ বিষয়, আগ্ৰহ থকা সত্ত্বেও সময়ৰ লগত খাপ খোৱা আহিলা পাতিৰ অভাৱত অনুশীলন কৰিবলৈ নোপোৱাৰ ফলত আমাৰ ছাত্ৰ-ছাত্ৰীসকল বহু পিছপৰি থাকিবলগীয়া হৈছে।

কাৰ্যভাৰ গ্ৰহণৰ দিনদিয়েক পাছতে আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণৰ গুৰু দায়িত্ব মোৰ ওপৰত পৰিল। মিৰ্জাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত আঠ বছৰৰ বিৰতিৰ পিছত মোৰ নেতৃত্বত আমাৰ মহাবিদ্যালয়ে যোগদান কৰে। যথেষ্ট ভাল ফল দেখুৱাই আমাৰ মহাবিদ্যালয়ে কোৱাটাৰ ফাইনেল পায় কিন্তু দুৰ্ভাগ্যজনক ভাৱে ৰেফাৰীৰ ভুল সিদ্ধান্তৰ বাবে আমাৰ দলটো প্ৰতিযোগিতাৰ পৰা বিদায় লবলগীয়া হয়। ৰেফাৰীৰ ভুল সিদ্ধান্তৰ প্ৰতিবাদ লিপি 'দৈনিক অসম'ৰ জৰিয়তে প্ৰকাশ কৰি কৰ্তৃপক্ষৰ দৃষ্টি-গোচৰ কৰা হয়। কিন্তু কোনো ফল নধৰিল।

তাৰ পিছতে আহি পৰিল মহাবিদ্যালয় সপ্তাহ। এই উপলক্ষে ক্ৰীড়া পতাকা উত্তোলন কৰে বিদ্যুৎ পৰিষদৰ অধীক্ষক অভিযন্তা শ্ৰীযুত যতীন বৰাদেৰে। আৰ্থিক অনাটন সত্ত্বেও মই জাক-জমকতাৰে প্ৰায়

